CHAIDUAR COLLEGE
GOHPUR . ASSAM

তমসোমা জ্যোতির্গময়

# ছয়দুৱাৰ মহাবিদ্যালয় আলোচনী



সম্পাদক - পদ্ম দলে

# দুচকু পানীৰে ভৰে



আমাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা গোলোক ভূঞাচাৰ, স্নাতক ৩য় বৰ্ষৰ ছাত্ৰী ইনি ভূঞা আৰু উ. মা. ২য় বৰ্ষৰ ছাত্ৰী পাপৰি বৰা লগতে স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী পূৰ্ণিমা বৰাইক অকাল বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰিলো আৰু মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰিলো !!



গোলোক ভূঞা
জন্ম ঃ ১ এপ্ৰিল ১৯৪২চন
মৃত্যু ঃ ১২ এপ্ৰিল, ১৯৯৬ চন

পাপৰি বৰা



৺পূৰ্ণিমা বৰাইক



ইনি ভূঞা

*****************

## কৃতজ্ঞতা



অসমীয়া বিষয়ৰ মুৰব্বী অধ্যাপক শ্ৰীযুত শোভন বৰা আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত সোমনাথ চেলেং দেৱে ১ মাৰ্চ ১৯৯৭ ইং তাৰিখত অৱসৰ গ্ৰহণ কৰে।

*এই সুযোগতে দুয়োজন শিক্ষাগুৰুকে আন্তৰিক কৃতজ্ঞতা জনালোঁ।*



শ্ৰীযুত সোমনাথ চেলেং

শ্ৰীযুত শোভন বৰা

# মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ বৰ্ষৰ গৌৰৱ



অশ্বিনী মুঁদৈ
শ্ৰেষ্ঠ অভিনেতা



নৰজ্যোতি বৰা
দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা
নাটক বন্দেচৰ গামোছা



ৰমেশ দলে
বছৰৰ শ্ৰেষ্ঠ ভাৰউত্তোলক



ৰঞ্জন দেউৰী
শ্ৰেষ্ঠ টেবুল টেনিচ চেম্পিয়ন



মোহন প্ৰধান
শ্ৰেষ্ঠ এন, চি, চি কেডেট



নিৰ্মালী হাজৰিকা
বছৰৰ শ্ৰেষ্ঠা গায়িকা



প্ৰেমানন্দ স্বৰ্গীয়াৰী
বছৰৰ শ্ৰেষ্ঠ ডবা খেলুৱৈ

# মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ বৰ্ষৰ গৌৰৱ



তিলক দিহিঙীয়া
বছৰৰ শ্ৰেষ্ঠ পৰিচালক ও শ্ৰেষ্ঠ
কৌতুক অভিনেতা



মিছ ৰশ্মিৰেখা শৰ্মা
তৃতীয় বছৰৰ বাবে শ্ৰেষ্ঠ তাৰ্কিক
আৰু বিতৰ্ক প্ৰতিযোগী



কুশল বৰা
শ্ৰেষ্ঠ বছৰৰ মাৰাথান দৌৰ আৰু
পাঞ্জা চেম্পিয়ন



মিছ মিনু বসুমতাৰী
শ্ৰেষ্ঠ খেলুৱৈ বহিঃ ক্ৰীড়া



নিলয় গোস্বামী
শ্ৰেষ্ঠ বেডমিন্টন খেলুৱৈ



ৰংগীনা বসুমতাৰী
শ্ৰেষ্ঠা পাঞ্জা চেম্পিয়ন



মৃণালী চুতীয়া
শ্ৰেষ্ঠা বেডমিন্টন আৰু
একক কেৰম চেম্পিয়ন



গোপাল চাবুকধৰা
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ

# গৌৰৱৰ বতৰা



শ্ৰীজয়ন্ত কৃষ্ণ শৰ্মা

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ১৯৯৪ চনৰ শ্ৰেষ্ঠ স্নাতক শ্ৰীজয়ন্ত কৃষ্ণ শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৯৬ চনৰ (১৯৯৭ চনত অনুষ্ঠিত) ৰাজনীতি বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানেৰে স্বৰ্ণ পদক লাভ কৰি মহাবিদ্যালয়লৈ কঢ়িয়াই আনে আনন্দ আৰু গৌৰৱৰ বতৰা। উল্লেখ্য যে, ছয়দুৱাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন উপ-সভাপতি (১৯৯৪-৯৫ বৰ্ষ) শ্ৰীমান জয়ন্তই মহাবিদ্যালয়ত ১৯৮৯ চনৰ পৰা একেৰাহে পাঁচ বছৰ কাল শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰি এটা নতুন অভিলেখো স্থাপন কৰিছিল।



শ্ৰীকিশোৰ সিং ৰাজপুত

ছয়দুৱাৰ মহাবিদ্যালয়ৰ স্নাতক শ্ৰীকিশোৰ সিং ৰাজপুতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৯৬ চনৰ (১৯৯৭ চনত অনুষ্ঠিত) অৰ্থনীতি বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ দশম স্থান লাভ কৰি মহাবিদ্যালয়লৈ কঢ়িয়াই আনে সুনাম আৰু গৌৰৱৰ বতৰা।



নগাঁৱত সদৌ অসম ভিত্তিত অনুষ্ঠিত বিতৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান কঢ়িয়াই আনোতা মহাবিদ্যালয়ৰ ছাত্ৰীদ্বয় ক্ৰমে ৰশ্মিৰেখা শৰ্মা আৰু চুমি বৰঠাকুৰ।

# ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ একাংশ



বহি ঃ বাওঁফালৰ পৰা শ্ৰীনীলিম হাজৰিকা—সহঃকাৰী সাধাৰণ সম্পাদক, সমৰজ্যোতি শইকীয়া—সাধাৰণ সম্পাদক, অচ্যুতানন্দ দেৱগোস্বামী—সভাপতি, ৰাতুল বৰা—বহিঃক্ৰিড়া বিভাগ, কুশল বৰা—শৰীৰচৰ্চা বিভাগ।

থিয়ৈহে বাওঁফালৰ পৰা ঃ শ্ৰীমতী ৰূপামণি বৰা—ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা, চুমী বৰঠাকুৰ—বিতৰ্ক বিভাগ, শ্যামন্ত ভূঞা—আন্তঃ ক্ৰিড়া বিভাগ, নবজ্যোতি বৰা—সমাজ সেৱা বিভাগ, পদ্ম দলে—আলোচনী বিভাগ।

## সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা ঃ শ্ৰীপদ্ম দলে—আলোচনী সম্পাদক, শ্ৰীযুত সৌমিত্ৰ কুমাৰ বৰুৱা (তত্বাৱধায়ক অসমীয়া বিভাগ), শ্ৰীযুত ইৰস্ব গম্ভীৰ সিং (তত্বাৱধায়ক ইংৰাজী বিভাগ)।

থিয় হৈ বাওঁফালৰ পৰা ঃ শ্ৰীজীৱন কাকতি—সদস্য, শ্ৰীমতী অঞ্জুমণি হাজৰিকা—সদস্যা, চুমী বৰঠাকুৰ—সদস্যা, ৰশ্মিৰেখা শৰ্মা—সদস্যা, কুশল বৰা—সদস্য, শ্যামন্ত ভূঞা—সদস্য।



মহাবিদ্যালয়ৰ এন. চি. চি. গ্ৰুপৰ একাংশ



মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'বিথিকা' উন্মোচনীৰ আগমুহূৰ্তত ফুলাম গামোছাৰে আদৰণি জনাইছে আলোচনী সম্পাদক শ্ৰীপদ্ম দলেয়ে, মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত অচ্যুতানন্দ দেৱগোস্বামী দেবক।



সম্পাদকৰ মেজৰ পৰা

# আলোচনী এখন কিয় লাগে?

"মানুহৰ নিজৰ সৃষ্টি সমূহৰ ভিতৰত ভাষাই হ'ল সবাতোতকৈ বিস্ময়কৰ" কথাষাৰ মই গভীৰ ভাবে বিশ্বাস কৰোঁ। ভাষাৰ আৱিস্কাৰ মানৱ ইতিহাসৰ অন্যতম গৰিমাময় পৰিঘটনা।

আজি অসমত যি ধৰণে বিভিন্ন আলোচনীৰ প্ৰয়োজন ঘটিছে, ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি নেকি যে, অসমত পঢুৱৈৰ সংখ্যা ইমান বেছি হৈ গ'ল যাৰ বাবে দিনে দিনে আলোচনীহে বাঢ়িব লাগিছে। কিন্তু পঢুৱৈৰ সংখ্যা তেনেই তাকৰ.....। আজি সেই আলোচনীয়ে সমাদৰ লাভ কৰিবলৈ ধৰিছে আচলতে যিবোৰ আলোচনীৰ কোনো মৌলিক অৱদান নাই, আছে মাথো সস্তীয়া যৌন গন্ধীমূলক বেপৰুৱা গল্প আৰু কাহিনী....। আশ্চৰ্য্যৰ বিষয় এইটোৱেই যে তেনে সস্তীয়া প্ৰমূল্যৰ আলোচনীৰ পঢুৱৈৰ ভিতৰত কলেজৰ ছাত্ৰ-ছাত্ৰীয়েই বেছি। যিটো সময়ত সেই পঢুৱৈসকল উপযুক্ত জ্ঞান আৰু অভিজ্ঞতাৰ অন্বেষণত ব্যস্ত থাকিব লাগে, সেই সময় তেওঁলোকে বিনষ্ট কৰে কিছুমান সস্তীয়া আলোচনী অধ্যয়ন কৰি......।

..... তেনেহলে প্ৰশ্ন আহে, আমি কেনেকুৱা আলোচনী অধ্যয়ন কৰা উচিত। আমাৰ ক্ষুদ্ৰ দৃষ্টিত আমি এনে এখন আলোচনী অধ্যয়ন কৰা উচিত, যিখন আলোচনীয়ে দিশহাৰা সমাজখনক নতুন পথৰ সন্ধান দিবৰ বাবে অগ্ৰসৰ হ'ব। আমি এনে এখন আলোচনী অধ্যয়ন কৰিব লাগে যিখন আলোচনী অধ্যয়ন কৰি বৰ্তমান যুৱচাম, দেশ আৰু স্বজাতিৰ প্ৰগতিৰ হেতু আত্মোৎসৰ্গা কৰিব পৰাকৈ সুনিৰ্দিষ্ট পথৰ সন্ধান থাকিব.....। আমি এনে এখন আলোচনী অধ্যয়ন কৰিব লাগে, যিখন আলোচনীয়ে সন্মুখত থকা পংগু সমাজখনৰ নিৰ্মূল আৰু প্ৰগতিৰ বাবে আগবাঢ়ি আহিব পৰাকৈ জ্যেষ্ঠ আৰু জ্ঞানীজনৰ শ্ৰেষ্ঠ উপদেশ সমূহ থাকে .....। আমি এনে এখন আলোচনী অধ্যয়ন কৰা উচিত, যি খন অধ্যয়নৰ যোগেদি বৰ্তমান যুৱচামৰ নিজ নিজ প্ৰতিভা বিকাশৰ সন্ধান থাকিব....।

..... গতিকে আলোচনী এখন প্ৰকাশ কৰাটো বা অধ্যয়ন কৰাটো একো জটিল কাম নহয়, কিন্তু আলোচনী খনৰ দ্বাৰা সৃষ্টি হোৱা লাভ বা লোকচান নিত্যান্ত বিচাৰ্য্যৰ বিষয়....। সেয়েহে ছয়দুৱাৰ মহাবিদ্যালয়ৰ আলোচনী এখন প্ৰকাশ কৰিবলৈ ওলাই এই অভাজনৰ মনত বাৰে বাৰে এইটোৱেই প্ৰশ্ন হয়, আলোচনীখনৰ পৰা ছাত্ৰ-ছাত্ৰীৰ উপকাৰ কিমান.....? বহুত ক্ষেত্ৰত দেখা যায়, প্ৰায় ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাগত পৰা আলোচনীখন ঘৰলৈ নি জাপি থোৱাৰ বাদে অধ্যয়নৰ সময়েই নাপায়....। আন কিছুমান পঢুৱৈ আছে, যিসকলে নিজে লেখা বিষয়টোৰ (গল্প, কবিতা বা প্ৰবন্ধ)ৰ বাদে আনৰ লেখা সমূহ টান পায়.....। সেয়েহে মই ভাবো, আলোচনীখন যিহেতু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবেই প্ৰকাশ কৰা হয়, গতিকেই ই সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ কৰাৰ লগতে আলোচনীখনৰ মৌলিকতা থকাটো বাঞ্চনীয়.....। গতিকে আলোচনীখনৰ গাম্ভীৰ্য্যতা বৰ্দ্ধন, শ্ৰীবৃদ্ধি আৰু ইয়াৰ উপকাৰিতা সন্দৰ্ভত চিন্তা চৰ্চা কৰাটোও ছাত্ৰ-ছাত্ৰীৰেই দায়িত্ব ....। যিহেতু বহুতো প্ৰতিভাসম্পন্ন লেখক লেখিকাৰ লেখাৰ প্ৰস্তুতি এনেদৰেই হয় আৰু তেনে প্ৰতিভা সম্পন্ন লেখক লেখিকাৰ যে মহাবিদ্যালয়খনত অভাব নাই ইয়ো নিশ্চিত। আজিৰ মহাবিদ্যালয়ৰ লেখক লেখিকাই হয়তো সমগ্ৰ ৰাজ্যৰ বাবে দায়িত্বশীল লেখক লেখিকা হবগৈ পাৰে.....।

যিকি নহওঁক, ছয়দুৱাৰ মহাবিদ্যালয় এখনৰ দৰে মহান মহাবিদ্যালয়ৰ এই দায়িত্বশীল আলোচনী সম্পাদনাৰ দায়িত্ব আমাৰ দৰে অভাজনক দিয়ে। ইয়াৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ ঋণী হৈ ৰ'ব লাগিব ......।

শ্ৰদ্ধাঞ্জলী ঃ স্বদেশ আৰু স্বজাতিৰ বাবে প্ৰাণাহুতি দিয়া মহান শ্বহীদ সকললৈ মই অশ্ৰু অঞ্জলী যাঁচিলো।

কৃতজ্ঞতা ঃ পোনতে শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ "ছয়দুৱাৰ মহাবিদ্যালয় মুখপত্ৰ খনি" প্ৰকাশ কৰাত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দিয়া তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত সৌমিত্ৰ বৰুৱা ছাৰক লগতে উপাধ্যক্ষ মাননীয় শ্ৰীযুত খগেন গোস্বামী ছাৰক আৰু সম্পাদনা সমিতিৰ সমূহ সদস্যৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰম।

..... প্ৰশান্ত, বুবুদা, নন্দদা, স্বপন, বাপন, ৰমেন, পবিত্ৰদা, বিমলদা, মুহিমদা, বেদদা, ধনদা, বিজিত, ৰবীন্দ্ৰ, উত্তম, অমৰ, জয়ন্ত, জনতা, চন্দ্ৰ, চতে, বিশ্বজিৎ, মাধৱ, কৃষ্ণ, উদয়, কুলেন, ৰাজেন, গৌতম, শ্যোলোক্য, কমলজিৎ, বিমলদা, তিলক, নিলয়, পল্লবীবা, মৃনালীবা, ভাস্কৰ, ৰেখাবা, ইমীবা, জিতুবা, মিতুবা, মনীষা বা, আৰধনাবা, নিজৰা, পৰীবা, মমী, কবিতা, ৰশ্মি, ৰুমি, পাপু, গুনুচা, ৰুনু ৰেখা, ৰবি দিপালী, তুলিকা, চম্পা, চুমি, ডিপু আদিৰ অক্লান্ত পৰিশ্ৰম আৰু বন্ধুত্ব সুলভ অৱদান এই সুযোগতে দোহাৰিব লাগিব। ইয়াৰ লগতে যিসকলে জ্ঞাতে বা অজ্ঞাতে মোক অকৃপণ ভাবে সহায়ৰ হাত বঢ়ালে, সেই সকলৰ বাবেও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত, মহাবিদ্যালয়খনৰ সৰ্ব্বাংগীন উন্নতি কামনা কৰাৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ মঙ্গল প্ৰাৰ্থনা জনালো.....।

"জয়তু ছয়দুৱাৰ মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে

শ্ৰীপদ্ম দলে
সম্পাদক আলোচনী বিভাগ

"সাহিত্য ভাবৰ ধ্বনি আৰু প্ৰতিধ্বনি মাথোন। জাতীয় সাহিত্যত জাতীয়
ভাবৰ ধ্বনি আৰু প্ৰতিধ্বনিয়ে। জাতীয় জীৱনে যিমান দিন জাতীয় ভাবৰ
প্ৰতিধ্বনি কৰিব পাৰে, সিমান দিনেই ই বাচি থাকে।"

# প্ৰবন্ধ



# গ্যাট চুক্তি আৰু ভাৰতৰ কৃষিখণ্ড

❒ প্ৰদীপ দত্ত, প্ৰবক্তা
মুৰব্বী শিক্ষা বিভাগ

গ্যাটৰ সম্পূৰ্ণ নাম হ'ল 'জেনেৰেল এগ্ৰিমেন্ট অন টেৰিফ এণ্ড ট্ৰেড' (General Agreement on Teffif and Trade)। পশ্চিমীয়া দেশকেইখনমানে নিজৰ বাণিজ্যিক স্বাৰ্থৰ বাবে ১৯৪৮ চনত এই আন্তৰ্জাতিক প্ৰতিস্থানটোৰ জন্ম দিছিল। আৰ্থাৰ ডাংকেল্ আছিল গ্যাটৰ মহানিৰ্দেশক (Director General)। ১৯৯৪ চনৰ ১৫ এপ্ৰিলত ডাংকেলৰ প্ৰস্তাৱ অনুসৰি মৰক্কোৰ ৰাজধানী মাৰাকেশত নতুন গ্যাট চুক্তিত চহী কৰিলে ১২৫ খন দেশে। আমাৰ দেশ ভাৰতবৰ্ষও ইয়াৰ পৰা বাদ নপৰিল। মূল চুক্তিখন আছিল ৫০০ পৃষ্ঠাৰ আৰু বিভিন্ন পণ্যৰ শুল্ক পৰিবৰ্তনৰ তালিকা থকা ইয়াৰ সৰ্ব্বমুঠ পৃষ্ঠা আছিল ২৫ হাজাৰ আৰু ওজন প্ৰায় ১৭৫ কিলোগ্ৰাম। কৃষি, শিল্প, মেধাসম্পদ, জৈৱ অজৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰত গ্যাট চুক্তিয়েই হ'ল পৃথিৱীৰ ইতিহাসৰ বৃহত্তম বাণিজ্য চুক্তি। এই চুক্তিৰ আধাৰতে বিশ্ব বাণিজ্য সংস্থা (World Trade Organisation) গঢ়ি উঠিছে আৰু বণিজ্য ক্ষেত্ৰ বঢ়োৱাৰ বাটত বহুতো বাধা ইতিমধ্যে আঁতৰ কৰা হৈছে।

ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশবোৰৰ বাবে কৃষিয়েই হৈছে অৰ্থনৈতিক মেৰুদণ্ড। দেশৰ ৭০ শতাংশতকৈও অধিক মানুহ এই ক্ষেত্ৰৰ দ্বাৰাই প্ৰভাবিত হয়। এইবাবেই প্ৰথম কৃষিও 'গ্যাট'ৰ পৰিধিলৈ আহিল। চুক্তিৰ সমৰ্থকসকলে এতিয়াও কৃষিয়েই আটাইতকৈ উপকৃত হ'বলগীয়া খণ্ড বুলি প্ৰচাৰ চলাই থাকিলেও আমাৰ দৰে দুখীয়া দেশবোৰত ইয়াৰ প্ৰভাৱ কি দৰে পৰিবলৈ আৰম্ভ কৰিছে আৰু অদুৰ ভৱিষ্যতে কি প্ৰভাৱ পেলাব তাকে আলোচনা কৰাই এই প্ৰবন্ধৰ মূল উদ্দেশ্য।

বিশ্বৰ কৃষি সম্পদ আৰু উদ্ভিদ আদিৰ প্ৰধান উৎপত্তি আৰু বিস্তাৰৰ ঠাইসমূহ হ'ল ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহ। এইবোৰ দেশে বহু যুগ-যুগ ধৰি কৃষিৰ উৎপাদন আৰু বৃদ্ধি কৰি আহিছে। মহানিম, হালধি, ব্ৰাহ্মীশাক, সৰ্পগন্ধা, ভেদাইলতা আদি অনেক তৰুলতা চিকিৎসা প্ৰসাধন আদিও ব্যৱহাৰ কৰি আহিছে। বৰ্তমানে বিশ্বৰ বহুজাতিক পুঁজিপতি সস্থা (Multinationals) বোৰৰ লুভীয়া দৃষ্টি এইবোৰৰ ওপৰত পৰিছে। ইয়াৰ ফলতেই পৰিবৰ্ত্তন হৈছে পেটেন্ট আইন।

পেটেন্ট হ'ল এক ধৰণৰ মেধাস্বত্ত্ব (সৰ্ব্বস্বত্ত্ব সংৰক্ষিত দ্ৰব্য অধিকাৰ)। কোনো এজন ব্যক্তি বা সংস্থাই কোনো এটা নতুন যন্ত্ৰ, এটা নতুন দৰৱ বা কীটনাশক দ্ৰব্য, নতুন বীজ বা নতুন এটা বৈজ্ঞানিক ধাৰণাৰ জন্ম দিলে দেশৰ আইন অনুযায়ী পঞ্জীকৰণ কৰা নিয়ম। এটা নিৰ্দ্দিষ্ট সময়লৈ সেই মেধাস্বত্ত্বৰ গৰাকী হ'ব পঞ্জীকৰণ কৰা ব্যক্তিজন বা সংস্থাটো অৰ্থাৎ পেটেন্টৰ অধিকাৰীজন। আনে সেই মেধাস্বত্ত্বৰ বাণিজ্যিক ব্যৱহাৰ কৰিলে পেটেন্টৰ গৰাকীৰ পৰা অনুমতি ল'ব লাগিব। প্ৰতিখন দেশেই এই নতুন বিধি অনুসৰি নিজৰ আইন সলনি কৰিব লাগিব। নতুন চুক্তি অনুসৰি ২০০০ খৃঃৰ ভিতৰত বিশ্বৰ সকলো গেটেই আইন একে ধৰণৰ হ'ব লাগিব। ইতিমধ্যে মাৰ্কিন পেটেন্টৰ লগত সংগতি ৰাখি ভাৰতে যাতে পেটেন্ট আইন পৰিবৰ্তন কৰে তাৰ বাবে আমেৰিকাই প্ৰচণ্ড চাপ সৃষ্টি কৰিছে।

নিম গছ আমাৰ সকলোৰে চিনাকি। বিজ্ঞানীসকলে নিমৰ টেকুৰ বেক্টেৰিয়া, ভাইৰাছৰ বিৰুদ্ধে কাৰ্য কৰিব পৰা গুণো নতুনকৈ আৱিষ্কাৰ কৰিছে। আমেৰিকা, জাৰ্মানি, জাপান, বৃটেইন আদি দেশত নিমৰ ওপৰত বহুতো গৱেষণা চলি আছে। ভাৰতীয় সকলে পবিত্ৰ গছ বুলি ভবা এই নিমৰ ওপৰত ইতিমধ্যে আমেৰিকাই পেটেন্ট আইন বলবৎ কৰিছে। অৰ্থাৎ নিমৰ পৰা আমি নতুনকৈ কোনোধৰণৰ দৰৱ, কীটনাশক দ্ৰব্য আদি বনাব নোৱাৰো। প্ৰত্যেক ক্ষেত্ৰতে আমি আমেৰিকাৰ পৰা অনুমতি ল'ব লাগিব। 'ইণ্ডিয়ান কাউন্সিল অব চাইন্টিফিক এণ্ড ইণ্ডাষ্টিয়েল ৰিচাৰ্চ' (CSOR) নামৰ সংস্থাটোৱে বহুদিন যুজিও নিমক আমেৰিকান পেটেন্ট আইনৰ পৰা বচাব নোৱাৰিলে। ১৯৯৫ চনৰ মাৰ্চ মাহত হালধিক আঘাট নিৰাময় কৰা দ্ৰব্য হিচাবে মিচিচিপি মেডিকেল চেন্টাৰক (Mississppi Medical Centre) আমেৰিকান পেটেন্ট দিয়া হ'ল। অৰ্থাৎ আঘাট নিৰাময় কৰা ঔষধৰ স্বত্ত তেওঁলোকৰহে থাকিব। ভাৰতবৰ্ষত যুগ যুগ ধৰি হালধি আঘাট নিৰাময়ত ব্যৱহৃত হৈ আহিছে। অন্যান্য ক্ষেত্ৰটো হালধি ব্যৱহাৰ কৰা হয়। সেয়ে চি.এন.আই.আৰ (CSIR)য়ে হালধিৰ পেটেন্টক প্ৰত্যাহ্বান জনালে। সেই মোকৰ্দ্দমাত ৫ লাখতকৈয়ো বেছি টকা খৰচ হ'ল আৰু অৱশেষত হালধিক আমেৰিকান পেটেন্টৰ পৰা ৰক্ষা কৰাও সক্ষম হ'ল। এই বিজয়ে ভাৰতবৰ্ষকে আদি কৰি অন্যান্য তৃতীয় বিশ্বৰ দেশসমূহৰ জনসাধাৰণে যুগ যুগ ধৰি ব্যৱহাৰ কৰি অহা তৰুলতা সমূহক ৰক্ষা কৰাত বহুতো সহায় কৰিব।

নতুন চুক্তিমতে সকলোবিধ পেটেন্টেই বিশ (২০) বছৰ ধৰি চলিবই লাগিব। এই নিৰ্দ্দিষ্ট সময়ছোৱাত বিশেষ উৎপাদিত দ্ৰব্যটোৰ সমান্তৰাল অন্য এক দ্ৰব্যৰ বাবে কোনোধৰণৰ পৰীক্ষা নিৰিক্ষা চলিবলৈ দিয়া নহ'ব। এই পেটেন্ট ব্যৱস্থা সমগ্ৰ বিশ্বজুৰি প্ৰযোজ্য হ'ব। আমেৰিকাত কোনো এটা কোম্পানীয়ে পেটেন্ট পোৱা মানে সমগ্ৰ বিশ্বজুৰি সি বস্তুটোৰ উৎপাদন আৰু বিক্ৰীৰ

ক্ষেত্রত ২০ বছৰলৈ একচেটিয়া অধিকাৰ ভোগ কৰিব। তদুপৰি আমদানি কাৰ্য্যকো উৎপাদনৰ সমপৰ্য্যায়ৰ বুলি গণ্য কৰা হ'ব। অৰ্থাৎ কোনো এটা বহুজাতিক সংস্থাই ভাৰতৰ পেটেন্ট লৈ কোনো এটা দ্ৰব্য ভাৰতত উৎপাদন নকৰি আমদানি কৰিলেও চৰকাৰে বাধা দিব নোৱাৰিব।

কৃষিজাত সামগ্ৰীৰ ক্ষেত্ৰত বৰ্তমানে সবাতোকৈ লাভজনক ব্যৱসায়টো হৈছে জিন প্ৰযুক্তি ব্যৱহাৰ কৰি উদ্ভাৱন কৰা উন্নত প্ৰজননক্ষম (Hybreed) শস্যবীজৰ ব্যৱসায়। পৃথিৱীৰ বৃহৎ ব্যৱসায়িক গোষ্ঠীসমূহে বহু টকা খৰচ কৰি এনে বীজৰ ব্যৱসায়ত নামি পৰিছে। আলু, তৰকাৰী, ফল বা ফুলৰ বীজৰ ক্ষেত্ৰত আমি ইতিমধ্যে ধনী দেশবোৰৰ ওপৰত নিৰ্ভৰশীল হৈছো। পাঁচ টকা খৰচ কৰি এটা ৰঙালাউৰ গুটি কিনিছোঁ। হাইব্ৰীড বীজৰ কথা আজি সকলো কৃষকৰ মুখে মুখে। এই উন্নত প্ৰজনন্নক্ষম বীজবোৰ নপুংশকৰ দৰে। এবাৰ চপোৱাৰ পাছত ইহঁতক পুনৰ বীজ হিচাবে ব্যৱহাৰ কৰিব নোৱাৰি। সেয়ে প্ৰতিবছৰে দহগুণ দাম বাঢ়ি গলেও কৃষকে সেই বীজ কিনিবলৈ বাধ্য। ভাৰতৰ দৰে দেশে উন্নত বীজ তৈয়াৰ কৰিবলৈ সক্ষম হোৱা স্বত্তেও তৈয়াৰ কৰিব নোৱাৰিব। ষাঠিৰ দশকৰ পৰাই ভাৰতৰ কৃষি বিশ্ববিদ্যালয়বোৰে বহুতো উন্নত বীজ উলিয়াইছে। খেতিয়কক সেই বীজৰ যোগান ধৰা হৈছে। ফলত কেইবাখনো প্ৰদেশত 'সেউজ বিপ্লব' সফল হৈছে। এতিয়া ধান, ঘেঁহু আদিৰ বীজ পশ্চিমীয়া দেশসমূহৰ পৰা অহা আৰম্ভ কৰিছে। কৃষি বিজ্ঞানীসকলৰ জীৱনজোৰা সাধনা ব্যৰ্থ হৈছে। দুই এবছৰ এনেধৰণৰ বীজৰ আমদানি বন্ধ কৰিব পাৰিলে আমাৰ দেশতো উন্নত বীজ উৎপাদন কৰিব পৰা যাব।

মাৰ্কিন কোম্পানীসমূহে প্ৰস্তুত কৰি উলিওৱা হাইব্ৰীড বীজ ব্যৱহাৰ কৰিলে প্ৰায় ক্ষেত্ৰতেই বেছি ৰাসায়নিক সাৰৰ প্ৰয়োজন হ'ব। এই সাৰ প্ৰস্তুত কৰি উলিয়াই মাল্টিনেশ্যনেল সংস্থাই। এইবিলাকৰ দাম অতি বেচি। দুখীয়া খেতিয়কৰ সেই সাৰ আৰু বীজ কিনাৰ সামৰ্থ নাথাকিব। তেওঁলোকে লাহে লাহে কৃষিক্ষেত্ৰ এৰিবলৈ বাধ্য হ'ব। ধনী খেতিয়কে বহু টকা ব্যয় কৰি নিজৰ স্বাৰ্থত কৃষি পৰিচালনা কৰিব। কৰ্ণটিক আদি ৰাজ্যত ইতিমধ্যে এনেধৰণৰ শোষণৰ বিৰুদ্ধে বহু চিন্তা-চৰ্চা হৈছে। প্ৰকৃততে কবলৈ গ'লে দৰিদ্ৰ কৃষকেই নহয় সমগ্ৰ ভাৰতৰ কৃষি ব্যৱস্থাটোৱেই মাল্টিনেশ্যনেলৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিব।

ভাৰতবৰ্ষৰ দৰে দেশৰ দুখীয়া খেতিয়কৰ ওপৰত গ্যাট চুক্তিৰ আন এক মাধমাৰ হ'ল বিদ্যুৎ, সাৰ, পানীযোগান ইত্যাদিত থকা ৰাজসাহাৰ্য্য ক্ৰমান্নয়ে বন্ধ কৰা। বৰ্তমানে ভাৰতৰ বিভিন্ন ৰাজ্যসমূহৰ চৰকাৰে খেতিয়কক বিভিন্ন ক্ষেত্ৰত দি থকা ৰেহাই ১০%তকৈ কম কৰিবলৈ বাধ্য হ'ব। ডাইল আৰু তেলৰ গুটিৰ ক্ষেত্ৰত ভৰ্তুকি (Subsidy) সম্পূৰ্ণ বন্ধ হ'ব কাৰণ আন্তৰ্জাতিক বজাৰত ইয়াৰ দাম ঘৰুৱা বজাৰতকৈ কম। যোৱা আঠ/ন বছৰে ভাৰতৰ কৃষিজাত উন্নতি সন্তোষজনক। ধৰি লোৱা হ'ল বতৰৰ বাবে অহাবছৰ ধান বা ঘেঁহু নহ'ল। প্ৰতিকিলোৰ দাম ২০ টকা হ'লগৈ। যিহেতু ৰাজসাহাৰ্য্য মাত্ৰ ১০% হ'ব সেয়ে দাম হ'বগৈ ১৮ টকা। কোনো ঠাইত দাম যদি ৩০ টকা পায়গৈ ২৭ টকাৰ কমত চাউল বা ঘেঁহু যোগান ধৰিব পৰা নহ'ব। পিয়াজৰ দাম বাঢ়ি এইবছৰ ৩০ টকা পালেগৈ। দুখীয়া ৰাইজৰ কিমান শতাংশই এনে খাদ্য কিনিবলৈ সক্ষম হ'ব? ইয়াৰ উপৰিও সকলো দেশেই বাধ্য হ'ব আভ্যন্তৰীণ কৃষি পণ্যৰ অন্ততঃ তিনি শতাংশ আমদানি কৰিবলৈ। লাহে লাহে এই আমদানিৰ পৰিমাণ পাচ শতাংশলৈ বৃদ্ধি কৰিবলৈ বাধ্য হ'ব। অৰ্থাৎ প্ৰয়োজন নাথাকিলেও চৰা দামত খাদ্য আমদানি কৰিব লাগিব উন্নত দেশসমূহৰ পৰা।

সামৰণিত আমি কব পাৰো যে ভাৰতৰ কৃষিখণ্ডক নিয়ন্ত্ৰণ কৰিবলৈ গৈ আছে বহুজাতিক সংস্থাসমূহে। বিশ্বৰ শস্য বীজৰ বজাৰখনৰ শতকৰা ৬০ ভাগ নিয়ন্ত্ৰণ কৰা 'কাৰগিল' নামৰ বহুজাতিক সংস্থাটোৱে কেৱল গৱেষণাতেই খৰচ কৰে ভাৰতৰ বাৰ্ষিক সজেতততকৈ ৫ গুণ বেছি। ইতিমধ্যে তেওঁলোকে ভাৰতত সূৰ্য্যমুখীৰ বীজ উৎপন্ন কৰিবলৈ লৈছে। এসময়ত ইংৰাজসকলে ভাৰতীয় কৃষকক জোৰ কৰি নীলৰ খেতি কৰাইছিল নিজৰ স্বাৰ্থৰ বাবে। ফলত দেশত দুৰ্ভিক্ষ হৈছেল। বৰ্তমানৰ বহুজাতিক সংস্থাবোৰেও বাণিজ্যিক লাভা-লাভৰ কথা চিন্তা কৰিছে কৃষিক নিয়ন্ত্ৰণ কৰিব, দেশৰ আৱশ্যকতাৰ কথা চিন্তা কৰি নহয়। কেৱল কৃষিয়েই নহয়, বেঙ্ক, বীমা, শিক্ষামূলক আৰু চিকিৎসাসেৱা, যোগাযোগ আৰু বৈদ্যুতিক যোগাযোগ ব্যৱস্থা আদি সেৱামূলক সংস্থাবোৰৰ ক্ষেত্ৰটো অবাধ বাণিজ্যিক স্বাধীনতা বিচাৰিছে উন্নত পুঁজিবাদী দেশসমূহে। এনে স্বাধীনতা প্ৰদানে ভাৰতৰ নিজা বেংক, বীমা আদিৰ অৱস্থা কি কৰিব সি সহজেই অনুমেয়। ◆

◆ প্ৰত্যেক দিন জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা।

জীম কৰবেট

◆ আজিৰ কাম কালি কৰিম বুলি পেলায় নথবা, কাৰণ কালিলৈ তোমাৰ অৱস্থা কি হ'ব তুমি নাজানা।

হজৰত মহম্মদ

◆ ভগৱানে সেই সকলক ঘৃণা কৰে, যি নিজৰ প্ৰশংসা নিজে গায়।

চেন্ট ক্লিমেন্ট

সংগ্ৰহ
শ্ৰীনিতুল কুমাৰ বৰা
স্নাতক প্ৰথম বৰ্ষ (কলা)

# কোৱান্টাম আৱিষ্কাৰ আৰু বিকাশ

❑ নীলমনি শইকীয়া, প্ৰবক্তা
(পদাৰ্থ বিজ্ঞান)

বিজ্ঞানৰ একোটা সময়ৰ একোটা ধাৰণাই সদায়ে সকলো বিজ্ঞানীকে আপ্লুত কৰি নাৰাখে। নতুন চিন্তা নতুন পৰ্য্যাবেক্ষণ আৰু নতুন বিশ্লেষনেই হ'ল বিজ্ঞানৰ প্ৰগতি। সুক্ষ্মতম কণা বোলোতে সাধাৰণ দৃষ্টিত বতাহত উৰিফুৰা ধূলিকণাবোৰকেই ভবা হৈছিল। বিজ্ঞানীসকলে উনবিংশ শতিকাৰ প্ৰায় শেষ ভাগলৈকে পদাৰ্থৰ সুক্ষ্মতম উপাদান হিচাপে অনু-পৰমাণুতে সীমাবদ্ধ থাকিব লগা হ'ল। পৰমাণু যে পদাৰ্থৰ মৌলিক উপাদান নহয় তাৰ প্ৰমাণ পোৱা গ'ল যেতিয়া ১৮৮৭ চনত বিজ্ঞানী জে. জে. মমচনে পৰমাণুৰ এটা উপাদান হিচাবে ইলেকট্ৰন আৱিষ্কাৰ কৰিলে আৰু ১৯১৭ চনত লৰ্ড ৰাডাৰফৰ্ডে প্ৰটন আবিষ্কাৰ কৰিলে। প্ৰতিটো কণাৰ আবিষ্কাৰ একোটা সুকিয়া অধ্যায়ৰ বিষয় বস্তু। ইলেক্টন ঋণাত্মক বিদ্যুৎ আধানযুক্ত কণা আৰু প্ৰটন ধনাত্মক আধানযুক্ত। সাধাৰণ অৱস্থাত এটা পৰমাণুত ইলেকট্ৰন আৰু প্ৰটনৰ সংখ্যা সমান হোৱা বাবে পৰমাণুটো সামগ্ৰিক অৰ্থত বৈদ্যুতিক ভাবে নিৰপেক্ষ। ৰাডাৰফৰ্ডে প্ৰমাণ কৰিছিল যে ইলেকট্ৰন এটাতকৈ প্ৰটন এটা ১৮৩৭ গুণে গধুৰ। ১৯৩২ চনত চাড্উইকে পৰমাণুৰ আন এটা মূল উপাদান নিউট্ৰন আবিষ্কাৰ কৰে। নিউট্ৰন বিদ্যুৎ নিৰপেক্ষ। নিউট্ৰনৰ ভৰ প্ৰটনৰ ভৰতকৈ সামান্য বেছি। নিউট্ৰন প্ৰটনৰ লগতে পৰমাণুৰ নিউক্লিয়াচত থাকে। নিউট্ৰনৰ আবিষ্কাৰৰ ফলত একোটা মৌলৰ বিভিন্ন ভৰৰ পৰমাণুৰ ব্যাখ্যা কৰিব পৰা হৈছিল। এইবোৰকে আইচ্'টপ বুলি কোৱা হয়। অৱশ্যে পৰমাণুত ইলেকট্ৰন, প্ৰটন, নিউট্ৰনৰ উপৰিও আৰু বহুতো পাৰমানবিক কণা থকাটো আবিষ্কাৰ হৈছে।

উনবিংশ শকিতাৰ শেষৰ ফালে বিজ্ঞানীসকলে জানিছিল যে মৌলসমূহৰ পৰা পোহৰ নিৰ্গমন হয়। যিহেতু মৌল হ'ল পৰমাণুৰ সমষ্টি গতিকে পৰমাণুৰ পৰাহে পোহৰ নিৰ্গত হয়। কিন্তু পোহৰৰ নিৰ্গমন প্ৰক্ৰিয়া বিজ্ঞানীসকলৰ বোধগম্য হোৱা নাছিল। পোহৰৰ এই নিৰ্গমন ব্যাখ্যা কৰিবলৈ এক নতুন ধাৰণাৰ প্ৰয়োজন হয়। এই ধাৰণাই হ'ল কোৱান্টাম (Quantum) আৱিষ্কাৰৰ কাহিনী। আন এটা সমস্যাৰ উত্তৰ বিচাৰোতেও এই নতুন চিন্তাৰ প্ৰয়োজন হৈছিল। প্ৰথমে এই বিষয়ে আলোচনা কৰা হ'ল।

এটা কম উষ্ণতাত থকা বস্তুৰ ওচৰলৈ এটা উষ্ণ উষ্ণতাত থকা বস্তু আনিলে তপত বস্তুটোৱে তাপ হেৰুৱাই আৰু কম উষ্ণতাতে থকা বস্তুটোৱে তাপ গ্ৰহণ কৰে আৰু এটা কথা সকলোৰে বোধগম্য যে, অতিশয় তপত বস্তুৱে পোহৰ নিৰ্গত কৰে। এইদৰে পোহৰৰ নিৰ্গমন বুজাবলৈ বিকিৰণ শব্দটোৰ ব্যৱহাৰ কৰা হয়। পোহৰ হ'ল আচলতে কিছুমান তৰংগ। একোটা তৰংগৰ একোটা নিৰ্দিষ্ট দৈৰ্ঘ্য থাকে। তৰংগৰ একে দশাত থকা অনুক্ৰমিক বিন্দু দুটাৰ মাজৰ দূৰত্বকে তৰংগ দৈৰ্ঘ্য (A) হিচাবে লোৱা হয়।

দৃশ্যমান পোহৰ হ'ল সাতোটা ৰঙৰ সমষ্টি। কোনো বস্তুৱে শোষণ নকৰি যিটো ৰং এৰি দিয়ে সেইটো ৰঙে বস্তুটোৰ ৰং নিৰ্ণয়




কৰে। আনহাতে যিবোৰ বস্তুৱে বস্তুটোত আপতিত বিকিৰণৰ সকলো শোষণ কৰে সেই বস্তুটো দেখিবলৈ ক'লা হয়। তেনে বস্তুকে কৃষ্ণকায় বস্তু বোলে। এসময়ত এই বিকিৰণ এৰি দিলে সেই বিকিৰণক কৃষ্ণকায় বিকিৰণ বোলে। এতিয়া সমস্যা হ'ল এই কৃষ্ণকায় বিকিৰণ কেনেদৰে সম্ভৱ।

এই বিকিৰণ ব্যাখ্যা কৰিবলৈ বিজ্ঞানী জেমছ ক্লাৰ্ক মেক্সৱেল, বিজ্ঞানী ৱীন, লৰ্ড ৰেলী, জেমছ জীনছ আগবাঢ়ি আহিছিল। কিন্তু তেওঁলোক সম্পূৰ্ণ ৰূপে সফল হ'ব নোৱাৰিলে। তেওঁলোকৰ ধ্যান-ধাৰণা সমূহ পুৰাতন তত্ত্ব (Classical Theory)ৰ ওপৰত আধাৰিত। অৱশেষত ১৯০০ চনৰ ১৯ অক্টোবৰৰ পৰা ১৪ ডিচেম্বৰলৈ মেক্স প্লেঙ্ক্ব নামৰ জাৰ্মেনীৰ বিজ্ঞানী জনে ওপৰোক্ত বিজ্ঞানীসকলৰ অসফলতাৰ ৰহস্য উদ্ঘাটন কৰিলে। প্লাঙ্কৰ ধাৰণাটো হ'ল, শক্তি নিৰ্গত বা অৱশোষিত হয় টোপোলা (Quantum) আকাৰত আৰু টোপোলাৰ নিৰ্ণয়কাৰী সমীকৰণটো হ'ল –

$E = n\upsilon$   $\upsilon$ – বিকিৰণ কম্পনাংক

এই সম্পৰ্কটোৰ অত্যন্ত সৰল ঠাচৰ আঁৰত প্ৰকৃতিৰ এটা অতি তাৎপৰ্য্যপূৰ্ণ প্ৰক্ৰিয়া নিহিত হৈ আছে। সমীকৰণটোত h সমানুপাতিক ধ্ৰুবক। এই ধ্ৰুবকটোক প্লাঙ্কৰ ধ্ৰুবক বুলি জনা যায়।



ৱীনৰ সমীকৰণ কেৱল দীঘল তৰংগৰ বেলিকা, পৰীক্ষামূলক লেখ চিত্ৰখনৰ ওচৰত চাপিছিল। বিভিন্ন তৰংগদৈৰ্ঘ্যৰ কাৰণে প্লাঙ্কৰ সমীকৰণটোৱে পৰীক্ষামূলক ফলাফলৰ লগত সম্পূৰ্ণ সমাঞ্জস্য দেখুৱালে। এনেদৰে অৱশেষত কৃষ্ণকায় বিকিৰণ সমস্যাৰ আঁত পোৱা গ'ল। শক্তিৰ এই টোপোলাক ইংৰাজীত 'কোৱান্টাম' বুলি কোৱা হয়। কৃষ্ণকায় বিকিৰণ সমস্যাৰ জটিলতা, প্লাঙ্ক্বৰ সৃষ্টিশীল প্ৰতিভা আৰু পুৰাতন পদাৰ্থ বিজ্ঞানৰ ধাৰণা পৰিহাৰ কৰাৰ সাহসে আধুনিক পদাৰ্থ বিজ্ঞানৰ ভেটি স্বৰূপ কোৱান্টামৰ জন্ম দিলে। বিকিৰণ কোৱান্টামৰ নাম হ'ল ফ'টন।

**আলোক বিদ্যুৎ পৰিঘটনাৰ ব্যাখ্যা ঃ** কোৱান্টাম তত্বৰ দ্বাৰা পোন প্ৰথমবাৰৰ বাবে ব্যাখ্যা কৰা পৰিঘটনাটো হ'ল আলোক বিদ্যুৎ পৰিঘটনা। পোহৰ ধাতুৰ ওপৰত পৰিল ধাতুবোৰৰ পৰা

ইলেক্ট্ৰন নিৰ্গত হয়। ইয়াকে আলোক বিদ্যুৎ পৰিঘটনা বোলে। পুৰাতন তত্বৰ দ্বাৰা কেবাজনো বিজ্ঞানীয়ে এই পৰিঘটনাৰ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁলোকৰ পৰীক্ষামূলক সিদ্ধান্তবোৰ ব্যাখ্যা কৰিব পৰা নগৈছিল। ১৯০৫ চনত মাত্ৰ ২৬ বছৰ বয়সীয়া ডেকা কাৰ্য্যালয় সহায়কাৰী এজনে উক্ত পৰিঘটনাটোৰ ব্যাখ্যা দাঙি ধৰিলে। এইজনেই হ'ল আপেক্ষিকতাবাদৰ জনক কুৰি শতিকাৰ শ্ৰেষ্ঠতম বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন। আইনষ্টাইনে আলোক বিদ্যুৎ পৰিঘটনাৰ বিশ্লেষণ কৰিবলৈ প্লাঙ্কৰ কোৱান্টাম ধাৰণাৰ সহায় ললে। কোৱান্টাম তত্বমতে বিকিৰণ শক্তি নিৰ্গমন বা অৱশোধন অবিচ্ছিন্নভাবে নহয়। ই কোৱান্টাম অৰ্থাৎ টোপোলা হিচাপত নিৰ্গত বা অৱশোষিত হয় আৰু একোটা কোৱান্টামত নিহিত শক্তিৰ পৰিমাণ হ'ল $h\upsilon$। আইনষ্টাইনে আৰু এখোজ আগুৱাই গৈ দেখুৱালে যে পোহৰ কোৱন্টাম আকাৰত নিৰ্গত আৰু অৱশোষিত হোৱাৰ উপৰিও কোৱন্টাম আকাৰত ই বিস্তাৰিত হয়। আনকথাত পোহৰৰ গতি মানে শক্তি কণা বা ফটন বোৰৰ গতি। পোহৰৰ তৰংগৰ সলনি এতিয়া ধৰি ল'ব লাগিব যে জাউৰিয়ে জাউৰিয়ে ফটনে ধাতুৰ ফলিৰ ইলেক্ট্ৰনবোৰত খুন্দা মাৰিছে ইলেক্ট্ৰনে আপতিত ফটনৰ শক্তিৰ এটা অংশ বা গোটেই খিনি অৱশোষণ কৰিব পাৰে। ফলস্বৰূপে ইলেক্ট্ৰনৰ শক্তি বৃদ্ধি পায় আৰু ধাতুৰ ফলিৰ পৰা ওলাই আহে।




ইলেক্ট্ৰনে লাভ কৰা শক্তিৰ এটা অংশ ধাতুৰ ফলিখনৰ পৰা ওলাই আহিবলৈ লগা প্ৰয়োজনীয় কাৰ্য্যত খৰচ কৰিব লগা হয় যিহেতু ইলেক্ট্ৰনটো ধাতুৰ ফলিৰ ভিতৰত আবদ্ধ হৈ আছে। বাকীখিনি মুক্ত ইলেক্ট্ৰনটোৰ গতিশক্তি হিচাবে প্ৰকাশ পাব। গতিকে আইনষ্টাইনৰ ধাৰণা অনুসৰি শক্তিৰ সমীকৰণটো হ'ব এনেধৰণৰ –

আপতিত ফটনৰ শক্তি (h) = ইলেক্ট্ৰনটো ধাতুৰ ফলিৰ পৰা ওলাই আহিবলৈ কৰিব লগীয়া কাৰ্য্যত ব্যৱহৃত শক্তি (W) + নিৰ্গত ইলেক্ট্ৰনটোৰ গতিশক্তি ($^1/_2 mv^2$)

এইটোৱেই আলোক বিদ্যুৎ পৰিঘটনাৰ বিখ্যাত আইনষ্টাইনৰ সমীকৰণ।

বিভিন্ন কম্পনাংকৰ বিকিৰণ ব্যৱহাৰ কৰি আৰু প্ৰতিটো কম্পনাংকৰ ক্ষেত্ৰত নিৰ্গত ইলেক্ট্ৰনৰ গতিশক্তি জুখি কম্পনাংক আৰু গতিশক্তিৰ মাজত লেখ আঁকিলে এডাল সৰলৰেখা পোৱা যায়। ই কম্পনাংক অক্ষক এটা বিন্দুত কাটে। এই বিন্দুটোৱে বুজোৱা কম্পনাংকই হ'ল প্ৰাৰম্ভিক কম্পনাংক। এই মানতকৈ ($h\upsilon_0$) অধিক হলেহে ইলেক্ট্ৰন নিৰ্গত হ'ব।




পদাৰ্থ বিজ্ঞানৰ ক্ৰমবিকাশত এই পৰিঘটনাৰ ব্যাখ্যা ইমানেই গুৰুত্বপূৰ্ণ যে উক্ত সমীকৰণ ব্যৱহাৰ কৰি প্লাঙ্কৰ ধ্ৰুৱক h ৰ মান নিৰ্ণয় কৰি ১৯২৩ চনত বিজ্ঞান জগতৰ অনুপম কীৰ্ত্তিৰ বাবে ৰবাৰ্ট মিলিকানক নবেল বঁটা প্ৰদান কৰা হয়। মিলিকানে নিৰ্ণয় কৰা hৰ মান (h= ৬.৬২৬ × ১০$^{২৭}$ আৰ্গ-চেকেণ্ড)।◆

## কৌতুক

◆ আপুনি যোৱা বছৰ মোৰ পৰা দুশ টকা ধাৰে নিছিল নহয়, পাহৰিলে নেকি?
নাই পাহৰা। আৰু অলপ সময় দিয়ক পাহৰিম।

◆ প্ৰথম ছাত্ৰ ঃ ইতিহাসত ফেইল কিয় মাৰিলি?
দ্বিতীয় ছাত্ৰ ঃ কি কৰিম, যি বিলাক প্ৰশ্নৰ উত্তৰ বিচাৰিছে সেইবিলাক মোৰ জন্মৰ আগৰ।

◆ এজন ইংলেণ্ডৰ চাহাবে গাঁৱলীয়া মাছ বেপাৰীক সুধিলে–
চাহাব ঃ হোৱাট ইজ দিছ?
বেপাৰী ঃ বৌ মাছৰ পিছ।
চাহাব ঃ হোৱাট?
বেপাৰী ঃ খাবলৈ বৰ সোৱাদ
চাহাব ঃ হোৱাট ননচেন্স?
বেপাৰী ঃ তেলত দিলে চেনচেন।

**সংগ্ৰহ ঃ শ্ৰীখনিন্দ্ৰ কাকতি**
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (ক'লা)

# যুৱ মানসিকতা আৰু পুথি অধ্যয়ন

❑ পূৰবী দত্ত বৰুৱা, প্ৰবক্তা
পৰিসংখ্যা বিভাগ

যুৱ শক্তি মানেই আমাৰ মনলৈ আহে অফুৰন্ত শক্তি আৰু সম্ভাৱনাৰে ভৰপূৰ এক সুন্দৰ জীৱন। সৃজনীশীল আৰু নৱসৃষ্টিৰ উৎস। যুৱ সমাজেই হৈছে দেশ আৰু জাতিৰ আশা ভৰষাৰ স্থল। কিন্তু অকণমান লক্ষ্য কৰিলেই দেখা যায় যে সাম্প্ৰতিক কালত এচাম যুৱকৰ উশৃঙ্খল কাৰ্য্যই আমাৰ সমাজখনলৈ দুৰ্যোগ আৰু অন্ধকাৰ নমাই আনিছে। এই চাম যুৱকে অধ্যয়নলৈ সম্পূৰ্ণ পিঠি দিছে। তেওঁলোকেই শিক্ষাৰ লগতে শিক্ষানুষ্ঠান সমূহৰ পৰিৱেশ বেয়া কৰিছে। নিজৰ মহামূল্যৱান সময়বোৰ আলিবাটিৰ কাষত জুমপাতি তৰল কথাৰ মহলা মাৰি অপচয় কৰিছে। এনেচাম যুৱকৰ মাজতেই চুৰি, ডকাইতি, নিচা সেৱন, কঠোৰ কৰ্মৰ প্ৰতি অনীহা, আদি সমাজ ধ্বংসকাৰী চিন্তাই গা কৰি উঠে, তেওঁলোকে কষ্ট নকৰাকৈ নানা অপকৰ্মৰ দ্বাৰা সহজভাৱে ধন ঘটাৰ চিন্তাই তেওঁলোকক বিভ্ৰান্ত কৰে আৰু তাৰ ফল স্বৰূপেই আজিৰ আমাৰ সমাজখনত ভয়লগাকৈ অলাগতিয়াল কাৰ্য্যবোৰ ৰঘুমলাৰ দৰে বৃদ্ধি পাইছে। এইচাম যুকৰ হয়তো জীৱনৰ কোনো এটা সময়ত নিজৰ ভুলবোৰৰ বাবে অনুতাপ হ'ব কিন্তু তেতিয়া তেওঁলোকৰ আত্মগ্লানিৰ বাহিৰে নিজৰ ফালৰ পৰা কৰিবলৈ একো নাথাকিব। জীৱনৰ অমূল্য সময়বোৰ পাৰ হৈ যাব।

এতেকে কৰ্মবিমুখতা আজিৰ সমাজৰ এটা ডাঙৰ ব্যাধি। আজিৰ যুৱসমাজক লাগে কম সময়ৰ ভিতৰতে প্ৰচুৰ ধন আৰু এই ধনৰ সহায়ত এটা বিলাসবহুল জীৱন কটোৱাৰ স্বপ্ন তেওঁলোকে দেখে।

যুৱ সমাজ কৰ্ম বিমুখ হোৱাৰ মূল কাৰণ হ'ল আমাৰ দেশৰ প্ৰচলিত শিক্ষা ব্যৱস্থা। বৰ্তমানৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীক কৰ্মমুখী কৰি তুলিব পৰা নাই। অতি পুৰণি কালৰ পৰাই একেবোৰ কথাকে তেওঁলোকক শিকাই থকা হয়। যুগৰ সলনি হোৱাৰ লগে লগে নতুন পাঠ্যক্ৰমৰ অৰ্ন্তভুক্তি যেনেদৰে হ'ব লাগিছিল তেনেদৰে যেন হোৱা নাই।

ইয়াৰ উপৰিও অভিভাৱক সকলো বহু পৰিমাণে কৰ্মবিমুখতাৰ বাবে দায়ী। নিজৰ সন্তানক পিতৃ-মাতৃয়ে সৰুৰে পৰাই পঢ়া-শুনাৰ লগতে ঘৰুৱা জীৱনৰ কাম-কাজবোৰ কৰিবলৈ শিক্ষা দিব লাগিব। লগতে সুবিধা কৰিব পাৰিলে অধ্যয়নৰ ফাকে ফাকে নৃত্য, গীত, চিত্ৰকলা আদিৰ জ্ঞান দিবও পাৰিব লাগিব। যাতে ভৱিষ্যতৰ দিনবোৰত আজৰিৰ সময়খিনি উপযুক্ত ভাৱে ব্যৱহাৰ কৰি দেশৰ এজন সু-নাগৰিক হ'ব পাৰে। উদাহৰণ স্বৰূপে ইউৰোপৰ নৱজাগৰনৰ চিত্ৰশিল্পৰ পথ প্ৰদৰ্শক লিওনাৰ্ডো দ্যা ভিন্সিৰ অমৰ ছবিখন আজিও বিশ্ববিখ্যাত হৈ আছে। দেৱালত আঁৰি থোৱা মনালিছাই যি ফালৰ পৰাই লক্ষ্য কৰা যায় সেই ফালৰ পৰাই সকৰুণ চাৱণিৰে মৃদু হাঁহিটিৰে ছৱি চাওঁতাজনলৈ যেন চাই আছে। মনালিছাৰ হাঁহি, মেডোনাৰ মমতাময়ী মাতৃৰ মূৰ্ত্তি আৰু লাষ্ট চাপৰৰ জীৱন্ত সৃষ্টিৰ বাবে লিওনাৰ্ডো আজি মৰিও অমৰ। আমাৰ যুৱ সমাজে এনেবোৰ সৃষ্টিশীল কৰ্মৰ প্ৰতি ব্ৰতী হ'লেহে আমাৰ সমাজখন সুন্দৰ হ'ব।

সাধাৰণতে ঘৰুৱা পৰিৱেশ চাৰিওফালে প্ৰতিবেশীৰ আচৰণ, স্কুলীয়া শিক্ষা, সংগ আদিৰ প্ৰভাৱে এজন ব্যক্তিৰ আচৰণ সমূহ গঢ় দিয়াত সহায় কৰে। প্ৰায়ে অধ্যয়ন কৰিলে দেখা যায় যে শৈশৱ কালত আচাৰ ব্যৱহাৰত ভদ্ৰ আৰু নম্ৰ ছাত্ৰ একোজনেই যৌৱন কালত কেতিয়াবা অপৰাধৰ জগতখনৰ প্ৰতি আকৃষ্ট হৈ পৰে আৰু ড্ৰাগছ সেৱন, চোৰাং কাৰবাৰ আদিত লিপ্ত হৈ সমাজৰ পৰিৱেশ দূষিত কৰে।

সৰুৰে পৰা প্ৰচুৰ আৰাম, টকা-পইচাৰ মাজক লালিত-পালিত হোৱা ল'ৰা-ছোৱালীখিনিৰ মাজত নৈতিক স্খলনৰ প্ৰৱণতা বেছি দেখা যায়। আজিকালি আমাৰ অসমতে প্ৰথমতে স্ফুৰ্তিতে চিগাৰেট, ভাং, গাঞ্জা আদি সেৱন কৰি পিছলৈ ভয়ানক নিচাযুক্ত দ্ৰব্য যেনে হিৰ'ইন, মৰফিন আদি সেৱন কৰি অকালতে মৃত্যুক মাতি অনাৰ বহুত উদাহৰণ পোৱা যায়।

বৰ্তমানৰ যুৱ সমাজৰ অন্য এটা দোষ হৈছে অপসংস্কৃতিৰ প্ৰতি মোহ। ইংৰাজসকল ভাৰতবৰ্ষৰ পৰা গুচি গ'ল, কিন্তু তেওঁলোকৰ আচাৰ ব্যৱহাৰ, ৰীতি-নীতিৰ মোহে যেন সমগ্ৰ ভাৰতবাসীক বান্ধি থৈ গ'ল। আজিৰ যুৱ সমাজে নিজৰ সাজ-পোচাক, সংস্কৃতিক বিসৰ্জন দি পপসঙ্গীত, কথা-বতৰা, চাল-চলন আদিত পাশ্চাত্যৰ ধৰণকে গ্ৰহণ কৰি নিজকে আধুনিক বুলি পৰিচয় দিছে। কিন্তু অতি দুখৰ কথা পাশ্চাত্যৰ শিক্ষা অথবা কৰ্ম পদ্ধতিৰ প্ৰতি যেন তেওঁলোকৰ আগ্ৰহ নাই।

দেখা যায় যে, উচ্ছৃঙ্খল যুৱকেই পৰীক্ষা হলৰ পৰিবেশো নষ্ট কৰে। জীৱ শ্ৰেষ্ঠ মানুহ হৈ চোৰ প্ৰবৃত্তি ধাৰণ কৰাটো অতি লাজৰ কথা। সমাজত মূৰ ডাঙি থাকিবলৈ জ্ঞান সাধনা কৰিবই লাগিব।

সাম্প্ৰতিক কালত অসমৰ এচাম যুৱকে ভাৱিবলৈ বাধ্য হৈছে যে অসমক প্ৰতি মুহূৰ্ত্ততে প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হৈছে, এই কথাৰ নিঃসন্দেহে যুক্তিযুক্ততা আছে, কিন্তু নিজৰ জাতীয় জীৱনৰ দোষখিনিক সংশোধন নকৰি পৰৰ মূৰৰ ওপৰত সকলো দোষ জাপি দি হিংসাত্মক কাৰ্য্যৰে প্ৰতিবাদ কৰিলেই অসম প্ৰগতিৰ দিশত ধাৱমান হ'ব নোৱাৰে। হিংসাই হিংসা বৃদ্ধি কৰে, প্ৰগতিৰ পথ ৰুদ্ধ হে কৰে। যুৱসমাজে আত্ম সংশোধন আত্ম বিশ্লেষণৰ সহায়ত নানা জাতি-উপজাতিৰ মাজত শান্তি-সম্প্ৰীতি কঢ়িয়াই অনাৰ মহান দায়িত্ব গ্ৰহণ কৰা উচিত যুৱসমাজে জীৱনক ভাল পাবলৈ শিকা মানেই দেশৰ মঙ্গল। অস্থিৰতা, উশৃঙ্খলতা আৰু হত্যাৰ মানসিকতাক ত্যাগ কৰি নিজকে আজিৰ দিনৰ

প্ৰতিযোগিতা সমূহৰ বাবে যোগ্য কৰি তুলিব লাগিব আৰু তাৰ বাবে লাগিব বাল্যকালৰে পৰা প্ৰচুৰ সাধনা। অধ্যয়ন বিমূখতাই যাতে গা কৰি উঠিব নোৱাৰে তাৰ বাবে সমাজৰ প্ৰত্যেক ব্যক্তি সচেতন হ'ব লাগিব। সমাজত অধ্যয়নৰ অনুকূল বাতাবৰণ সৃষ্টি কৰাৰ বাবে আমি প্ৰত্যেকেই দায়বদ্ধ। পৃথিৱীৰ উন্নত দেশবোৰত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ বহু আঁচনি গ্ৰহণ কৰা হয়।

পোন্ধৰ শতিকাত মুদ্ৰণ যন্ত্ৰ আৱিস্কাৰ হোৱাৰ লগে লগে মানৱ সভ্যতাৰ বিকাশ দ্ৰুততৰ হৈছে। মুদ্ৰণ যন্ত্ৰৰ যুগান্তকাৰী আৱিস্কাৰৰ ফলত শিক্ষাৰ প্ৰসাৰ হ'ল আৰু সমাজৰ পৰা নিৰক্ষৰতা দূৰ হ'ল।

পুথি হ'ল জ্ঞানৰ ভৰাল। নজনা কথা শিকি, ভ্ৰান্ত ধাৰণা সমূহ দূৰ কৰি এই পৃথিৱীৰ জ্বালা-যন্ত্ৰণা সমূহৰ পৰা ৰক্ষা পাবলৈ পুথিয়েই হৈছে মানৱৰ একমাত্ৰ নিৰ্ভৰযোগ্য বন্ধু। আমাৰ স্বাস্থ্যৰ পৰিপূৰ্ণতা লাভৰ বাবে যেনেদৰে সুসম আহাৰ গ্ৰহণ কৰাতো অতি প্ৰয়োজন তেনেদৰে মানসিক উৎকৰ্ষ সাধনৰ বাবেও পুথি অধ্যয়নৰ যথেষ্ঠ প্ৰয়োজন আছে। অৱশ্যে পুথি অধ্যয়নৰ ক্ষেত্ৰত সদায় সাৱধান হ'ব লাগিব। আজিকালি বজাৰত পোৱা অশ্লীল আৰু অৰুচিকৰ সাহিত্য সমূহ বাদ দি, আমাৰ হৃদয়ত চিন্তাৰ সোঁত বোৱাব পৰা, প্ৰকৃততে জ্ঞান বৃদ্ধি কৰা পুথি সমূহহে পঢ়াৰ বাবে নিৰ্বাচন কৰি ল'ব লাগে।

বিখ্যাত সাহিত্যিক ভলটেয়াৰে কিতাপ সম্পৰ্কে কৈছে যে "কিতাপেই আধুনিক পৃথিৱীখন শাসন কৰিছে।" যিবোৰ দেশত শিক্ষিত মানুহৰ সংখ্যাৰ লগতে কিতাপৰ প্ৰচলন বেছি তেনেবোৰ দেশেই আজি পৃথিৱীৰ ভিতৰত উন্নত দেশ। ইউৰোপৰ সাহিত্য সংস্কৃতি, বিজ্ঞান, দৰ্শন আদি মহৎ গ্ৰন্থ সমূহৰ বাবেই ইউৰোপৰ সভ্যতা-সংস্কৃতি আজি বিশ্বৰ ভিতৰতেই আগবঢ়া। মহৎ গ্ৰন্থবোৰৰ বাবেই ইংৰাজী আৰু ফৰাচী সাহিত্য বিশ্বৰ ভিতৰতে চহকী। চেক্সপীয়েৰ, টমাছ হাৰ্ডি, টমাছ হুড, ৱৰ্ডছৱৰ্থ, আৰ্নেষ্ট হেমিংৱে আদি লিখকৰ যুগজয়ী সৃষ্টিয়ে তেওঁলোকৰ সাহিত্যক বিশ্ববিখ্যাত কৰি থৈ গৈছে।

১৮৫৪ চনৰ আগলৈকে জাপানী সভ্যতা পৃথিৱীৰ ভিতৰতে পিছপৰি আছিল। কিন্তু জাপানে যেতিয়া বহিঃবিশ্বৰ লগত সংযোগ স্থাপন কৰি উন্নত গ্ৰন্থবোৰ নিজ ভাষালৈ অনুবাদ কৰি তাৰ জ্ঞান সমূহ আয়ত্ব কৰিলে তেতিয়াই সেই সৰু অকণমান দেশখনেই বিশ্বৰ ভিতৰতেই সকলো দিশতে আগবঢ়া দেশ হিচাবে বিবেচিত হ'ল।

আজি সমগ্ৰ পৃথিৱীতে বহুত পুথি প্ৰকাশিত হৈছে। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ খবৰ পাবলৈ কিছুমান উল্লেখযোগ্য পুথি অধ্যয়ন কৰাটো অতি আৱশ্যকীয়। "কিতাপ পঢ়াৰ আনন্দ" নামৰ পুথিখনত লিখক হোমেন বৰগোহাঞি দেৱে কৈছে যে "জীৱনৰ আগ বয়সতে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি উটিব লাগিব আৰু সেই অভ্যাস গোটেই জীৱন থাকি যাব। বুঢ়া কালত যেতিয়া কৰিবলৈ একো নাথাকিব, সকলোৱেই লগ এৰা দিব, তেতিয়া কিতাপেই হ'ব তেওঁৰ আটাইতকৈ নিৰ্ভৰযোগ্য সঙ্গী আৰু অন্তহীন সাধনাৰ উৎস।"

আজিৰ যুগত মানুহৰ আজৰি সময় বেছি। সেয়েহে চিনেমা, টেলিভিচন, ভিডিঅ' আদিৰ সহায়ত সময় কটোৱাৰ বাবে সমাজৰ বেছিভাগ মানুহ আগ্ৰহী। এনেবোৰ তৰল আমোদ-প্ৰমোদে মানুহৰ বুদ্ধি-বৃত্তিৰ বিকাশ ঘটাব নোৱাৰে লগতে ঘন্টাৰ পিছত ঘন্টা টিভিৰ ওচৰত বহি থকা সকলৰ শৰীৰ আৰু মন দুয়োটাই অৱশ হয়। অৱশ্যে এইটোও নহয় যে চিনেমা বা টেলিভিচন একেবাৰেই চাব নালাগিব বা খেলা ধূলাও কৰিব নালাগিব। উন্নত ৰুচি সম্পন্ন, আমাৰ জ্ঞান বৃদ্ধিত সহায় কৰা সকলো বিষয়েই আমি পৰা পক্ষত গ্ৰহণ কৰিব লাগিব।

মানুহৰ চিন্তা শক্তি, কল্পনা শক্তি আৰু স্মৃতি শক্তিৰ উৎকৰ্ষ সাধন একমাত্ৰ পুথি অধ্যয়নেহে কৰিব পাৰে। ছাত্ৰা অৱস্থাতে বিভিন্ন ভাষাৰ মহাকাব্য সমূহ পঢ়িব লাগে। ৰামায়ণ, মহাভাৰতৰ বিভিন্ন চৰিত্ৰ সমূহৰ জৰিয়তে জীৱনটো সুস্থভাৱে গঢ়ি তোলাৰ আদৰ্শ বিচাৰি পোৱা যায়। মহাভাৰতৰ কৰ্ণ, যযাতি আদি চৰিত্ৰৰ ওপৰত ভিত্তি কৰি ইতিমধ্যে বহুতো যুগজয়ী সাহিত্য সৃষ্টি হৈছে। বৰ্তমান যুগত বহুতো উল্লেখযোগ্য সাহিত্যৰ সৃষ্টি হৈছে । গ্ৰীক মহাকাব্য ইলিয়াড, ওডিচিৰ মাজত পাশ্চাত্য সভ্যতাৰ আদৰ্শ চৰিত্ৰ সমূহক বিচাৰি পোৱা যায়। মুঠতে কিতাপ হৈছে প্ৰেৰণাৰ উৎস আৰু মানৱ জীৱনৰ সঞ্জীৱনি সুধা।

আমাৰ অসমীয়া ভাষাত পুথিৰ সংখ্য বৰ তাকৰ। পৃথিৱীৰ বিখ্যাত গ্ৰন্থ সমূহ আমাৰ ভাষালৈ অনুবাদ হোৱা নাই। পুথি অধ্যয়নৰ প্ৰতি আগ্ৰহী অসমীয়া মানুহৰ সংখ্যা তেনেই তাকৰীয়া। নানান কাৰণত বৰ্তমান কালত অধ্যয়ন বিমুখতাই গা কৰি উঠিছে যাৰ ফলত সমাজত অস্থিৰ আৰু উচ্ছৃঙ্খল পৰিৱেশে গা কৰি উঠিছে। সেয়েহে উন্নত পুথি অধ্যয়নৰ যোগেদি অসমীয়া মানুহে আত্মানুসন্ধান কৰি সংস্কৃতিবান হৈ প্ৰকৃতাৰ্থত জ্ঞানী পুৰুষ হিচাপে সমাজত প্ৰতিষ্ঠিত হোৱাৰ লগতে আজিৰ সমাজখনৰ উন্নতি সাধন কৰা উচিত। ◆

◆ সংসাৰত গাৰ বলেৰে বা শক্তিৰে সংগ্ৰহ কৰিব নোৱাৰা বস্তু হ'ল জ্ঞান। জ্ঞান আৰ্জিবলৈ লাগে অধ্যয়ন।

—জনচন

◆ সত্যৰ কাৰণে সকলো ত্যাগ কৰিব পাৰি, কিন্তু কোনো কাৰণত সত্যক ত্যাগ কৰিব নোৱাৰি।

— স্বামী বিবেকানন্দ

# ''সাহিত্য অকাদেমী'' আৰু ড° নগেন শইকীয়াৰ আন্ধাৰত নিজৰ মুখ

■ ৰশ্মিৰেখা শৰ্মা
স্নাতক প্ৰথম বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

ভাৰতবৰ্ষ স্বাধীনতাৰ প্ৰথম সূৰ্য্যৰ কিৰণেৰে উদ্ভাসিত হোৱাৰ লগে-লগে ভাৰতীয় সাহিত্য জগততো এক প্ৰবল আলোড়নৰ সৃষ্টি হয় আৰু এটি সাহিত্যিক অনুষ্ঠানৰ প্ৰবল অনুভৱ কৰা হয়। তাৰেই পৰিণতি স্বৰূপে জন্ম হয় 'ভাৰতীয় সাহিত্য অকাদেমী'ৰ।

**'সাহিত্য অকাদেমী' কি? ঃ** 'সাহিত্য অকাদেমী' ভাৰতবৰ্ষৰ সাহিত্যিকসকলৰ মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ এক পবিত্ৰ পীঠ। ভাৰতৰ মুখ্য সাহিত্যিক অনুষ্ঠান 'সাহিত্য অকাদেমী'ৰ ১৯৫২ চনৰ ১৫ ডিচেম্বৰৰ শিক্ষা দপ্তৰৰ এক প্ৰস্তাৱক্ৰমে ১৯৫৪ চনৰ ১২ মাৰ্চত শুভাৰম্ভ ঘটে।

'সাহিত্য অকাদেমীৰ মুখ্য কাৰ্যালয় নতুন দিল্লীত অৱস্থিত। ১৯৫৫ চনৰ পৰা ভাৰতীয় ভাষাসমূহৰ শ্ৰেষ্ঠ গ্ৰন্থলৈ পাঁচ হেজাৰ টকাৰ, পাছলৈ দহহেজাৰ আৰু বৰ্তমান পছিশ হেজাৰ টকাৰ একোটা বঁটা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰি অকাদেমীযে এক গুৰুত্বপূৰ্ণ আৰু মহান কাৰ্যলৈ আগবাঢ়ে।

**ইয়াৰ উদ্দেশ্যবোৰ ঃ** 'সাহিত্য অকাদেমী'ৰ মূল উদ্দেশ্যসমূহ হৈছে—

(ক) ভাৰতীয় বিভিন্ন ভাষাৰ উন্নয়ণৰ বাবে ভাৰতীয় সাহিত্যিকসকলৰ মাজত সহযোগিতা সৃষ্টি আৰু বৃদ্ধিৰ প্ৰচেষ্টা।

(খ) এটা ভাৰতীয় ভাষাৰ পৰা আন এটা ভাৰতীয় ভাষালৈ অনুবাদ কৰাত অনুপ্ৰেৰণা যোগোৱা।

(গ) সাহিত্য বিষয়ক গ্ৰন্থ প্ৰকাশত সহায় সহযোগ আগবঢ়োৱা।

(ঘ) সাহিত্য সম্মিলন, অধ্যয়ণ চক্ৰ, চলচিত্ৰ প্ৰদৰ্শনী আদিৰ যোগেদি সৰ্বসাধাৰণৰ অধ্যয়ণৰ প্ৰতি ৰুচিবোধ বঢ়োৱা।

(ঙ) কৃতি সাহিত্যিকলৈ বঁটা প্ৰদান কৰা।

(চ) আঞ্চলিক ভাষাৰ উন্নয়নৰ প্ৰচেষ্টা ইত্যাদি।

বৃহৎ ভাৰতীয় ঐক্য-সংহতিৰ ভেটি আৰু সুদৃঢ় কৰি গঢ়ি তোলাৰ মহান লক্ষ্য ইয়াত নিহিত হৈ আছে।

**গঠন ঃ** সাহিত্য অকাদেমীৰ কাৰ্যসমূহ সমাধা কৰিবৰ কাৰণে সাধাৰণ পৰিষদ গঠন কৰা হয় যাৰ কাৰ্যকাল পাঁচ বছৰ। পৰিষদত এজন সভাপতি, বিত্তীয় উপদেষ্টা, ভাৰত চৰকাৰৰ দ্বাৰা মনোনীত পাঁচজন সদস্য, ভাৰতৰ সকলো ৰাজ্যৰ একোজনকৈ প্ৰতিনিধি, বিশ্ববিদ্যালয়সমূহৰ পৰা বিশজন সদস্য থাকে। তাৰোপৰি আঠজন সাহিত্য বিষয়ৰ খ্যাতনামা লোকক অকাদেমীৰ সাধাৰণ পৰিষদে নিযুক্তি দিয়ে। সংগীত-নাটক অকাদেমী, ললিত কলা অকাদেমী আৰু ভাৰতীয় সাংস্কৃতিক পৰিষদৰ ফালৰ পৰাও একোজনকৈ সদস্য থাকে।

সাহিত্য অকাদেমীৰ প্ৰথমগৰাকী সভাপতি আছিল পণ্ডিত জৱাহৰলাল নেহৰু। অসমৰ একমাত্ৰ জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱে ১৯৮৮ চনত সাহিত্য অকাদেমীৰ অষ্টম সভাপতিৰ পদত অধিষ্ঠিত হৈ সমগ্ৰ অসমবাসীলৈ গৌৰৱ কঢ়িয়াই আনে। বৰ্তমান সাহিত্য অকাদেমীৰ সভাপতি গৰাকী হৈছে ইউ, আৰু অনন্তমূৰ্ত্তি।

**সাহিত্য অকাদেমীৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ভাষা ঃ** সাহিত্য অকাদেমীয়ে মুঠ ২২ টা ভাষাক স্বীকৃতি প্ৰদান কৰিছে। সেই ভাষাকেইটা হ'ল ক্ৰমে, অসমীয়া, বাংলা, হিন্দী, ডোগ্ৰী, গুজৰাটী, ইংৰাজী, কান্নাড়, কাশ্মিৰী, কোংকণি, মৈথিলী, মলয়ালম, মণিপুৰী, মাৰাঠী, উৰিয়া, নেপালী, পঞ্জাৱী, সংস্কৃত, সিন্ধি, তামিল, তেলেগু, ৰাজস্থানী আৰু উৰ্দ্দু। প্ৰত্যেক ভাষাৰ উৎকৃষ্ট মৌলিক গ্ৰন্থক 'সাহিত্য অকাদেমী'য়ে বঁটা প্ৰদান কৰে। এই বঁটাৰ নাম 'সাহিত্য অকাদেমী' বঁটা। তিনি বছৰৰ ভিতৰত প্ৰকাশিত গ্ৰন্থতহে এই পুৰস্কাৰ দিয়া হয়।

**অসমীয়া সাহিত্যলৈ সাহিত্য অকাদেমী বঁটা ঃ** 'বনফুলৰ কবি' যতীন্দ্ৰনাথ দুৱৰাই কবিতা পুথি 'বনফুল'ত ১৯৫৫ চনত 'সাহিত্য অকাদেমী বঁটা' পোৱাৰ পাছতে অসমীয়া সাহিত্য জগতত প্ৰভূত বৰঙণি আগবঢ়োৱা ৩৪ জন সাহিত্যিক পণ্ডিতে বৰ্তমানলৈকে এই বঁটা লাভ কৰিছে। ৩৪ খন গ্ৰন্থৰ ভিতৰত ৯ খন উপন্যাস, ৬ খন গল্প পুথি, ১১ খন কবিতা পুথি আৰু ৮ খন সমালোচনা সাহিত্য তথা প্ৰবন্ধমূলক গ্ৰন্থ। প্ৰত্যেকজন বঁটা বিজয়ী সাহিত্যিকৰে অসমীয়া সাহিত্যত এক সুকীয়া আসন আছে। তলত ১৯৫৫ চনৰ পৰা অকাদেমী বঁটা বিজয়ী সাহিত্যিকৰ নামৰ লগতে তেওঁৰ সাহিত্য কৃতিৰ নাম উল্লেখ কৰা হৈছে—

| চন | ৰচনাকাৰ | সাহিত্য কৃতি |
|---|---|---|
| ১৯৫৫ | যতীন্দ্ৰ নাথ দুৱৰা | 'বনফুল' (কবিতা) |
| ১৯৫৬ | নাই | |
| ১৯৫৭ | ,, | |
| ১৯৫৮ | ,, | |
| ১৯৫৯ | ,, | |
| ১৯৬০ | বেণুধৰ শৰ্মা | 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত |
| ১৯৬১ | ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য | 'ইয়াৰুইংগম' (উপন্যাস) |
| ১৯৬২ | নাই | |
| ১৯৬৩ | ,, | |
| ১৯৬৪ | ড° বিৰিঞ্চি কুমাৰ বৰুৱা | 'অসমৰ লোক সংস্কৃতি' |
| ১৯৬৫ | নাই | |
| ১৯৬৬ | অম্বিকাগিৰি ৰায়চৌধুৰী | 'বেদনাৰ উল্কা' (কবিতা) |

| | | |
|---|---|---|
| ১৯৬৭ | ত্ৰৈলোক্যনাথ গোস্বামী | 'আধুনিক গল্প সাহিত্য' |
| ১৯৬৮ | নলিনীবালা দেৱী | 'অলকানন্দা' (কবিতা) |
| ১৯৬৯ | অতুল চন্দ্ৰ হাজৰিকা | 'মঞ্চলেখা' |
| ১৯৭০ | লক্ষ্মীনাথ ফুকন | 'মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ' |
| ১৯৭১ | নাই | |
| ১৯৭২ | চৈয়দ আব্দুল মালিক | 'অঘৰী আত্মাৰ কাহিনী' (উপন্যাস) |
| ১৯৭৩ | নাই | |
| ১৯৭৪ | সৌৰভ কুমাৰ চলিহা | 'গোলাম' (গল্প সংকলন) |
| ১৯৭৫ | নৰকান্ত বৰুৱা | 'ককাদেউতাৰ হাড়' (উপন্যাস) |
| ১৯৭৬ | ড°ভবেন্দ্ৰনাথ শইকীয়া | 'শৃংখল' (গল্প সংকলন) |
| ১৯৭৭ | আনন্দ চন্দ্ৰ বৰুৱা | 'বকুল বনৰ কবিতা' |
| ১৯৭৮ | হোমেন বৰগোহাঞি | 'পিতাপুত্ৰ' (উপন্যাস) |
| ১৯৭৯ | ভবেন বৰুৱা | 'সোণালী জাহাজ' (কবিতা) |
| ১৯৮০ | যোগেশ দাস | 'পৃথিৱীৰ অসুখ' (গল্প) |
| ১৯৮১ | নীলমণি ফুকন | 'কবিতা' |
| ১৯৮২ | ড° মামণি ৰায়চম গোস্বামী | 'মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস' |
| ১৯৮৩ | ড° নিৰ্মলপ্ৰভা বৰদলৈ | 'সুদীৰ্ঘদিন আৰু ঋতু' |
| ১৯৮৪ | দেবেন্দ্ৰ নাথ আচাৰ্য্য | 'জঙ্গম' (উপন্যাস) |
| ১৯৮৫ | কৃষ্ণকান্ত সন্দিকৈ | 'কৃষ্ণকান্ত সন্দিকৈ ৰচনা সম্ভাৰ' |
| ১৯৮৬ | তীৰ্থনাথ শৰ্মা | 'বেণুধৰ শৰ্মা' (জীৱনী) |
| ১৯৮৭ | হৰেকৃষ্ণ ডেকা | 'আন এজন' (কবিতা) |
| ১৯৮৮ | লক্ষ্মীনন্দন বৰা | 'পাতাল ভৈৰবী' (উপন্যাস) |
| ১৯৮৯ | ড° হীৰেণ গোঁহাই | 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' |
| ১৯৯০ | স্নেহ দেৱী | 'স্নেহ দেৱীৰ একুৰি গল্প' (গল্প) |
| ১৯৯১ | অজিৎ বৰুৱা | 'ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য' (কবিতা) |
| ১৯৯২ | হীৰেন ভট্টাচাৰ্য্য | 'শইচৰ পথাৰ মানুহ' (কবিতা) |
| ১৯৯৩ | কেশৱ মহন্ত | 'মোৰ যে কিমান হেঁপাহ' (কবিতা) |
| ১৯৯৪ | শীলভদ্ৰ | 'মধুপুৰ বহুদূৰ' (গল্প) |
| ১৯৯৫ | চন্দ্ৰপ্ৰসাদ শইকীয়া | 'মহাৰথী' (উপন্যাস) |
| ১৯৯৬ | নিৰুপমা বৰগোহাঞি | 'অভিযাত্ৰী' (উপন্যাস) |
| ১৯৯৭ | ড° নগেন শইকীয়া | 'আন্ধাৰত নিজৰ মুখ' (গল্প) |

**আন্ধাৰত নিজৰ মুখ ঃ কিছু আলোচনা ঃ** ১৯৯৭ চনৰ 'সাহিত্য অকাদেমী বঁটা' লাভ কৰিছে শেহতীয়াভাৱে অসম সাহিত্য সভাৰ একাদিক্ৰমে দুবাৰকৈ সভাপতিৰ আসন শুৱনি কৰা ড° নগেন শইকীয়াই তেওঁৰ গল্প সংকলন 'আন্ধাৰত নিজৰ মুখ'ৰ বাবে। ৰামধেনুৰ যুগৰে পৰা গল্পৰ সুঁতিটোক যিসকল গল্পকাৰে গতি আৰু গভীৰতা প্ৰদান কৰিছে, সেইসকলৰ ভিতৰত ড° শইকীয়া অন্যতম। ডিব্ৰুগড় বিশ্ববিদ্যালৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° শইকীয়াৰ 'আন্ধাৰত নিজৰ মুখ' চাৰিটা ভাগত বিভক্ত মুঠ বিশটা ভিন্নস্বাদৰ গল্পৰ সফল সংকলন। ড° নগেন শইকীয়াৰ চুটিগল্পৰ বৈশিষ্ট সমূহ বিশ্লেষণ কৰিলে আমি এইদৰে পাওঁ – হোজা, সহজ সৰল মানুহ আৰু শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ জীৱনক তেওঁ সুক্ষ্মভাৱে নিচেই কাষৰপৰা পৰ্যবেক্ষণ কৰে; সৎ সহজ-সৰল লোকৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা, সহানুভূতি আৰু মধ্যবিত্তৰ ভণ্ডামিৰ প্ৰতি বিদ্ৰুপ আছে।

ড° শইকীয়াই অপৰম্পৰাগত কৌশলত গল্প লিখে। নিজৰে গল্প সম্পৰ্কত শইকীয়াই এইদৰে কৈছে –

"…. শেষলৈ পৰিবেশক প্ৰাধান্য দিছিলো আৰু চৰিত্ৰত মনোদ্বন্দ্বই হৈ পৰিছে মোৰ গল্পৰ বিষয়। বিষয়ৰ মাজত কন্টাড্ৰিক্‌চন এটা নাথাকিলে বা সৃষ্টি কৰিব নোৱাৰিলে মই লিখিব নোৱাৰো। এনেকুৱা অক্ষম অৱস্থাত হতাশ হওঁ। বহুতেই মোক ফৰ্মৰ ওপৰত গুৰুত্ব দিওঁ বুলি ভাবে। নহয়, মই আইডিয়া একোটাকে মনোদ্বন্দ্বৰ মাজেৰে প্ৰকাশ কৰিব খোজা বাবেই ফৰ্ম নতুন হ'ব খোজে।" চুটিগল্পৰ পৰম্পৰাগত কাহিনী আৰু চৰিত্ৰৰ ঠাইত নতুন কৌশল প্ৰয়োগ কৰি গল্প লিখাৰ বাবে শইকীয়াৰ গল্পত মনৰ গভীৰ কোনত দকৈ সাঁচ বহুৱাব পৰা কোনো চৰিত্ৰ নাই কিন্তু অনেক সহানুভূতিশীলতা আদায় কৰিব পৰা চৰিত্ৰ আছে। 'মজিদ চাৰ ঢুকাল' গল্পৰ মজিদ চাৰ আৰু বিপুল, 'কেৰ' চাহাবৰ মেম' গল্পৰ মেমগৰাকী, 'মাখনী নহয়তো' গল্পৰ পুতলী, 'মুখাৰ পাছফালে' গল্পৰ কাম কৰা ছোৱালী আইধান, 'মৃত্যুৰ উত্তাপত' গল্পৰ গোলাপ মাষ্টৰ, 'কুঁৱলী আৰু জোন' গল্পৰ ফিজিকেল ট্ৰেইনিং শিকিব খোজা জধলা অহোবলিয়া ল'ৰাটো, 'গলব্ৰেইথ চাহাবৰ ফিতা' গল্পৰ শুকান-উবান নাতিনী হাতত ধৰি আঠুমুৰিয়া চুৰিয়া পিন্ধি বেলৰ ডবাত উঠা বুঢ়া মানুহজন, প্ৰত্যেকেই পাঠকৰ মনৰ পৰা এক সহানুভূতিশীলতা আদায় কৰে। এই গল্পবোৰে সমাজ জীৱনৰ বিভিন্ন দিশৰ সমস্যাবোৰৰ প্ৰতি পাঠকসকলক চিন্তাৰ বাট মুকলি কৰে।

শ্ৰীপ্ৰফুল্ল তামুলীয়ে ড° নগেন শইকীয়াৰ গল্পবোৰৰ ওপৰত আলোচনা আগবঢ়াইছে এইদৰে –"গল্পৰ কাহিনী, চৰিত্ৰ আৰু পৰিবেশৰ প্ৰাধান্যৰ সলনি বছা-বছা মুহূৰ্ত্তৰ বিবৰণ অথবা আইডিয়াৰ জন্মান্তৰেই শইকীয়াৰ গল্প। 'কাঠ সংস্কাৰ' আৰু 'চহৰৰ মন' গল্পই উদ্ভট সাহিত্য ৰূপত যে দশকৰ যান্ত্ৰিকতা আৰু কৃত্ৰিমতাৰ ছবি ডাঙি ধৰিবলৈ প্ৰয়াস কৰিছে, ধৰিবলৈ টান। পাঠকৰ বাবে এনে গল্পৰ অৰ্থোদ্ধাৰ সহজ নহ'লেও তাৰ কথনভংগী আৰু হাস্যব্যংগৰূপে আৰু বুজো বুজো কৰিও বুজিব নোৱাৰা এক হেন্দোলনিয়ে তন্ময় নকৰাকৈ নাথাকে।"

ড° শইকীয়াৰ আন কেতবোৰ গল্পত সামাজিক অন্যায় আৰু ভ্ৰষ্টাচাৰৰ প্ৰতিবাদ আছে। 'মুখাৰ পাছফালে' গল্পৰ মিঃ কাকতি আৰু মিচেছ কাকতিৰ অন্তৰ্নিহিত চৰিত্ৰ, যি সমাজৰ প্ৰায়বোৰ প্ৰতিপত্তিশীল মানুহৰ ক্ষেত্ৰত দেখা যায়, 'লাজ লাগি গ'ল' গল্পৰ ড° গগৈ, তেওঁৰ সমাজসেৱক বন্ধুৰ অসহায় ল'ৰাটোৰ প্ৰতি বিশ্বাসহীনতা, 'জোনাকীৰ জুই'ৰ ৰিক্সাৱালাক গালি-শপনি পৰা কাকতি আদি চৰিত্ৰৰ জৰিয়তে ড° শইকীয়াই সমাজৰ তথাকথিত

সম্ভ্ৰান্ত শ্ৰেণীৰ লোকসকললৈ তীব্ৰ ব্যঙ্গবান মাৰিবলৈ সক্ষম হৈছে।

গল্পবোৰত অতি চমু সংলাপৰ জৰিয়তে সফল নাটকীয় মুহূৰ্ত একোটা উপহাৰ দিয়াত লেখক সফল হৈছে। এটা উদাহৰণ–

"গঁগেয়ে ক'লে সৰু সৰুকৈ, 'আজি-কালি কাকো বিশ্বাস কৰিব নোৱাৰি। ই বা ক'ত কি লেঠা লগাই আহি বাছত উঠিছেহি!'

ইতিমধ্যে কণ্ডাক্টৰে বাছৰ ঘণ্টাত ৰছি টানি বাছখন ৰখাই দিলে আৰু খঙেৰে দুৱাৰখন খুলি কৰ্কশ মাতেৰে ল'ৰাটোক আদেশ দিলে 'বাছৰ পৰা নামি যা।' ল'ৰাটো এখোজ আগবাঢ়ি আহি কাতৰ ভাৱে ক'লে – "মোক লৈ যাওক দাদা।"

কণ্ডাক্টৰে আদেশ কৰিলে আগতকৈও কঠোৰ ভাৱে – "নাম"। ল'ৰাটোৱে অসহায়ভাৱে চাৰিওফালে চালে।"

'লাজ লাগি গ'ল,' 'জোনাকীৰ জুই', আদি গল্পত এনে মুহূৰ্ত্ত ভৰি আছে। উপৰোক্ত গল্পৰ কিয়দাংশ 'লাজলাগি গ'ল' গল্পৰ পৰা লোৱা হৈছে। গল্পটো এটা মুহূৰ্ত্তৰ অতি সৰল গল্প কিন্তু প্ৰকাশ কৰিছে অতি কৌশলেৰে। গল্পটোত জিন্সপেন্ট পিন্ধা, উদণ্ড চৰিত্ৰৰ ডেকা ল'ৰাৰ বাচত বেপৰুৱাভাৱে চিগাৰেট পান কৰা কাৰ্যই কেতবোৰ ভদ্ৰলোকক লজ্জিত কৰি তুলিছে কিন্তু উপাই নাই, সেই বেয়া কামৰ বিৰুদ্ধে তেওঁলোকে একো মাতো মাতিব পৰা নাই। ই বৰ্তমানৰ সময় আৰু মানুহবোৰ অসহায় অৱস্থাৰ ছবি। আমি বৰ্তমান এনে শ্বাসৰুদ্ধকাৰী পৰিবেশত আবেষ্টিত হৈছোঁ যে প্ৰতিবাদী ক্ষমতা হেৰাই গৈছে, মানুহৰ সৰলতাৰ ওপৰত নিজৰেই বিশ্বাস হেৰাই গৈছে কাৰণ, হস্পিটালত মুমুৰ্ষু অৱস্থাৰ মাতৃক চাবলৈ যোৱা ভাৱাহীন অসহায় ল'ৰাটোক বিশ্বাস কৰাটোও আমাৰ পক্ষে কঠিন হৈ পৰিছে। সেই ল'ৰাজনক সহায় কৰি 'বেয়া ল'ৰা' দুটাই পুণৰ চিগাৰেট হুপা কাৰ্যই তথাকথিত সমাজলৈ বিতৃষ্ণাৰ ইংগিত বহন কৰিছে। মানুহৰ প্ৰতি মানৱতা নথকা মানুহক শিষ্টাচাৰ দেখুৱাই লাভ নাই।

মুঠতে, ডং শইকীয়াৰ 'আন্ধাৰত নিজৰ মুখ'ৰ প্ৰায়বোৰ গল্পই সুখপাঠ্য।

সামৰণি ঃ এইবাৰ 'সাহিত্য অকাদেমী বঁটা' পোৱা ডং নগেন শইকীয়া দেৱলৈ অভিনন্দন জনালোঁ আৰু 'ভাৰতীয় সাহিত্য অকাদেমী'য়ে আগবঢ়োৱা এই বৃহৎ সেৱাৰ মূল্য যদি সকলোৱে বুজি সাহিত্য সেৱাত অগ্ৰসৰ হয় তেন্তে অসমীয়া সাহিত্যয়ো বিশ্ব সাহিত্যৰ লগত সমানে ফেৰ মাৰিবলৈ অচিৰেই সক্ষম হ'ব।◆

*(সহায় লৈ)*

**সন্দৰ্ভ পুথি আৰু ৰচনা**

১। Sahitya Akademi, General information.
২। সাহিত্য অকাদেমী বঁটা বিজয়ী অসমীয়া– সমীন কলিতা
৩। 'আমাৰ অসম' আৰু 'আজিৰ বাতৰি' – ১ জানুৱাৰী
৪। অন্যান্য সৰু সৰু প্ৰবন্ধ

☆ মানুহ কেনেকৈ মৰে সেয়া গুৰুত্বপূৰ্ণ নহয়, কেনেকৈ জীয়াই থাকে সেয়াহে আচল কথা।

ছেমুৱেল জনছন

☆ অসম্ভৱ শব্দতো মুৰ্খৰ অভিধানতহে পোৱা যায়।

নেপোলিয়ন

☆ উদ্যোগী পুৰুষ সিংহই কেৱল লক্ষ্মীকেই লাভ কৰে এনে নহয়; সৰস্বতীকো লাভ কৰে।

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ

☆ স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মঙ্গল, মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।

লক্ষ্মীনাথ বেজবৰুৱা

সংগ্ৰহ ঃ শ্ৰীচন্দন দে
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (ক'লা)

# মিছিং ঐনিতম আৰু ইয়াৰ বিবৰ্ত্তন

❒ ৰণজিত কামান
প্ৰবক্তা (বুৰঞ্জী বিভাগ)

বিভিন্ন সময়ত বহু কেইজন চিন্তাশীল লিখক, গৱেষক, সমালোচক আদিয়ে তেওঁলোকৰ লিখনিত "মিছিং জন জীৱন"ৰ বিভিন্ন দিশৰ ওপৰত আলোচনা, সমালোচনা কৰা আমি দেখি আহিছোঁ।

এই আলোচনাৰ যোগেদি মিছিং সমাজৰ কেৱল এটা দিশ "মিছিং ঐনিতম আৰু ইয়াৰ বিবৰ্ত্তন" সম্পৰ্কে সামান্য আভাষ দিব বিছৰা হৈছে। মিছিং সকলৰ গীত সমূহৰ ভিতৰত ঐঃনিতম অন্যতম। ঐঃনিতম মিছিং সকলৰ অতি প্ৰিয় গীত। ইয়াক যিয়ে ভাল নাপায় সি মিছিং জাতিটোকে ভাল নাপায় বুলি কলেও বঢ়াই কোৱা নহয়।

এতিয়া প্ৰশ্ন হ'ল – ঐঃনিতম কি? ই কেনেকৈ সৃষ্টি হ'ল অথবা ইয়াক কেনেকুৱা পৰিবেশত পৰিবেশন কৰা হয়?

উত্তৰত ইয়াকে ক'ব পৰা যায় – ঐঃনিতম হৈছে কোনো গায়ক নতুবা গায়িকাৰ হৃদয়ৰ পৰা আপোনা-আপুনি নিগৰি ওলোৱা মনৰ অভিব্যক্তি।

ই কোনো নিৰ্দিষ্ট ৰচক বা গীতিকাৰৰ দ্বাৰা ৰচিত নহয়। ঐঃনিতম মিছিং সকলৰ মুখে মুখে অৰ্থাৎ মৌখিক ৰূপত চলি অহা গীতহে।

ঐঃনিতম যিকোনো পৰিবেশত, সকলো ঠাইতে সকলো বতৰত পৰিবেশন কৰিব পৰা গীত। মাথো পৰিবেশন কাৰীয়ে ইয়াৰ মিঠা গুণখিনি সৃষ্টি কৰিব পাৰিলেই হ'ল।

ঐঃনিতম সম্পৰ্কে বহুকেইজন লিখক, সমালোচক আদিয়ে নিজস্ব মন্তব্য আগবঢ়োৱা পৰিলক্ষিত হয়। ইয়াৰ কিছুমানে ঐঃনিতমক অসমীয়া বনগীতৰ লগত তুলনা কৰিব বিচাৰে। আন কিছুমানে আকৌ ঐঃনিতমক প্ৰিয়তমাই প্ৰিয়তমলৈ অথবা প্ৰিয়তমে প্ৰিয়তমাক কেন্দ্ৰ কৰি আৰু লগতে প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনা কৰি গোৱা গীত বুলি ক'ব খোজে। অৱশ্যে অতীতৰ মিছিং ঐঃনিতমত উপৰোক্ত দুটা বিষয়ৰ ওপৰত ভিত্তি কৰি গোৱা হৈছিল যদিও বিতৰ্ত্তনৰ গতিত আহি আহি আজিৰ ঐঃনিতমে কেৱল দুই, এটা বিষয়ৰ ওপৰতে আবদ্ধ হৈ থকা নাই। ঐঃনিতম মুলতঃ প্ৰেমক লৈ গোৱা গীত যদিও ই মিছিং সকলৰ আশা-নিৰাশা, মিলন, বিচ্ছেদ, পোৱা-নোপোৱা, পালো হেৰোৱাৰ বেদনা, হাঁহি কান্দোন, ঠাট্টা বিদ্ৰূপ, নিন্দা-প্ৰশংসা আদি সকলো দিশবোৰ স্পষ্ট ৰূপত প্ৰকাশ কৰে। ইয়াৰ ওপৰিও ঐঃনিতমৰ মাজেদি মিছিং সমাজৰ সমসাময়িক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক পৰিবৰ্তন আৰু অৱস্থাৰ বিষয়বস্তুবোৰো প্ৰতিফলিত হয়। কিয়নো ঐঃনিতমত ব্যৱহাৰ কৰা বিভিন্ন উপমাবোৰে উপৰোক্ত বিষয়বোৰৰ সাক্ষ্য বহন কৰে।

ঐঃনিতমত কোনো জটিল অৰ্থাৎ দুৰ্বোধ্য ভাষা বা শব্দৰ প্ৰয়োগ কৰা দেখা নাযায়। ইয়াত সাধাৰণতে প্ৰচলিত আৰু কথিত ভাষা প্ৰয়োগ কৰা দেখা যায়। এটা কথা স্বীকাৰ কৰিবই লাগিব যে আজিৰ পৰা কেইবা শ বছৰ আগত ঐঃনিতমত যি ভাষা বা শব্দ প্ৰয়োগ কৰা হৈছিল বৰ্তমান সেই ভাষা বা শব্দৰ প্ৰয়োগ হোৱা নাই। অৱশ্যে সময়ৰ পৰিবৰ্তনৰ লগে লগে ঐঃনিতমৰ ভাষাৰেই পৰিবৰ্তন হৈছে এনে নহয়, ইয়াৰ লগতে সুৰ, উপমা প্ৰয়োগৰ লগতে ইয়াত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰ আদিৰো পৰিবৰ্তন হৈছে।

মিছিং ঐঃনিতমে বিবৰ্তনৰ গতিত আহি আহি কেনেকৈ ইয়াৰ ভাষা, শব্দ, উপমা আৰু বাদ্যযন্ত্ৰৰ পৰিবৰ্তন হৈ বৰ্তমান অৱস্থাত উপনীত হৈছে সেই সম্পৰ্কে কিছু আলোচনা কৰা যাওক।

অতীতৰ ঐঃনিতম প্ৰেমক লৈ নাইবা প্ৰিয়তমে প্ৰিয়তমাক কেন্দ্ৰ কৰি অথবা প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনা কৰি গোৱা হৈছিল–

যেনে দঃঞিৰ্ চাঃদুনী লৃজ্গই লৃজ্গলা
মৌনাম অইৰ্ চৃঃচাদুং গীজ্গ অইঃ গীজ্গলা।

মূলভাৱ ঃ পুৱাৰ সূৰ্য্যটোৱে ৰঙীণ বোল সানি পূৱফালে উদয় হৈ আহি থকাৰ দৰে মোৰ প্ৰেয়সীজনীও যৌৱনৰ সৌন্দৰ্য্যৰ ৰং সানি ডাঙৰ হৈ আহি আছে। ইয়াত গায়কে ৰাতিপুৱা পূৱ ফালে ওলোৱা সূৰ্য্যৰ ধুনীয়া ৰঙীণ ৰংটোৰ লগত নিজৰ প্ৰেয়সীৰ ধুনীয়া মুখখনি তুলনা কৰিছে। এইদৰে নৈৰ সিপাৰে থকা প্ৰেয়সীক উদ্দেশ্যি মিছিং ডেকাই গাইছে–

"চন্দন– অঃলুউ অইয়া,
পদ্ম ৰীবাদী।
মিনম গৃঃদদ্ অইয়া,
দুঃৰীগচুলাংকুক।"

মূলভাৱ ঃ চন্দন কাঠৰ নাও আৰু পদ্ম কাঠৰ বঠা সাজি তোমাৰ আলহী হৈ আহোতে নদীখন মোক পাৰ কৰি লৈ আহিবা। ইয়াত গায়কে নিজৰ অতি মৰমৰ প্ৰেয়সীজনীক অতি মূল্যৱান চন্দন কাঠৰ নাও সাজি আৰু পদ্ম কাঠৰ বঠাৰে নৈখন পাৰ কৰি আদৰি নিবলৈ আহ্বান জনাইছে।

আকৌ কেতিয়াবা কোনো বিৰহী প্ৰেমিক প্ৰেমিকাই নিজৰ মনৰ বেদনাক প্ৰাকৃতিক চিৰন্তন ঘটনাৰ লগত নিজক তুলনা কৰি গায় –

"আচি জিলি জিলিক মিকি্চি জিলি জিলিক্
আচি জিলি পৃনয়েপী মিক্চি জিলি পৃনপীমাং"।

মূলভাৱ ঃ প্ৰকৃতিৰ নিজৰাও নিজৰা, চকুৰ পানীৰ নিজৰাও, নিজৰা হলেও প্ৰকৃতিৰ নিজৰা কেতিয়াবা প্ৰাকৃতিক কাৰণত শুকাই যাব পাৰে। কিন্তু চকু পানীৰ নিজৰা কোনো দিন শুকাই নাযায়, ই মৃত্যু নোহোৱা পৰ্য্যন্ত নিৰবিছিন্ন ভাবে বৈ থাকিব।

কেতিয়াবা আকৌ আৰ্থিক ভাবে দুৰ্বল মিছিং ডেকাই প্ৰেয়সীক উদ্দেশ্যি গায় –

''গৰু আলীম লাগিমাং
মেনজেগ আঃলীম লাগিমাং
মীনাম অইমী পাঃম্ল্
কুয়াব তাগলা দৰপী''।

মূলভাৱ ঃ খেতি কৰি খাবলৈ মোক গৰু হালো নেলাগে, ম'হৰ হালো নালাগে যদি মোৰ মৰমী প্ৰেয়সী জনীক জীৱনৰ লগৰী হিচাবে পাও তেন্তে কোৰেৰে হলেও খেতি কৰি খুৱাম।

ইয়াত কঠোৰ পৰিশ্ৰমী সৰল মিছিং ডেকাই নিজৰ আৰ্থিক দুৰৱস্থাক নেওচি প্ৰেয়সী জনীক নিজৰ কৰি লব পাৰিলে কোৰেৰে হ'লেও খেতি কৰি খুৱাই পিন্ধাই ৰাখিব পাৰিম বুলি নিজৰ আত্মবিশ্বাসৰ কথা প্ৰকাশ কৰিছে।

ওপৰত উল্লেখ কৰা প্ৰায়বোৰ গীততেই প্ৰেম অথবা প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা দেখা গৈছে। কিন্তু বৰ্তমান ঐঃনিতমৰ বিষয়বস্তু অকল প্ৰেম বা প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনা কৰাতেই আবদ্ধ হৈ থকা নাই। সময়ৰ গতিত ঐঃনিতমেও এটা গতিশীল ৰূপ লৈছে। আজিৰ গায়কে ঐঃনিতমক মিছিং সমাজত সোমাই থকা বিভিন্ন কুসংস্কাৰ, অন্ধবিশ্বাস আদি ধাৰণাবোৰ সংস্কাৰ কৰিবৰ বাবে ব্যৱহাৰ কৰিছে। তাৰোপৰি নৈপৰীয়া মিছিং সকলে সঘনে হোৱা বানপানীয়ে কেনে ধৰণে অৰ্থনৈতিক দিশত প্ৰভাৱ পেলাইছে ইয়াক ঐঃনিতমৰ মাধ্যমেৰে প্ৰকাশ কৰিছে–

''কাবেং আলি বিচ্ছতলা,
আচি বিদ্দুং ধেমাজী ঢঁকুৱা,
ৰিলিপ আপিন দকীল
কামপী কামপী মিক্মীছে
তাযুৰ য়ায়াপী ইদুবং।''

মূলভাৱ ঃ কাবেং চাপৰিৰ মাথাউৰি ভাঙি প্ৰৱল বাঢ়নী পানীয়ে ধেমাজী, ঢকুৱাৰ সমগ্ৰ অঞ্চল প্লাৱিত কৰিছে, ফলত ঘৰ বাৰী এৰি ৰিলিফ কেম্পত আশ্ৰয় লব লগা গৈছে আৰু ৰিলিফ কেম্পৰ কু খাদ্য খায় আগৰ ধুনীয়া গাল দুখনিও লাসমনেৰে ভৰি পৰা হৈছে।

ইয়াত গায়কে বানপানীৰ ফলত মিছিং সকল অৰ্থনৈতিক দিশত কিমান বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে লগতে শাৰীৰিক অৱস্থাৰো কেনেদৰে অৱনতি ঘটিছে তাকে ঐঃনিতমৰ মাধ্যমেৰে সুন্দৰ ৰূপত প্ৰকাশ কৰিছে।

ওপৰৰ আলোচনা খিনি পৰ্য্যালোচনা কৰি চালে দেখা যায় যে অতীতৰ ঐঃনিতম সমূহত কেৱল প্ৰেমকলৈ নাইবা প্ৰাকৃতিক ঘটনা বা বৰ্ণনা কৰি গোৱা হৈছিল। কিন্তু বৰ্তমানৰ ঐঃনিতম সমূহত দুই এটা বিষয়বস্তুতে আৱদ্ধ নাথাকি সমাজৰ সম-সাময়িক ঘটনাৰ লগতে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক পৰিৱৰ্তনৰ লগত খাপ খুৱায় গোৱা দেখা গৈছে। ইয়াৰ উপৰিও অতীতৰ ঐঃনিতমত যিবোৰ সুৰ, উপমা, বাদ্যযন্ত্ৰ আদি ব্যৱহাৰ কৰা হৈছিল সেইবোৰ বৰ্তমান ঐঃনিতমত ব্যৱহাৰ কৰা দেখা নাযায়।

শেষত ইয়াকে কব পাৰি যে অতীতৰ ঐঃনিতম আৰু বৰ্তমানৰ ঐঃনিতমৰ মাজত বহুতো পাৰ্থক্য দেখা গৈছে। সময় আৰু সমাজৰ পৰিবৰ্তনৰ লগে লগে আজিৰ ঐঃনিতমে অধিক আধুনিকতাৰ ৰূপ লোৱা পৰিলক্ষিত হৈছে। ■

● প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা, মুক্তিৰ বন্ধনহীনতা, স্বচ্ছন্দে লিখিবৰ শক্তি নাই সেই সাহিত্য মৃতবৎ। যেতিয়াই সাহিত্যক কঠোৰ নিয়মৰ নিগড় দি বান্ধো-চাটো তেতিয়াই সাহিত্যই পঙ্গু আৰু নিৰ্জীৱ অৱস্থাৰ ফালে ঢাল খায়।''

সাহিত্যৰথী বেজবৰুৱা

# ৰেবিজ বা জলাতংক

❐ শ্ৰীৰাজু ছেত্ৰী
স্নাতক ১ম বৰ্ষ (বিজ্ঞান শাখা)

**ই কি?**

মানুহ আৰু জন্তুৰ সংক্ৰামক ৰোগবোৰৰ ভিতৰত ৰেবিজ এবিধ ভয়াবহ ৰোগ। ই এটা অতি প্ৰাচীন ৰোগ। খ্ৰীষ্টপূৰ্ব ২৩০০ ত বেবিলনৰ আইন নীতিত এই ৰোগৰ কথা উল্লেখ আছে। বিশ্বৰ কেইখনমান ঠাই যেনে– অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, জাপান, হংকং, ছিংগাপুৰ আৰু কুমেৰু অঞ্চলীয় ঠাই আদিৰ বাহিৰে প্ৰায় সকলোতে এই ৰোগ আছে। এক সমীক্ষা মতে ভাৰতবৰ্ষত প্ৰতি বছৰে ৩ লাখতকৈ অধিক লোক এই ৰোগৰ চিকিৎসাৰ বাবে আহে আৰু প্ৰায় ২ হেজাৰৰ অধিক লোক মৃত্যু মুখত পৰে।

**ৰোগৰ কাৰণ ঃ** ৰেবিজ (Rabies) এবিধ ভাইৰাছৰ দ্বাৰা হোৱা ৰোগ। এইবিধ ভাইৰাছ দেখাত বন্দুকৰ গুলীটোৰ নিচিনা। কেৱল ইলেক্ট্ৰন অনুবীক্ষণ যন্ত্ৰতহে ভাইৰাছবিধ দেখা যায়। ৰেবিজ ভাইৰাছে বেছি তাপ সহ্য কৰিব নোৱাৰে। ৬০° ছেঃ উষ্ণতাত ৩৫ চেকেণ্ডৰ ভিতৰত এইবিধ ভাইৰাছ ধ্বংস হয়। কিছুমান ৰাসায়নিক দ্ৰব্য যেনে, চাবোন, ফেনল, এম'নিয়া আদিয়ে ভাইৰাছবিধ সহজে নিষ্ক্ৰিয় কৰিব পাৰে।

**সাধাৰণতে কোনবোৰ জীৱ-জন্তু আক্ৰান্ত হয় ঃ** উষ্ণ ৰক্তৰ সকলো প্ৰাণী এইবিধ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হয়। কুকুৰ, শিয়াল, কুকুৰনেছীয়া বাঘ আদি প্ৰধানকৈ এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হয়। হাবিত থকা তেজ খোৱা বাদুলি এবিধো এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হব পাৰে। কেতিয়াবা এই জন্তুবোৰে ভাইৰাছ বিধৰ বাহক হিচাপেও থাকে।

**এই ৰোগৰ বিস্তাৰ ঃ** আমাৰ দেশত এই ৰোগ বিয়পাৰ প্ৰধান উৎস হ'ল কুকুৰ। বিশেষকৈ ৰাস্তাত ঘূৰি ফুৰা কুকুৰ। হাবিত থকা শিয়াল আদিৰ পৰাও কুকুৰলৈ এই ৰোগৰ ভাইৰাছ আহিব পাৰে। ৰেবিজ হোৱা কুকুৰ বা অন্য জন্তু অথবা ৰেবিজ ভাইৰাছৰ বাহক হিচাপে থকা কুকুৰৰ লালটিত ভাইৰাছ বিধ নিৰ্গত হয়। এই ৰোগত ভোগা কুকুৰ এটাই লক্ষণ দেখুওৱাৰ ১ৰ পৰা ১৪ দিন আগৰে পৰাই এই ৰোগৰ ভাইৰাছ লালটিৰ লগত নিৰ্গত কৰে। কেতিয়াবা আক্ৰান্ত জন্তুৰ পেচাব, তেজ, গাখীৰ আদিতো এই ভাইৰাছ থাকিব পাৰে।

ভাৰতবৰ্ষত মানুহৰ হোৱা ৰেবিজ ৰোগৰ ৯০-৯৩ শতাংশ ৰেবিজ হোৱা কুকুৰ বা বাহক কুকুৰে কামোৰাৰ ফলত হয়। আক্ৰান্ত বা বাহক কুকুৰে আচোঁৰাৰ ফলতো মানুহৰ ৰেবিজ হ'ব পাৰে, যদিহে আচোঁৰা জন্তুৰ লগত লালটিৰ ভাইৰাছ থাকে। ৰেবিজ হোৱা জন্তুৰ লালটি, তেজ আদি কটাঘাত লাগিলেও মানুহৰ এই ৰোগ হ'ব পাৰে। আক্ৰান্ত জন্তুৰ গাখীৰ উতলাই খালে ৰেবিজ নহয়।

গৰ্ভৱতী মাতৃৰ পৰা শিশুলৈ ৰেবিজ ভাইৰাছ যোৱাটো প্ৰমাণ কৰিব পৰা নাই। ১৯৭২ চনত থাইলেণ্ডত ৪৩ বছৰ বয়সৰ গৰ্ভৱতী মাতৃ এগৰাকীক প্ৰসৱৰ ১৮ দিন আগতে ৰেবিজ হোৱা কুকুৰ এটাই কামোৰে। মাতৃ গৰাকী শিশুটোৰ জন্মৰ ৪ দিন পিছত ৰেবিজ ৰোগৰ লক্ষণ দেখুৱাই মৃত্যু মুখত পৰে। কিন্তু জন্ম হোৱা শিশুটো ভাইৰাছৰ আক্ৰামণৰ পৰা মুক্ত আছিল।

ৰেবিজ আক্ৰান্ত মানুহৰ অংগ অন্য সুস্থ ব্যক্তিৰ দেহত প্ৰতিস্থাপন কৰাৰ ফলতো ৰেবিজ হোৱাৰ কথা শুনা যায়। ৪১ বছৰ বয়সৰ এগৰাকী তিৰোতাৰ চকুৰ শ্বেতমণ্ডল প্ৰতিস্থাপিত হোৱাৰ ২২ দিন পিছত ৰেবিজ হৈ মৃত্যু হয়। একে ধৰণৰ এটা অস্ত্ৰোপচাৰ ২৫ বছৰৰ এজন ব্যক্তিক কৰাৰ ৩৩ দিন পিছত ব্যক্তিজন ৰেবিজ হৈ মৃত্যু মুখত পৰে। সম্ভৱতঃ দুয়োজন ব্যক্তিতে ৰেবিজ আক্ৰান্ত। ব্যক্তিৰ পৰা অংগ প্ৰতিস্থাপন কৰা হৈছিল। ৰেবিজ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত মানুহৰ লগত যৌন সম্পৰ্ক কৰিলে আনজন ৰেবিজৰ দ্বাৰা আক্ৰান্ত হবনে নহয় ভালদৰে জানিব পৰা হোৱা নাই।

**কিমান দিনৰ পিছত এই ৰোগ হয় ঃ** ৰেবিজ হোৱা অথবা ৰেবিজ ভাইৰাছৰ বাহক হিচাপে থকা কুকুৰ এটাই কামোৰাৰ ৩ৰ পৰা ১৩ সপ্তাহৰ ভিতৰত মানুহৰ এই ৰোগ হয়। অৱশ্যে কিছুমান কাৰক, যেনে কামোৰা ঠাই, কাপোৰ আদিৰ ওপৰৰে কামোৰা ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি এই সময় কম বেছি হব পাৰে। কেতিয়াবা কামোৰাৰ ৭ দিন পিছতে আৰু কেতিয়াবা এবছৰৰ পিছতো মানুহৰ এই ৰোগ হব পাৰে। সাধাৰণতে কামোৰা ঠাইখিনি মস্তিস্কৰ যিমান ওচৰত হয় সিমানে ৰোগ সোনকালে আৰম্ভ হয়। কাৰণ এইবিধ ভাইৰাছে কামোৰা ঠাইৰপৰা স্নায়ুৰে গৈ মস্তিস্কত থকা স্নায়ুত বংশ বৃদ্ধি কৰাৰ পিছতহে ৰোগৰ লক্ষণ আৰম্ভ হয়। পিন্ধা কাপোৰৰ ওপৰত কামুৰিলে বেছিভাগ লালটি কাপোৰৰ ওপৰতে লাগি ৰয়, সেইবাবে কম পৰিমাণে ভাইৰাছ দেহলৈ সোমায়। কেতিয়াবা ছালত আঘাট নকৰাকৈ কুকুৰে কামুৰিলে ভাইৰাছ দেহলৈ নেযায়। তেনেক্ষেত্ৰত ৰোগৰ লক্ষণ বহু দিনৰ পিছত দেখা যায় অথবা একেবাৰে নহয়।

**এই ৰোগ লক্ষণ ঃ** মানুহৰ হোৱা ৰেবিজ ৰোগৰ প্ৰধান লক্ষণ সমূহ দেখা দিয়াৰ ২-৩ দিন মানৰ আগৰে পৰাই কামোৱা ঠাইখিনিত বিষ আৰু জিনজিননি অনুভৱ হয়। লাহে লাহে এই জিনজিননি গোটেই হাত ভৰিলৈ বিয়পি পৰে। লাহে লাহে ৰোগীজনৰ আচাৰ ব্যৱহাৰ সলনি হয়, মাংসপেশীৰ বিষ আৰু মূৰৰ বিষ হয়। স্নায়ুৰ সংকোচন হয় আৰু ইয়াৰ ফলত ৰোগীৰ হাত ভৰি কোচ খায় আৰু হাত ভৰি আঁছোৰে। ৰোগীয়ে পোহৰৰ পৰা আঁতৰি থাকিব বিচাৰে আৰু কেতিয়াবা উত্তেজিত হৈ কুকুৰৰ দৰে কামুৰিব বিচাৰে। পানী আৰু অন্য জুলীয়া দ্ৰব্য গিলোতে কষ্ট হয় আৰু পিছলৈ পানী জাতীয় দ্ৰব্যৰ নাম শুনিলেই আতংকিত হয়। সেয়েহে এই ৰোগক 'জলাতংক' ৰোগ বুলিও কোৱা হয়। শেষত ৰোগীয়ে ভ্ৰম বকিব ধৰে, অচেতন হয় আৰু মৃত্যু মুখত পৰে।

এবাৰ ৰেৱিজ ৰোগৰ লক্ষণ দেখা দিয়াৰ পিছত মৃত্যু অনিবাৰ্য। কিন্তু প্ৰকাশিত তথ্যৰ পৰা জনামতে ইয়াৰ এটা ব্যতিক্ৰম দেখা গৈছিল ১৯৭১ চনত। সেই বছৰত এজন ল'ৰাক এটা বাদুলিয়ে কামুৰিলে আৰু এই বাদুলিটোৰ ৰেবিজ হোৱা বুলি অনুমান কৰা হৈছিল। কেইদিমনানৰ পিছত ল'ৰাটোৰ গাত ৰেবিজ ৰোগৰ লক্ষণ দেখা দিলে। লক্ষণ অনুসৰি চিকিৎসা কৰা হ'ল। শেষত ল'ৰাজন

মৃত্যুৰপৰা ৰক্ষা পৰিল। অৱশ্যে ৰেবিজ ৰোগৰ বুৰঞ্জীত ই এটা ব্যতিক্ৰমহে। ৰেবিজ হোৱা কুকুৰ বা জন্তু এটাক সাধাৰণতে পগলা হোৱা বুলি কোৱা হয়। এনে জন্তুৱে যাকে তাকে আক্ৰমণ কৰি কামুৰিব বিচাৰে, উদণ্ড হৈ অনাই বনাই ঘূৰি ফুৰে, উত্তেজিত হৈ চটফটায়, মুখেৰে লালটি ওলায়, চকু সোমায়, লাহে লাহে খাব নোৱাৰা হয়, অধঃহনু অসাৰ হয় আৰু শেষত মৃত্যু মুখত পৰে। ৰেবিজ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱা কুকুৰে সাধাৰণতে গাখীৰ নাখায়।

**জলাতংকৰ বাবে প্ৰাথমিক চিকিৎসা ঃ** কুকুৰ বা অন্য সন্দেহজনক জন্তুৱে কামোৰাৰ পিছতে মানুহৰ ক্ষেত্ৰত প্ৰাথমিক চিকিৎসা লোৱাটো নিতান্ত প্ৰয়োজনীয়। প্ৰাথমিক চিকিৎসাৰ দ্বাৰা ৰোগ সৃষ্টিকাৰী ভাইৰাছ দেহৰ ভিতৰলৈ প্ৰবেশ কৰাত কিছু বাধা দিব পাৰি। এই প্ৰাথমিক চিকিৎসাৰ-ভিতৰত প্ৰথম হ'ল কাপোৰ ধোৱা চাবোন প্ৰয়োগ কৰি কামোৰা বা আচোঁৰাৰ লগে লগে ঠাইখিনি কেইবাবাৰো ধুই দিয়া। ইয়াৰ পিছত আয়দিন বা অন্য এন্টিছেপ্টিক দ্ৰব্য ঠাইখিনিত প্ৰয়োগ কৰিব লাগে। সুবিধা অনুসৰি ডাক্তৰৰ পৰামৰ্শ লৈ টিটেনাছ টক্সাইড (Tetanus Toxoid) আৰু এন্টিবায়টিক ল'ব লাগে। টক্সাইড আৰু এন্টিবায়টিক অৱশ্যে ৰেবিজ ভাইৰাছক বাধা দিয়াৰ বাবে নহয়, অন্য বেক্টেৰিয়াৰ দ্বাৰা সৃষ্টি হ'ব পৰা ৰোগ প্ৰতিৰোধ কৰাৰ বাবেহে।

বনৌষধি আৰু বেজালিৰ দ্বাৰা ৰেবিজ ভাইৰাছ ধ্বংস কৰিব পৰা সম্পৰ্কে এতিয়ালৈকে বৈজ্ঞানিক প্ৰমাণ পোৱা হোৱা নাই। গাওঁ অঞ্চলত কিন্তু কুকুৰে কামোৰাৰ পিছত এনে বনৌষধৰ এতিয়াও ব্যৱহাৰ হৈ আছে।

**ৰোগৰ ছিটা ঃ** পাষ্টুৰ নামৰ বিজ্ঞানীজনে পোন প্ৰথমে ৰেবিজ ৰোগৰ ছিটা আৱিস্কাৰ কৰে। পৰীক্ষাগাৰত শহাপহুৰ গাত ৰেবিজ ৰোগ সৃষ্টি কৰি শহাপহুৰ মস্তিষ্ক আৰু মেৰুৰজ্জুৰ পৰা এই ৰোগৰ ছিটা প্ৰথমে আৱিস্কাৰ কৰে আৰু এটা ছিটা কুকুৰৰ গাত দিয়াৰ পিছত ৰেবিজ হোৱা নাছিল। ১৮৮৫ চনৰ জুলাই মাহত জছেফ মাইষ্টাৰ নামৰ ৯ বছৰ বয়সৰ ল'ৰা এটাৰ দেহত পোন প্ৰথমে ৰেবিজ ৰোগৰ ছিটা প্ৰয়োগ কৰা হয়। ইয়াৰ পিছৰে পৰাই ৰেবিজ ৰোগৰ ছিটা মানুহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। আৰম্ভণিতে বনোৱা ছিটা মানুহৰ গাত প্ৰয়োগ কৰাৰ পিছত কিছুমান বিৰূপ প্ৰতিক্ৰিয়া দেখা গৈছিল যদিও বৰ্তমান উন্নত মানৰ ৰেবিজ ৰোগৰ ছিটা প্ৰস্তুত হৈছে আৰু এই ছিটাৰ পৰা কোনো ধৰণৰ অবাঞ্চিত প্ৰতিক্ৰিয়া হোৱা দেখা নাযায়।

ৰেবিজ ৰোগৰ ছিটা মানুহৰ ক্ষেত্ৰত দুই ধৰণেৰে যেনে প্ৰতিষেধক আৰু নিবাৰক হিচাপে ব্যৱহাৰ কৰা হয়। জন্তুৰ ক্ষেত্ৰত সাধাৰণতে প্ৰতিষেধক ছিটা দিয়া হয়। প্ৰতিষেধক ছিটা কামোৰাৰ পিছত ব্যৱহাৰ কৰা হয়। মানুহৰ প্ৰায়ভাগ ৰেবিজ ৰোগ যিহেতু কুকুৰৰ পৰা হয়, গতিকে সকলো পোহনীয়া কুকুৰক সময়মতে ৰেবিজ ৰোগৰ প্ৰতিষেধক ছিটা দিয়াটো প্ৰয়োজন। কিছুমান ব্যক্তি যেনে, পশুচিকিৎসক, চিৰিয়াখানাত কামকৰা লোক, ৰেবিজ ছিটা প্ৰস্তুত কৰা সকলেও ৰেবিজ ৰোগৰ প্ৰতিষেধক ছিটা লোৱাটো বাঞ্চনীয়।

পগলা কুকুৰ বা সন্দেহজনক জন্তুৱে কামোৰাৰ পিছত ৰেবিজ ৰোগৰ নিবাৰক ছিটা ল'ব লাগে। এই ছিটাৰ প্ৰথমটো কামোৰাৰ ২৪ ঘন্টাৰ ভিতৰত আৰু পিছৰ কেইটা ছিটাৰ লগত ধৰি দিয়া সময়মতে লোৱাটো প্ৰয়োজন। ৰেবিজ ৰোগৰ প্ৰতিষেধক ছিটা লোৱা কুকুৰে কামুৰিলে লগে লগে প্ৰাথমিক চিকিৎসা লোৱাৰ উপৰিও কুকুৰটোক ১০ দিন ভালকৈ পৰ্য্যবেক্ষণত ৰাখিব লাগে। এই সময় ছোৱাৰ ভিতৰত যদি কুকুৰটো পগলা হয় অথবা জন্তুটো মৰি যায় তেন্তে ৰেবিজ ৰোগ নিবাৰক ছিটা লোৱাটো প্ৰয়োজন।

**প্ৰতিৰোধৰ উপায় ঃ**

- সকলো পোহনীয়া কুকুৰকে সময়মতে ৰেবিজ ৰোগৰ প্ৰতিষেধক ছিটা দিয়া।
- পোহনীয়া কুকুৰৰ লগত ধেমালী কৰোতে বা চুম্বন আদি কৰোতে সাৱধান হোৱা।
- পোহনীয়া কুকুৰক ৰাস্তাত ঘূৰি ফুৰা কুকুৰ, শিয়াল আদিৰ সান্নিধ্যলৈ অহাত বাধা দিয়া।
- পগলা কুকুৰ, মেকুৰী বা অন্য সন্দেহজনক জন্তুৰ পৰা আতৰি থকা।
- ৰেবিজ হোৱা কুকুৰ বা অন্য জন্তুক মাৰি পেলোৱা।
- ৰেবিজ হোৱা কুকুৰ বা অন্য সন্দেহজনক জন্তুৱে কামোৰাৰ লগে লগে প্ৰাথমিক চিকিৎসা লোৱাৰ উপৰিও ৰোগ নিবাৰক ছিটা লোৱা।◆

---

- ভৱিষ্যত যিমানে মধুৰ নহওঁক লাগে তাৰ কথা সমূলি নাভাৱিবা। অতীতকো কালৰ সোঁতত উটুৱাই দিয়া। কিন্তু এই যে জাগ্ৰত বৰ্তমানত আত্মসমৰ্পণ কৰি আত্মবিশ্বাস আৰু একনিষ্ঠাৰে কৰ্ম কৰি যোৱা। কৰ্মই হৈছে মানৱৰ প্ৰকৃত ধৰ্ম।

লংফেল'

- নাৰীৰ বাবেই পুৰুষবোৰৰ ব্যক্তিত্ব বৃদ্ধি হৈ মহত্ববান হয় আৰু একেদৰেই পুৰুষৰ বাবেই নাৰীবোৰো মহত্ববান হয় কিন্তু নাৰী ধ্বংস হয় নাৰীৰ বাবেই। সহজ কথাত নাৰীয়েই নাৰীৰ প্ৰধান আৰু শ্ৰেষ্ঠ শত্ৰু।

মৈথিলী চৰণ গুপ্তৰ যশোধৰা কাব্য

- শত্ৰুৰ ভুৱা চুম্বনতকৈ বন্ধুৰ আঘাতেই বেছি ভাল।

সমাজ বেকট

- তোমাৰ যি ধৰণৰ ভাগ্য নহওক তাক তুমি গ্ৰহণ কৰিবা। যদি বেয়া হয় তাক ভাল হোৱাৰ আশালৈ গ্ৰহ কৰিবা।

গ্ৰীক দাৰ্শনিক চেনেকা

- ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰা তোমাৰ শক্তিক।

বি.আৰ. আম্বেদকাৰ

- যদি তোমাৰ আত্মবিশ্বাস আছে তেন্তে আনৰ সন্দেহলৈ ভয় নকৰিবা। সিহঁতক সন্দেক কৰিবলৈ দিয়া।

কিপ্লিং

- আৰাম আৰু সুখক জীৱনৰ লক্ষ্য হিচাপে গ্ৰহণ নকৰিবা কাৰণ এনে লক্ষ্যৰ ভেটিত গঢ়ি তোলা নীতিশাস্ত্ৰ গৰু আৰু ম'হৰহে অধিকাৰী।

আইনষ্টাইন

শ্ৰীমতী পপী শৰ্মা, উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক (কলা)

# জাতীয় সংকটৰ মুহূৰ্ত্তত নেপালীসকলৰ ভূমিকা

❑ শ্ৰীজগন্নাথ উপাধ্যায়, প্ৰবক্তা
মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ

**প্ৰা**চীন কালৰে পৰা বিভিন্ন পৰ্য্যায়ত অসমলৈ পৃথিৱীৰ ভিন্ ভিন্ অংশৰ পৰা অনুপ্ৰৱেশ কৰা বিভিন্ন জাতি উপজাতিৰ ভিতৰত নেপালীও এটা জাতি। আন আন জাতি, উপজাতি আৰু সম্প্ৰদায়ৰ দৰে নেপালী সকলেও এক বৃহত্তৰ উমৈহতীয়া অসমীয়া জাতি গঠনৰ বাবে বিভিন্ন সময়ত বিভিন্ন ধৰণে নিজৰ অৱদান আগবঢ়াইছিল। আনকি বহু জাতি গোষ্ঠীৰ দৰে নেপালীসকলেও নিজৰ ভাষা-সংস্কৃতিকো আওকাণ কৰি বৃহত্তৰ অসমীয়া জাতিৰ হকে মুলসুতিৰ লগত মিলি গৈছে। অৱশ্য কালক্ৰমত আন আন উপজাতি আৰু সম্প্ৰদায় বিলাকৰ দৰে নেপালী সকলেও বৃহৎ অসমীয়া জাতিৰ ভিতৰতে থাকি নিজৰ ভাষা-সংস্কৃতিক জীয়াই ৰাখিবলৈও প্ৰচেষ্টা কৰিছে। যিহেতুকে অসমীয়া জাতি বুলিলে বিভিন্ন ভাষা-ভাষী আৰু সংস্কৃতিসম্পন্ন লোকৰ একত্ৰীকৰণ () বুজায় সেয়েহে বিভিন্ন উপজাতি আৰু সম্প্ৰদায় বিলাকে নিজা নিজা ভাষা-সংস্কৃতি তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰচেষ্টা কৰাটোও অস্বাভাৱিক নহয়। সকলো জাতি, উপজাতি আৰু সম্প্ৰদায়বিলাকৰ সুকীয়া সুকীয়া ভাষা সংস্কৃতিৰ বিকাশৰ জৰিয়তে বৃহৎ অসমীয়া জাতি গঠন সম্পূৰ্ণ আৰু সুস্থ হব বুলি ক'ব পাৰি। আন ভাষাত ক'বলৈ হলে, সৰু সৰু উপজাতি তথা সম্প্ৰদায়বিলাককো বিকাশৰ বাবে সমানে সুবিধা প্ৰদান কৰিলেহে অসমীয়া জাতি প্ৰকৃতাৰ্থত সবল হ'ব। এই ক্ষেত্ৰত বিভিন্ন সময়ত দেশত দেখা দিয়া সংকটৰ সময়ত ভিন্ ভিন্ উপজাতি তথা সম্প্ৰদায় বিলাকেও নিজৰ সংকট বুলি গণ্য কৰি অংশগ্ৰহণৰ লগতে সমাধানৰ বাবে চেষ্টাও কৰিব লাগিব। যি কি নহওক, এই আলোচনাটিত অসমত স্থায়ীভাৱে বসবাস কৰা নেপালী সম্প্ৰদায়ৰ লোকসকলে জাতীয় সংকটৰ সময়বোৰত কেনে ভূমিকা পালন কৰি বৃহৎ অসমীয়া জাতি গঠনত নিজৰ অৱদান আগবঢ়াইছিল তাৰে এটি চমু আভাষ দিয়াৰ প্ৰয়াস কৰা হৈছে।

অসমত স্থায়ীভাৱে বসবাস কৰা নেপালীসকলে ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ৰ পৰাই তেওঁলোকৰ অৱদান দেশৰ বাবে আগবঢ়াই আহিছে। জাতীয় কংগ্ৰেছৰ নেতৃত্বত নেপালীসকলে ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। কেৱল অংশ গ্ৰহণ কৰাই নহয় বহুতো সময়ত তেওঁলোকে কংগ্ৰেছৰ নেতৃত্ব বহন কৰাৰো উদাহৰণ আছে। এই সন্দৰ্ভত ড° অমলেন্দু গুহই লিখিছে --

"The Assam Association, which has changed its name and had virtually turned into a congress platform in its Tezpur session, had a special and its last meeting at Jorhat with Chabilal Upadhyaya in the chair in April, 1921......"

কংগ্ৰেছৰ নেতৃত্বত হোৱা স্বাধীনতা আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচীবোৰত ছবিলাল উপাধ্যায়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ ও নেতৃত্ব বহন কৰি কেবাবাৰো কাৰাবৰণ খাটিব লগা হৈছিল। বৃটিছ চৰকাৰে বিভিন্ন ধৰণৰ প্ৰলোভন (আৰ্থিক ও বস্তুগত) দিয়া স্বত্বেও তেওঁক স্বাধীনতা আন্দোলনৰ পৰা আঁতৰাই আনিব পৰা নাছিল। বৰঞ্চ তেওঁ বৃটিছ চৰকাৰৰ কৰ্তৃপক্ষক এনেধৰণে প্ৰত্যুত্তৰ দিছিল--

"I born in Assam and shall die in Assam. Nepal may be an independent country, but I have not seen Nepal. Assam is my motherland. I can't leave the Congress".

ছবিলাল উপাধ্যায়ৰ এনেধৰণৰ দেশপ্ৰেম আৰু জাতীয়তাবোধৰ উদাহৰণে অসম সাহিত্য সবাৰ প্ৰাক্তন সভাপতি হেমবৰুৱাদেৰে তেওঁক 'অসমীয়া জাতীয়তাবাদৰ জাগ্ৰত প্ৰতীক'[৩] বুলি স্বীকৃতি প্ৰদান কৰি থৈ গৈছে। ছবিলাল উপাধ্যায়ৰ দৰেই ডিব্ৰুগড়ৰ 'শ্ৰমিক নেতা' দলবীৰ সিং লোহাৰ আৰু ডিগবৈৰ ভক্তবাহাদুৰ প্ৰধানেও স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ যাওঁতে কেবাবাৰো কাৰাবাস খাটিব লগা হৈছিল। স্বাধীনতা সংগ্ৰামত অসমীয়াসকলৰ লগত পূৰ্ণ সহযোগিতা আগবঢ়োৱা নেপালী লোকসকলৰ ভিতৰত নৰপতি উপাধ্যায়, আত্মসিংহ ছেত্ৰী, প্ৰসাদসিং চুব্বা, হৰিপ্ৰসাদ উপাধ্যায়, হোমনাথ গুৱাগাঁই, বিষ্ণুলাল উপাধ্যায়, জয়নাৰায়ণ উপাধ্যায়, কুমুদ চন্দ্ৰ শৰ্মা, কাশীনাথ উপাধ্যায় আৰু পুষ্পলাল উপাধ্যায়ৰ নাম উল্লেখযোগ্য।

গ্ৰুপিং পদ্ধতিৰ জৰিয়তে বৃটিছ চৰকাৰে ১৯৪৬ চনত কেবিনেট মিচন আঁচনি অনুসৰি অসমক মুছলমান প্ৰধান বেংগলৰ লগত চামিলকৰণৰ অপচেষ্টাৰ মুহূৰ্ত্ততো নেপালীসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষত হিন্দু-মুছলমানৰ মাজত দেখা দিয়া সংঘৰ্ষৰ সমাধান কৰিবলৈ বৃটিচ চৰকাৰে অসমক মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশ বেংগলৰ লগত চামিল কৰিব বিচাৰিছিল। ইয়াৰ ফলত অসমীয়া নেতৃবৃন্দ আৰু বৃটিচ

চৰকাৰৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াই দেখা দিছিল। অসমীয়া নেতৃবৃন্দই এনে কাৰ্য্যক অসমৰ স্বকীয় অস্তিত্ব বিলুপ্তিৰ এক ষড়যন্ত্ৰ বুলি গণ্য কৰি কেবিনেট মিছন আঁচনিৰ কাৰ্য্যকৰণৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। নেপালীসকলৰ সেই সময়ৰ জনপ্ৰিয় সংগঠন 'অসম প্ৰাদেশিক গোৰ্খা সন্মিলনে' ১৯৪৭ চনৰ পহিলা জানুৱাৰীত অনুষ্ঠিত ইয়াৰ প্ৰথম বাৰ্ষিক অধিবেশনত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যে –

"প্ৰাদেশিক সংবিধান ৰচনা কৰিবৰ উদ্দেশ্যে অসমক বেংগলৰ লগত চামিল কৰাৰ গ্ৰুপিং পদ্ধতিটো অসমৰ বাবে ঘোৰ অন্যায় হব আৰু অসমৰ অস্তিত্ব বিপদত পৰিব। এনে পৰিপ্ৰেক্ষিতত অসমীয়া সন্তান নেপালী সকলে সংবিধান সভাত অসমক প্ৰতিনিধিত্ব কৰা সদস্যসকলৰ মতকে সমৰ্থন কৰে। অসমৰ ভৌগোলিক অখণ্ডতা ৰক্ষা আৰু নিজৰ সংবিধান নিজে প্ৰণয়ন কৰাৰ অধিকাৰ সাব্যস্ত কৰিবলৈ দেহত শেষ বিন্দু ৰক্ত থকালৈকে যুঁজিবলৈ সংকল্পবদ্ধ।

দেশৰ স্বাৰ্থত আঘাত লগা এনে সংকটৰ সময়ত নেপালীসকলক প্ৰতিনিধিত্ব কৰা এই বলিষ্ঠ সংগঠনৰ দ্বাৰা হোৱা এনে ঘোষণাই অসমৰ অস্তিত্ব ৰক্ষাত কম অৱদান আগবঢ়োৱা নাছিল।

স্বাধীনোত্তৰ কালত নেপালীসকলৰ লেখত লবলগীয়া অৱদান সমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰূপে পূৰ্ণ সমৰ্থন আগবঢ়োৱা। স্মৰ্তব্য যে ভাষা আন্দোলনৰ অসময়ত কিছু সম্প্ৰদায়ে অসমীয়া ভাষাক ৰাজ্যিক ভাষা হিচাপে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। কিন্তু এনে ভাষিক সংকটৰ সময়তো অসমৰ নেপালী সকলে কোনো কাৰ্পণ্যতা নকৰাকৈ ১৯৬০ চনৰ ৰাজ্যিক ভাষা আন্দোলনক অসম আৰু বৃহৎ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। এই ভাষিক সংকটৰ মুহূৰ্তত সেইসময়ৰ অসমৰ একমাত্ৰ জিলাভিত্তিক নেপালী ছাত্ৰসংগঠন 'দৰং নেপালী ছাত্ৰ-সন্থাই কৈছিল —

"অসমত বাস কৰা নেপালীসকলে অসমীয়া ভাষাৰ ৰাজ্যিক ভাষা হিচাপে আন্তৰিকতাৰে সমৰ্থন কৰে। অসমৰ প্ৰায় সকলো নেপালীলোকেই অসমীয়াত কথা ক'ব পাৰে আৰু সংখ্যাগৰিষ্ঠই লিখিবও পাৰে। নেপালী ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত অসমীয়া বিষয়ক এটা মূল বিষয় হিচাবে গ্ৰহণ কৰিছে।[৫]

নেপালীছাত্ৰীসন্থাৰ এনে ঘোষণাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে ভাষা আন্দোলনত অংশ গ্ৰহণ কৰি তেওঁলোকৰ নিস্বাৰ্থ তথা উদাও দেশপ্ৰেমৰ ভাৱকেই উদঙাই দেখুৱাইছিল।

যি সময়ত ভাৰতৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ১৯৬২ চনৰ চীনা আক্ৰমণৰ পৰা অসমক একপ্ৰকাৰে ৰক্ষা কৰিব নোৱাৰি বুলিয়েই কৈছিল যাৰ ফলত সমগ্ৰ অসমবাসী ভীতিগ্ৰস্ত হৈছিল তেনে সংকটৰ বেলিকা নেপালীসকলে অসমীয়া ভাই বন্ধুৰ লগত ঐক্যবদ্ধ হৈ থাকি অকৃত্ৰিম অসম প্ৰেমৰ চিনাকি দিছিল। অসমৰ নেপালীসকলৰ প্ৰতিনিধ স্বৰূপ অসম বিধান সভাৰ সদস্য শ্ৰীবিষ্ণুলাল উপাধ্যায়ে নেপালীসকললৈ আহ্বান জনাই বিধানসভাত কৈছিল

"এইটো আমাৰ স্বদেশ প্ৰেম, ঐক্য আৰু ত্যাগৰ পৰিচয় দিয়াৰ বাবে এক সোণালী সুযোগ। দেশলৈ স্বাধীনতা আনিবলৈ যি ত্যাগ কৰিছিলোঁ–তাতকৈ একগুণ বেচি ত্যাগ কৰিবলৈ আমাৰ কাৰণে সময় আহিল। ভাৰত তথা অসমৰ সাৰ্বভৌমত্বক ৰক্ষা কৰিবলৈ অসমৰ নেপালীসকলে অন্তিম তেজ থকালৈকে প্ৰস্তুত থাকিব।"[৬]

নিসন্দেহে স্বাধীনতা আন্দোলনৰ সময়ৰ এজন বলিষ্ঠ নেতা আৰু বিধান সভাৰ সদস্য এজনৰ এনে আহ্বানে নেপালীসকলক অসম মাতৃক ৰক্ষা কৰাৰ অৰ্থে আগবাঢ়ি অহাত অনুপ্ৰাণিত কৰিছিল। দৰং নেপালী ছাত্ৰ সন্থায়ো দেশৰ তেনে সংকটৰ সময়ত একে ধৰণৰ মনোভাৱ প্ৰকাশ কৰি কৈছিল যে "দেশৰ সাৰ্বভৌমত্ব ৰক্ষা কৰিবলৈ আমি যি কোনো পৰিমাণৰ ত্যাগ কৰিবলৈ সাজু আছোঁ।" নেপালীসকলৰ এনে গোষণাই অসমীয়া নেতৃবৃন্দকো জাতি, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে চীনা সৈন্যৰ বিৰুদ্ধে যুঁজ দিবৰ আৰু মাতৃভূমিৰ ৰক্ষাৰ বাবে ওলাই আহিবলৈ দুগুণ উৎসাহ যোগাইছিল।

ৰাজ্যিক ভাষা সংকটৰ সময়ত লোৱা ভূমিকাৰ দৰেই ১৯৭২ চনৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম লৈ হোৱা আন্দোলনকো নেপালীসকলে সমৰ্থন কৰিছিল। ইয়াৰ কাৰণ হিচাবে দৰ্শাবলৈ হলে যিহেতুকে তেওঁলোকে অসমীয়া মাধ্যমতে শিক্ষাগ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ নিজা মাধ্যমৰ (নেপালী) শিক্ষানুষ্ঠানো সেই সময়ত প্ৰান নাছিলেই (কেৱল গুৱাহাটী আৰু ডিগবৈৰ প্ৰাইমাৰী স্কুলৰ বাহিৰে) সেইবাবে নেপালী ছাত্ৰ-ছাত্ৰীয়ে এই আন্দোলনক সমৰ্থন কৰাই যুক্তিযুক্ত বুলি বিবেচনা কৰিছিল। তাৰোপৰি অসমৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ বসবাস কৰা নেপালী লোকসকলে পৰিস্থিতি আৰু পৰিবেশ সাপেক্ষে অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰি অসমীয়া জনজীৱনৰ লগত মিলি যোৱাটোৱেই তেওঁলোকৰ বাবে কাম্য আছিল। যি কি নহওক, নেপালীসকলৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে অসমীয়া ভাষালৈ আগবঢ়োৱা অৱিহণাৰ বিষয়ে অমিয় কুমাৰ দাসেও এনেদৰে কৈ গৈছে–

"অসমৰ নেপালীসকলক লৈ আমি গৌৰৱ অনুভৱ কৰোঁ যিহেতু তেওঁলোকৰ মুঠ জনসংখ্যাৰ আধাতকৈও সৰহ সংখ্যকে অসমীয়া ভাষাক ঘৰত দ্বি-ভাষা হিচাবে ব্যৱহাৰ কৰে আৰু বৈবাহিক সম্পৰ্কও গঢ় লৈ উঠিছে।"

অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ নামত যি বিদেশী বহিস্কাৰ আন্দোলন ১৯৭৯ চনত আৰম্ভ হৈছিল সেই আন্দোলনে অসমৰ থলুৱা নেপালীসকলকো যথেষ্ট পৰিমাণে উদ্বিগ্ন কৰি তুলিছিল।

আন্দোলনৰ নেতৃবৃন্দই নেপালীসকলৰ বিষয়ে স্পষ্টভাৱে উল্লেখ·নকৰাকৈয়ে নেপালীসকলকো বিদেশী নাগৰিক বুলি লেবেল মাৰিছিল আৰু বিভিন্ন ঠাইত তেওঁলোকৰ ওপৰত উৎপীড়ন কৰা বুলি নেপালী সংগঠনবোৰে আপত্তি কৰিছিল। এই আন্দোলনে পুৰণি কালৰে পৰা থকা মধুৰ সম্পৰ্ক কিছু পৰিমাণে বিনষ্টও কৰিছিল। এনে পৰিস্থিতি স্বত্বেও নেপালীসকলে এই আন্দোলনক অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে আৱশ্যকীয় বুলি গণ্য কৰি যুক্তিযুক্ততাৰ আধাৰত ইয়াৰ সমাধান হ'ব লাগে বুলি দাবী কৰিছিল। এই আন্দোলনক তথা জাতীয় সংকটত ঐক্যমত প্ৰকাশ কৰি 'সদৌ অসম নেপালী ছাত্ৰ সন্থা'ই ভাৰতৰ প্ৰধানমন্ত্ৰীৰ হাতত ২৪ জুলাই ১৯৮০ চনত স্মাৰক পত্ৰ প্ৰদান কৰি এনেধৰণে দাবী জনাইছিল–

"The Nepali speaking people living in the North-Eastern Region share with the indigenous people of the region the anxiety and concern about the large scale influx of foreign nationals in this part of the country. Such influx, apart from creating fear-psychosis in the minds of the local people of being swamped by out-siders is also likely to endanger the security of the country....."৯

এই আন্দোলনত নেপালীসকলৰ এক বুজন অংশই অসম তথা অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলনত জপিয়াই পৰিছিল আৰু নিজৰ প্ৰাণ পৰ্য্যন্ত বিসৰ্জন দিছিল। তেওঁলোকৰ ভিতৰত কামৰূপ বকোৰ ধনবাহাদুৰ ছেত্ৰী, গোৱালপাৰাৰ ক্ষিৰোদ বাহাদুৰ তামাং, লক্ষীমপুৰৰ কুল বাহাদুৰ ছেত্ৰী আৰু পদ্ম বাহাদুৰ ছেত্ৰী, তেজপুৰৰ বৈজয়ন্ত্ৰী দেৱী আৰু গহপুৰৰ ভীম বাহাদুৰ তামাং যিসকলক আন্দোলনৰ নেতৃবৃন্দই শ্বহীদ[১০] বুলি ইতিমধ্যে ঘোষণা কৰিছে। অসমৰ থলুৱা-নেপালীসকলৰ সংগঠন সমূহে ভাৰত তথা অসম চৰকাৰক ১৯৭৬ চনৰ ৩০ জুলাই তাৰিখটো বিদেশী নাগৰিকক চিনাক্তকৰণ আৰু বহিস্কৰণৰ ভিত্তি বছৰ হিচাপে গ্ৰহণ কৰিবলৈ দাবী জনাই আহিছে যিহেতুকে উক্ত তাৰিখৰ পৰাহে খজ্জঢ়ণ্ডঞ্ছঙ্জজ ৰঢজজচ্ব জ্ঞঠঞ্ঙ ৰ ব্যৱস্থা কৰি অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলত প্ৰবেশত বাধা আৰোপ কৰা হৈছিল। অৰ্থাৎ এই নেপালী সংগঠনবোৰে যুক্তিযুক্ততাৰ আধাৰত বিদেশী নাগৰিকৰ অনুপ্ৰবেশ বন্ধ আৰু বহিষ্কাৰ কৰাৰ সমৰ্থন কৰি অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে অকৃত্ৰিম মানসিকতা প্ৰদৰ্শন কৰিছিল।

মুঠতে, অসমৰ নেপালীসকলে ৰাজ্যৰ যিকোনো জাতীয় সংকটৰ মুহূৰ্ত্ততে অসমীয়া জনসাধাৰণৰ আবেগ অনুভূতিৰ লগত নিজকে ওতঃপ্ৰোতভাৱে জড়িত কৰিছে আৰু অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগৰূপে পৰিচয় দিছে। বৃহৎ অসমীয়া জাতি যদি সৰ্বাঙ্গীন বিকাশ হ'ব লাগে তেন্তে অসমত বসবাস কৰা সকলো জাতি-উপজাতি তথা সম্প্ৰদায়বিলাকে ভাষা, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে অসমৰ স্বাৰ্থক নিজৰ স্বাৰ্থ বুলি উপলব্ধি কৰি নিজৰ অস্তিত্ব ৰক্ষাৰ লগতে অসমৰ অস্তিত্ব ৰক্ষাত নৈতিকতাৰে আত্মনিয়োগ তথা যৎপৰনাস্তি চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত অসমৰ সমৰ্গ নেপালী লোকে অতীজৰে পৰা অসমৰ ঐক্য তথা অস্তিত্ব ৰক্ষাৰ বাবে যেনেদৰে তেওঁলোকৰ ভূমিকা পালন কৰি আহিছে, ভবিষ্যতেও পালন কৰি যাব বুলি আমাৰ দৃঢ় বিশ্বাস।

## টোকা আৰু উদ্ধৃতিসমূহ


(১) Amalendu Guha, Planter Faj to Swaraj : Freedom Struggle and Electoral Politics in Assam 1826-1947, New Delhi, 1977, p. 125

(২) Bisnulal Upadhyaya, Chabilal Upadhyaya (in Assamese) Lawyers Book Stall, Guwahati, Assam, p. 32.

(৩) লক্ষেশ্বৰ হাজৰিকা 'অসমীয়া জাতীয় চেতনাৰ জাগ্ৰত প্ৰতীক ঃ ছবিলাল উপাধ্যায়", সাদিনীয়া নাগৰিক, ডিচেম্বৰ ৬, ১৯৭৯।

(৪) অসম গোৰ্খা সন্মিলনৰ প্ৰথম বাৰ্ষিক অধিবেশনত গৃহিত কৰা প্ৰস্তাৱসমূহ, গুৱাহাটী, ১ জানুৱাৰী, ১৯৪৭ চন।

(৫) মহাজাতি (অসমীয়া সাপ্তাহিক), নভেম্বৰ ৯, ১৯৭৩।

(৬) অসম বিধান সভাত বিষ্ণুলাল উপাধ্যায়ে দিয়া ভাষণাৱলীৰ অংশ বিশেষ।

(৭) নতুন অসমীয়া, অক্টোবৰ ২৭, ১৯৬২

(৮) Amiya Kumar Das, Assam's Agony, New Delhi, 1982, p. 215-16.

(৯) Memorandum Submitted to the Prime Minister of India, by the All Assam Nepali Students' Union on 24 July, 1980. New Delhi.

(১০) Reported in 'The Assam Tribune' August 15, 1997.*




# গোলোক ভূঞাচাৰৰ পবিত্ৰ স্মৃতিত

❑ শ্ৰীমতী ৰশ্মিৰেখা শৰ্মা
❑ শ্ৰী পদ্ম দলে

ফুল ফুলে আৰু কিছুদিন পাছতেই মৰহি যায়। কিন্তু এৰি থৈ যায় মিঠা সুবাস, আকৃষ্ট কৰে মানৱ মন। তেনেদৰেই কিছুমান ব্যক্তিয়ে জীৱনৰ অতি কম সময়তে নিজৰ মধুৰ ব্যক্তিত্বৰে সকলো লোককে মোহিত কৰি তুনি নিজ আদৰ্শ প্ৰতিষ্ঠা কৰি অকালতে এই সংসাৰৰ পৰা বিদায় লয়। ৺ গোলোক চন্দ্ৰ ভূঞাচাৰ আছিল তেনে এজন লোক। তেওঁ আছিল মিষ্টভাষী, বিনয়ী, সৰুবৰ সকলো লোককে আপোন কৰিব পৰা আদৰ্শ আৰু সাহসী শিক্ষক।

১৯৪২ চন। ভাৰত ত্যাগ আন্দোলন সমগ্ৰ ভাৰতজুৰি বিয়পি পৰা বছৰটোত কেৱল অসমৰেই নহয়, ভাৰতৰেই নহয় গোটেই বিশ্বৰে বৃহত্তম নদীদ্বীপ মাজুলীৰ আঁহতগুৰি মৌজাৰ চাৰণি গাঁৱত এপ্ৰিল মাহৰ ১ তাৰিখে গোলোক চন্দ্ৰ ভূঞাই জন্ম গ্ৰহণ কৰে। তেওঁৰ দেউতাক ডিম্বেশ্বৰ ভূঞা আৰু মাক ভেলেকী ভূঞা বৰ ধৰ্মপৰায়ণ লোক আছিল।

মাজুলীতেই প্ৰাথমিক শিক্ষা সাং কৰাৰ পাছত ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াত পৰি মাক-দেউতাকৰ সৈতে তেখেতৰ পৰিয়াল শোণিতপুৰ জিলাৰ গোপালপুৰত থাকিবলৈ লয়। সেই সময়ত সমগ্ৰ গহপুৰ অঞ্চলতে একমাত্ৰ হাইস্কুল আছিল গহপুৰ হাইস্কুল আৰু সেইখন বিদ্যালয়ৰ পৰাই ১৯৬২ চনত সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ তেখেতে দৰং মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰে। তাৰ পৰা ৰাজনীতি বিজ্ঞান বিভাগত অনাৰ্চসহ বি, এ পৰীক্ষা পাছ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম, এ ডিগ্ৰী লাভ কৰে। শিক্ষাৰ প্ৰতি প্ৰবল ধাউতী আছিল ভূঞাদেৱৰ। সদায় নিয়মানুবৰ্ত্তিতাৰে চলা ভূঞাদেৱে যিকোনো কামতে একানপতীয়াকৈ লাগি থাকিব পাৰিছিল।

পঢ়ি থকা কালছোৱাত কিছুদিন তেওঁ নোপালপুৰৰ নেহৰু হাইস্কুলত শিক্ষকতা কৰিছিল। ১৯৭২ চনত সমগ্ৰ ছয়দুৱাৰ অঞ্চলৰ বৃহৎ আৰু একমাত্ৰ মহাবিদ্যালয় 'ছয়দুৱাৰ মহাবিদ্যালয়'ত ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তাৰূপে সোমায়। শ্ৰেণীকোঠাত তেওঁ দিয়া বক্তৃতাবোৰ শুনি থাকিবৰ মন গৈছিল বুলি তেখেতৰ প্ৰায়বোৰ ছাত্ৰৰ মুখতেই শুনিবলৈ পোৱা যায়। শিক্ষক হ'লেও ছাত্ৰৰ লগত তেখেত বন্ধুৰ দৰেই মিলি থাকিব পাৰিছিল।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ উন্নয়নৰ কামত ভূঞাদেৱে দেহেকেহে খাটিছিল। ছাত্ৰ-ছাত্ৰীসকলক সৎ পথ বাচি ল'বলৈ তেওঁ উপদেশ দিছিল। পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বা নকল কৰা কাৰ্যক তেওঁ মনে-প্ৰাণে ঘৃণা কৰিছিল আৰু সেয়া এৰাই চলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক কৈছিল।

ভূঞাদেৱ এগৰাকী কৃতি শিক্ষকেই আছিল এনে নহয়, সামাজিক কামতো দেহেকেহে খাটি তেওঁ ভাল পাইছিল। নেহৰু হাইস্কুলৰ প্ৰতিষ্ঠাৰ সময়ত তেখেতে ইয়াৰ সম্পাদক হিচাবে গুৰি ধৰিছিল আৰু ছয়দুৱাৰ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা ইয়াৰ লগত জড়িত হৈ আছিল।

গোলোক ভূঞা নিৰহংকাৰী আছিল, মিষ্টভাষী আছিল। ১৯৭৯ চনৰ সাধাৰণ নিৰ্বাচনত জনতা পাৰ্টীৰ হৈ প্ৰাক্তন প্ৰধানমন্ত্ৰী চন্দ্ৰচেখৰৰ লগত ইয়াৰ সংগঠনৰ কামত ঘূৰি ফুৰিছিল।

১৯৭৫ চনত ভূঞাদেৱ নগাঁৱৰ জীয়ৰী গহপুৰ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী শ্ৰীমতী প্ৰণতি ভূঞাৰ লগত বিবাহপাশত আবদ্ধ হয়। দুয়োৰে যুগ্ম জীৱন বৰ মধুৰ আছিল।

১৯৯৬ চনৰ ১২ এপ্ৰিল তাৰিখে সকলোৰে মৰমৰ, অতি আদৰৰ ভূঞাদেৱে সমগ্ৰ ছয়দুৱাৰবাসী ৰাইজৰ লগতে তিনিগৰাকী কন্যা, এগৰাকী পুত্ৰ আৰু পত্নীক কন্দুৱাই ইহলীলা সম্বৰণ কৰিলে।

**'ভাঙি গ'ল বীণখনি চিঙি গ'ল তাঁৰ**
**বৈ গ'ল মাথো তাৰ অমিয়া ঝংকাৰ।।**

৺ গোলোক চন্দ্ৰ ভূঞাদেৱৰ তৃতীয় মৃত্যুবাৰ্ষিকীত আমি তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। *

"অসম চিৰকালেই কবিতাৰ দেশ। নৈসৰ্গিক সংগঠনৰ বৈচিত্ৰ্য আৰু বিভিন্ন ঋতুৰ লীলাই নিৰুপমা অসমক সজাই তুলিছে কবিৰ কাম্যভূমি কৰি।

# কবিতা

ৰূপে নিৰুপমা এই দেশৰ বৰ্ষাস্নাত জলবায়ুত ৰৌদ্ৰকৰোজ্জল উজ্জ্বল শ্যামলী ৰূপৰ আবেষ্টনীৰ মাজত, সেউজী পাহাৰৰ মনোলোভা ৰূপৰ পোহৰত কবিৰ চিত্তৰ গহনতম কোণত সহজেই অংকুৰিত হয় কবিতাৰ বীজ।"

# শিৰোনামা

❒ শ্ৰীযশোদা কোঁৱৰ
কাৰ্য্যালয় অধীক্ষীকা
ছয়দুৱাৰ মহাবিদ্যালয়

তেজৰ তুম্‌কলিৰে
চতুৰ্দ্দিশত বিয়পি পৰা সেয়া কিহৰ
সুতীব্ৰ সুঘ্ৰাণ;
আকাশ বতাহ আৰৰি ৰজনজনাই থকা
মৰ্ম্মস্পৰ্শী ধ্বনি, বন্দুকৰ গুলীয়ে কঢ়িয়ায়
কিহৰ ইংগিত?
যুদ্ধকামী পৃথিৱীত
নিৰ্ম্মল নে শান্তি স্থাপন কৰাৰ?
ৰাজনীতিৰ কৰ্ণধাৰ সকলৰ কণ্ঠত আজি
কিহৰ আস্ফালন
যুগৰ গাণ্ডীৱ নিজৰ হাতত লোৱাৰ নে
যুগ সন্ধিক্ষণত নিজেই নতুন
পুৰুষ হোৱাৰ?
বৰ্ব্বৰ দলৰ হাতত অসহায়, নিপীড়িত
নিস্পেষিত জনতাৰ
করুণ আৰ্ত্তনাদ
এয়া নিৰ্লজ্জ নগ্নতাত ডুবা নে গণতন্ত্ৰ
প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা?
ধৰ্ষিতা, লাঞ্ছিতা, ৰমণীৰ চকুৰ লোতকত,
বৃন্তচ্যুত শেৱালীৰ বোবা বেদনাত ফুটি উঠে কিহৰ
প্ৰতিচ্ছবি
নিজক নিঃশেষ কৰাৰ নে জীয়াই থকাৰ দুৰন্ত
হাবিয়াস?
প্ৰশ্নমুখৰতাত প্ৰতিটো মুহূৰ্ত্ত মোৰ অভিসাৰী হৈ
দুলি থাকে দেওঘৰৰ
নাচনীজনীৰ উত্তাল ছন্দত।
মযে়
লব বিচাৰো আজি ৰাজতন্ত্ৰৰ দণ্ডদাল
জিঘাংসাৰ মূলোচ্ছেদত
সততা থাপি
বোৱাই দিবলৈ প্ৰেমৰ পলসুৱা নদীখন
সহবাস ঘটাবলৈ সেউজ কোমল
বিশাল আকাশ খনৰ
স'তে। ◆◆



# সময় আজি দুঃসময়

❒ শ্ৰীকবিতা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ
অৰ্থনীতি বিজ্ঞান বিভাগ

ৰক্তাক্ত সময়ৰ উত্তাল তৰংগত
উটি ভাঁহি ফুৰিছে আজি,
অসমী আইৰ অলেখ আশাভৰা
ৰঙীন সপোন।
দুঃসময়ৰ উত্তাল নদীয়ে
অসমৰ চৌদিশে বোৱাইছে আজি
হত্যা, লুণ্ঠন আৰু
ধ্বংসলীলাৰ সোঁত।
সময়ৰ নিষ্ঠুৰ আহ্বানত
আজি অসমৰ চৌদিশে নিতে,
মানৱতাৰ অপব্যৱহাৰ।
নীল গগণত সঘনে আজি
বিজুলী, ঢেৰেকনী আৰু
বজ্ৰপাতৰ সমাহাৰ।
আজি অসম মাতৃৰ চৌদিশে
শুনিছো কেৱল,
ক্ষুধাৰ্ত আৰু নিৰ্যাতিত জনতাৰ
কান্দোনৰ ৰোল।
আজি ক'তোৱেই নেদেখো
আনন্দৰ জিলিঙনি,
আশা আৰু সপোন।
কাৰণ
সময় আজি দুঃসময়।◆◆

## চিৰনিদ্ৰাৰ কোলাত তুমি আৰু মই

❑ শ্ৰীমুকেশ শৰ্মা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

যোৰাকালি পোছাকী নামটো সলালো।
সৰ্বাংগতে সানি ল'লো অতিন্দ্ৰিয় আবেশ,
দেহাটোত যে আবৰি ল'লো বগা কাপোৰ
যেন এক মায়াৱী সপোন।
স্বপ্নাৱিষ্ট মোহেৰে বিচাৰিছিলো প্ৰেম
জীৱনৰ মায়াময় সন্ধিক্ষণৰ মাজে –
কিন্তু হায়!
নেপালো যে সঁচা প্ৰেম
যেন প্ৰেম এক মৰুভূমিৰ মৰিচিকা।
কিন্তু! এয়া কি!
ওচৰতে যে আৰু এটি চিতা!
উস! নিষ্ঠুৰ বিধাতা!
সেয়া যে চিৰনিদ্ৰাত মোৰেই প্ৰিয়তমা,
মুখখনিও যে কেনে নিলিপ্ততাৰে (?) ভৰা।
যেন বৰষুণৰ পিছৰ ৰামধেনুৰ আভা।।
এতিয়া, নিবিচাৰো–
সেই স্বাৰ্থপৰ সমাজ আৰু
নাম নামৰ পোছাকযোৰ
মাথো বিচাৰো–
জুই, ছাঁই, পোৰা মঙহৰ গোন্ধ
আৰু
নিশেষ হৈ যাব পৰাকৈ
অপৰ্য্যাপ্ত নিলাজ সময়।
কাৰণ,
এতিয়া মোৰ সমাজলৈ লাজ (ঘৃণা?) লাগিছে।◆◆

## আই, মোক আশীৰ্বাদ দে

❑ শ্ৰীকল্পনা দেৱী
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

*আই,*
*তই আৰু কিমানদিন সহিবি*
*ইহঁতৰ যাতনা?*
*নিচাৰ ৰাগিত লম্পটহঁতে*
*তুলিছে অট্টহাস্য অশ্লীলতাৰ।*
*তোৰ আগতেই ক'ত বোৱাৰীৰ*
*মছ গ'ল কপালৰ ৰঙাফোট*
*ক'ত জীয়ৰীৰ হেৰাই গ'ল কুমাৰীত্ব।*
*আমাৰ সুন্দৰ সংসাৰ আজি*
*সিহঁতে লণ্ড-ভণ্ড কৰি*
*পাতিছে সিহঁতৰ লীলা থলী।*
*নিৰৱে আৰু কিমানদিন সহিবি*
*ইহঁতৰ যাতনা?*
*তোৰ নিথৰ চকুৰ ভাষা*
*বেদনাশিক্ত হৃদয়ৰ তাড়না*
*মই বুজি পাওঁ আই।*
*তুঁহ জুইৰ দৰে উমি উমি জ্বলিছে*
*অগ্নিশিখা মোৰ অন্তৰত,*
*মই আৰু চাই থাকিব নোৱাৰো*
*মাতৃ-ভগ্নীৰ প্ৰতি কৰা যাতনা*
*আই,*
*তোৰ বুকুৰ অমৃত পাণ কৰিছোঁ মই,*
*বাহুত আছে বল*
*বুকুত আছে সাহস*
*নিজৰ প্ৰতি আছে বিশ্বাস*
*মোক আশীৰ্বাদ দে, আই*
*ইহঁতক দিও মই চিৰ বিদায়।।*◆◆

### কৌতুক

কলেজৰ হোষ্টেল প্ৰাংগনত ভদ্ৰমহিলা এগৰাকীয়ে ঘূৰা-ঘূৰি কৰি আছিল। এনেতে গাভৰু ছোৱালী এজনী আহি মহিলা গৰাকীক সুধিলেহি আন্টি, ৰুম নং ১৪ত থকা কৰণ নামৰ ল'ৰাজন ক'লৈ গৈছে আপুনি ক'ব পাৰিবনে?

মহিলাই মৰমেৰে সুধিলে – তুমি ল'ৰাজনৰ কি হোৱানো?

ছোৱালীজনীয়ে তৎক্ষণাত ক'লে – মই তেওঁৰ সৰু ভনী।

মহিলা গৰাকীয়ে প্ৰাণ খুলি হাঁহি ছোৱালীজনীক গালে-মুখে হাত ফুৰাই ক'লে – এ আই, মোৰ নিজৰ সৰু ছোৱালীজনীকে মই চিনি পোৱা নাই।

সংগ্ৰহ ঃ শ্ৰীদ্বীপ দলে
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

# ? বিস্মৃতি

❐ শ্ৰীঅজিত পাটগিৰি
স্নাতক ২য় বাৰ্ষিক (কলা)

উৰি ফুৰা মেঘৰ দৰে
আহিলা তুমি কিয় আপোন মনে
মোৰ সঞ্চিত এটি শব্দ
বতাহৰ দৰে.....
আঙুলিৰ মূৰত ঘূৰি ঘূৰি থাকে।
ঘিটমিটীয়া আন্ধাৰ ৰাতি
তুমি মোৰ হৃদয় ৰাজ্যত
হাঁহি মনেৰে কি বিচাৰিছা!
নোপোৱা আৰু দুনাই
তুমি আৰু নাহিবা।
ফুল হৈ নুফুলিবা
মোৰ কল্পনাৰ কক্ষপথত
নালাগে মোক স্মৃতি
লাগে মোক বিস্মৃতি
তুমি আৰু নাহিবা।◆◆

# নিশাৰ সপোন

❐ শ্ৰীপ্ৰশান্ত মুদৈ
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

দৌৰি আহিছে এজাক মানুহ
হাতত একুৰা জুই লৈ.....,
শুনিছো আপোনজনৰ হিঁয়া ভৰা কান্দোন
কৌলে বাৰু আহিছে সিহঁত......?
নিদ্ৰামগ্ন মই এখনি শুভ্ৰ-বগা চাদৰৰ তলত,
নিগৰি আহিছে মোৰ দুচকুৰ পানী;
কঁপি উঠিছে বেদনাৰে ভৰা হৃদয়াশ্ৰু!
তেতিয়া বিচাৰিছোঁ কাষত কাৰোবাক পাবলৈ?
ধৰিব বিচাৰিছে মোক বিচনাত শোৱাই দিবলৈ,
কেইপাঁহমান ফুলো চটিয়াই দিছে মোৰ গালে
কিন্তু! কি হৈছে এয়া মই নাজানো,
কিয় বাৰু আহিছে সিহঁত....??
হঠাতে সূৰ্য্যৰ গোহৰত কাপোৰখন নাইকিয়া হ'ল,
বাহিৰৰ কাউৰী মাতত সাৰপাই উঠি,
দেখিলো মোৰ কাষততো কোনো নাই
ভাবিলো এইয়া নিষ্ঠুৰ সপোনৰ পৰিহাস!!!◆◆

# কৃষ্ণচূড়া

❐ শ্ৰীএঞ্জেলিকা বৰা
প্ৰাক্তন ছাত্ৰী



কৃষ্ণচূড়াৰ তেজাল পাহিত
চকু থলেই দেখা পাওঁ
সংগ্ৰামী জনগনৰ দূৰ্জ্জেয় গতি
যেন সাৰ পাই উঠে
নিৰ্জ্জনতাৰ আঁৰে আঁৰে
গভীৰতম প্ৰত্যয়দীপ্ত কণ্ঠস্বৰ
জনগনৰ,
হৃদয়ভৰি আছে যি প্ৰেমৰ নিজৰা
কণ্ঠভৰি আছে যি গীতৰ সুৰ
সেই প্ৰেমৰ নিজৰাৰেই
সেই গীতৰ সুৰেৰেই
ধৰণী কঁপাই
জগাই তোলা
যেন
মোৰ সুজলা-সুফলা দেশৰ
নতুন প্ৰভাতক।
ন আলোকক।◆◆

## তোমাৰ বাবেই কবিতা

❒ শ্ৰীমিনু দুৱৰা
স্নাতক ১ম বৰ্ষ (কলা)

মই তোমাৰেই কবি
ৰক্ত জবাফুলৰ দৰে
ৰ'দৰ ৰসেৰে,
বসন্তৰ ৰক্তিম কণ্ঠেৰে
ভৰাই তুলিছো কলম
কেৱল তোমাৰ বাবে।
মই ক'লা ডাৱৰৰ পৰা
শব্দ গোটাও তোমাৰ বাবে
সুললিত সঞ্জীৱনী ধুমুহাৰ
পৰা ভাষা বুটলোঁ,
তোমাৰ বাবেই
নীলা আকাশখনক কাগজৰ
দৰে পাতি লওঁ
কলম বুলাবৰ বাবে।
চহৰৰ কোলাহলৰ পৰা
গোটাই লওঁ মুঠি মুঠি অনুভৱ
সেই আটাইবোৰ সু-সংমিশ্ৰনতে
তুমি
আৰু তোমাৰ বাবেই মোৰ হৃদয়
কবিতা
মই তোমাৰেই কবি।◆◆



## আশাবোৰ জীয়াই থাকে

■ শ্ৰীদেৱজিৎ বৰা
লেব'ৰটৰি এছিচটেন্ট

মই ভাগৰি পৰিছোঁ
বৰ নিষ্ঠাৰে,
আশাৰ সোণালী কিৰণবোৰ
আগবাঢ়িয়েই আছে,
ক'ৰবাত মিলন হোৱা হ'লে
ভালপোৱাৰ কবিতাবোৰ।
তুমি জানো ক'ব পাৰিবা
কালিলৈ মোৰ কি হ'ব?
সেয়ে আজিয়েই দিয়া
কালিলৈ কিয়?
ক'ত মই হেৰাই যাম
এই পৃথিৱীখন ক'লৈ যাব,
হেৰাই যাব এই দিন
ক'ত আৰু কেতিয়া
নেপাম কিন্তু তোমাক।
কেতিয়াবা সেই
শুকুলা নদীৰ পাৰত
আবেলিৰ নিৰ্জনতাত
এই স্মৃতিৰ আবেশত
হয়তো এদিন উঠিব ৰক্তিমহৈ
মোৰ দুচকু!!
সঁচাকৈ আজি.....,
মই ভাগৰি পৰিছোঁ
বৰ নিষ্ঠাৰে।◆◆

## তোমাৰ অপেক্ষাত

❒ শ্ৰীৰুমী দে
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)



শৰতৰ স্নিগ্ধ সন্ধিয়াত
তুমি আহিবা।
(মই) সাজি-কাচি ধুনীয়াজনী হৈ
সকলোৰে গোপনে তোমাৰ বাবে
সুগন্ধিত শেৱালীৰ তলত ৰৈ থাকিম।
তুমি নাহিলে ....
তোমাৰ শপত
শেৱালীৰ উচুপনিৰ সতে সুৰ মিলাই
ৰৈ থাকিম
চিৰকাল তোমাৰ অপেক্ষাত।◆◆

# ৰাতি নিৰ্জন নদীৰ দৰে

❑ শ্ৰীপৰাগজ্যোতি বৰুৱা
স্নাতক ১ম বাৰ্ষিক (কলা শাখা)

*তোমালোকে মোক চিনি নাপালা*
*তেওঁলোকৰ কোনেও মোক চিনি নাপালে।*
*মোৰ কামিজৰ বুটাম খুলি বুকুখন দি দিলোঁ।*
*তোমালোকে নললা*
*তেওঁলোকেও নললে।*
*তেতিয়াৰে পৰা*
*মোৰ বুকুত কঢ়িয়াই ফুৰিছোঁ এটুকুৰা ঘাঁ।*
*নেলছন মেণ্ডেলা—*
*তোমাৰ দুৰ্জয় বাসনা*
*আজি কাৰাৰুদ্ধ!*
*হে পিতা*
*তোমাৰ আদৰ্শ আৰু শান্তিৰ চৰাই জুৰিক*
*ভণ্ড আজিৰ সভ্যতাই*
*কবৰ দিলে তোমাৰেই কবৰত*
*ঋগ্বেদ খহি পৰে*
*সিহঁতৰ উলঙ্গ নৃত্যত।*
*হে সৃষ্টিৰ অমৃত সন্তান, সভ্যতাক আজি*
*উদগ্ৰ ধ্বংসৰ নিচাই (তোমাৰ কৰিছে উনানা)*
*বাৰুদেৰে তুমি সৰগ ৰচিবা!*
*সভ্যতা সোণালী আলোৰে*
*যুগে যুগে দীপ্তমান এই সভ্যতা*
*ক্ৰুৰ আৰু সৰ্পীল গতিৰে*
*নামি আহে আজি*
*উটৰ ডিঙিৰ দৰে দীঘলীয়া ছাঁ*
*পোহৰৰ চব ৰং গিলি ল'লে।*
*তোমালোকে মোক চিনি নাপালা*
*মই বিচাৰি ফুৰিছোঁ ঈশ্বৰ ক'ত?*
*মোৰ জীৱনৰ জুইৰে সেকি লৈছোঁ*
*মোৰ দুয়োখন হাত।*
*তোমালোকে মোক চিনি নাপালা*
*তেওঁলোকৰ কোনেও মোক চিনি নাপালে*
*নিসঙ্গ এই আত্মা মোৰ*
*ৰাতিৰ নিৰ্জন নদীৰ দৰে*
*হাহাঁকাৰ—*
*কৰুণ, ৰিক্ত।◆◆*

# এই অসমেই ৰহঢলা পথাৰ

❑ শ্ৰীজীৱন কাকতি

এই ৰহঢলা পথাৰতেই
এই জোপা আহঁতৰ তলতেই,
এতিয়া য'ত পৰি আছে,
মানুহৰ লাওখোলা তেজৰ ডোঙা
ইয়াতেই গাইছিল সেই ডেকা গাভৰুবোৰে
উতলা আবেগত প্ৰেমৰ মাতাল ৰাগত
''বহাগী ঐ আকৌ আগমন।''
এই বন্দুক থকা ল'ৰাটোৰ কান্ধতেই আছিল
ঢোল পেঁপা গগনা।
এই ধৰ্ষিতা ছোৱালী জনীয়ে,
পিন্ধিছিল মুগাৰ সাজ
মহুৰাৰ দৰে ঘূৰি ঘূৰি নাচিছিল।
এইডৰা হাবিৰ মাজৰ গছত বহি কুলিয়ে কেতেকীয়ে
অসমীক বিহুলৈ মাতিছিল।
য'ত এতিয়া বন্দুক বাৰুদৰ ধোঁৱা ওলাইছে।
এই ৰহঢলা পথাৰৰ এটি নাম 'অসম'
য'ত ভৰি আছে এতিয়া হত্যা, লুণ্ঠন, ধৰ্ষণ আৰু অপহৰণ।◆

## কৌতুক



মানুহ এঘৰত দুজন বন্ধু একেলগে ছোৱালী চাবলৈ আহিল। মানুহঘৰত মাত্ৰ ছোৱালী এজনী। আলহীক চাহ খাবলৈ দি মাক ভিতৰলৈ সোমাই গ'ল আৰু বাহিৰত আলহীৰ লগত বহি থকা জীয়েকক সুধিলে —

মাক ঃ মাজনী তামোল ক'ত আছে?
জীয়েক ঃ আই ডোনত।
ছোৱালী চাবলৈ অহা আলহী দুজনে ভাবিলে বাহ ঃ ছোৱালী জনীয়ে ইংৰাজী ক'বওঁ জানে আৰু তাৰে এজনে সুধিলে—
আলহী ঃ In what class do you read?
জীয়েক ঃ ওঁ দাদা সেইটো Lesson আমাৰ class ত পঢ়োৱা নাই।
বন্ধু ঃ (আচৰিত হৈ পূণৰ সুধিলে) What is your name?
জীয়েক ঃ ই দাদা আপুনি ইমান অসভ্য পায়। আয়ে শুনিলে ইয়াৰ পৰা খেদাই পঠাব।

শ্ৰীমমী বৰা
স্নাতক ঃ প্ৰথম বৰ্ষ (কলা)

## কল্পনা

শ্ৰীমতী সংগীতা মহন্ত
উচ্চতৰ মাধ্যমিক (১ম বৰ্ষ)

মনৰ মাজত ফুলিছিল এদিন
মনে বিচৰা এপাহ ফুল,
ৰঙে বিৰঙে সাজোনে কাচোঁনে
কৰি তুলিছিল মন বিয়াকুল।
লহপইকৈ বাঢ়ি আহিছিল
বাধা নেওঁচি ঠেঙুলিবোৰ,
নিজকেই নিজে চিনিব নোৱাৰি
হৈছিল এদিন নিজে মছগুল।
ফাগুণৰ দৰে এজাক বতাহে
মোহাৰি পেলালে পাহিবোৰ,
পুণৰ জানো ঠন ধৰি উঠিব
মনে বিচৰা সেই পাহ ফুল?◆◆

## বৃশ্চিক

শ্ৰীপ্ৰদ্যুত বৰুৱা
উ. মা. ১ম বৰ্ষ (বিজ্ঞান)

কবিতা লিখিব লাগে এটা
প্ৰতিবাদী শব্দৰে

শোষণ, দুৰ্নীতি আৰু....
ষোল্লটা বসন্তই গৰকা মই কবিয়ে

যুৱ উশৃংখলতাৰ কবিতাকে লিখো
আমি তললৈ গৈছোঁ
স্খলন হৈছোঁ ......

বাৰু;
প্ৰতিবাদী শব্দৰেই লিখিলো
ইয়ো এক দুৰ্নীতিয়েই বুলি।◆◆



## বোকা

শ্ৰীদুলেন বৰা
স্নাতক প্ৰথম বৰ্ষ
অসমীয়া বিভাগ

*মই গম পাই তেওঁক ধেমালিতে ক'লো,*
*"ভাল পাওঁ" বুলি।*
*কিন্তু তেওঁ ধেমালিতে নহয়, সচাঁকৈয়ে ভাল পালে।*
*অলপ পিছতে সাঁকোখন লৰিবলৈ ধৰিলে;*
*বুঢ়া গৰুৰ দাঁতৰ দৰে।*
*নাভাগিল যদিও কঁপনি কমা নাছিল।*
*শেষত যেনিবা কোনোমতে পাৰ পালে।*
*মোৰ হ'লে বৰ ভয় লাগিছিল;*
*এবাৰ মাজতবৈ যেতিয়া চাৰিওফালে চকু ফুৰাইছিল।*
*ভয় নাই; বোধহয় ভাগৰতহে জিৰাইছিল!*
*পিছত যেনিবা কথাটোৰ তৎ ধৰিলো।*
*ধেমালি নকৰাই ভাল; বাটটোহে বোকা হয়।* ◆◆

# দুটি কবিতা

❑ শ্ৰীগায়ত্ৰী গোস্বামী
প্ৰাক্তন ছাত্ৰী

মই মোৰ পথেই শুদ্ধ বুলি
পশ্চিমৰ পৰা পূৱলৈ গতি কৰিলো
মই যেতিয়াৰ পৰা অহা যোৱা কৰোঁ
বাট সেউজীয়া মন, সেউজীয়া শস্যশ্যামলা পথাৰ।
মই যেতিয়া গৈ আছিলোঁ,
ভাবিছিলো সোণৰ জখলাত উঠিলো
কিন্তু ক'তা......
কিছুদূৰ গৈয়েই মই ৰুদ্ধ কৰি দিলো মোৰ
উভটি অহাৰ পথ।

(২)

জীৱনৰ প্ৰতিটো ক্ষণত পল অনুপলে
তোমাক মই কাষত বিচাৰোঁ,
সেইয়া যেন মোৰ ৰাতিৰ একোটা দুঃস্বপ্ন
দিঠকত দেখো তুমি শুই আছা কবৰৰ গুলত
অ' মোৰ সোণামুৱা আছলৰ ধন
তুমি এৰি থৈ গৈ কি দিলা মোক
কপালত সেতা এটি জোনৰ পোহৰ
আৰু এজোৰ বগলীৰ পাখি যেন সাজ
নতুবা নিমাওমাও মুখত
ঘোলা পৰা ৰ'দৰ আলৈ আথানি
সেইবোৰে মোক বৰকৈ আমুৱায়
কাষত তুমি নাই/তুমি নাই
মোৰ ভ্ৰূণত মই পুহি ৰাখিছোঁ তোমাৰ বাবে আজিও
শুকুলা উৎসৱৰ সেউজীয়া জোনাক। *

# অনন্য অৰণ্য

❑ শ্ৰীদুৰ্গাপ্ৰসাদ সভাপণ্ডিত
প্ৰৱক্তা, অসমীয়া বিভাগ

অনন্য জনঅৰণ্যত
ভাওনাৰ পূৰ্ব্বৰ'দ
চৌদিশ কোলাহল
কোৱা-ককিলৰ
কুৰুক্ষেত্ৰ।
অশ্বস্থামাৰ শীতল ছাঁত
সিংহ শৱনৰ ঋতুৰাগ
ৰোমাঞ্চকৰ আলাপন।
প্ৰস্তাবনাত পাতন সম্ভাৰ
গজৰাজৰ পাৰত পিচলে
হংস-কীটৰ ফৰমান।
এনেহেন ময়ুৰ পংখীত
বন্যাৰ পাহুৱাল বিস্তাৰ।
জন-অৰণ্যত দিবা খোজ
লেখি লেখি, দ্বিগ্বীজয়ৰ।
অৰণ্যৰাজৰ তীৰ্থ গমণত
বিহবল মৃচ্ছকাটিকাত
আলোৰিত কৰ্ণ।
আগুৱ গুৱ মাগুৱ নাচে,
গদোত্ৰীৰ পাৰে পাৰে
অসহ্য অৰণ্যৰ জন-ক্লান্তিত
পুৰাম পুৰুষে নাচে
লয়লাস ভঙ্গীমাৰে।
ঢেকীয়াপতীয়া উদৰত
নৃসিংহ যজ্ঞ।
মুখ, গৰ্ভ আৰু শীৰ্ষত
অৱমৰ্শনৰ দিগন্ত জ্বলে,
প্ৰসৃতি যন্ত্ৰণাৰে।
নিৰ্বহনত মেদলস্য
সঞ্চালয়ৰ মুক্তিমঙ্গল
জন অৰণ্যৰ ভটিমা জ্ঞাপন। *

## শোষণকাৰীৰ আন্ধাৰ

❑ শ্ৰীপদ্ম দলে

পিতৃ-মাতৃৰ ৰক্তেৰে প্ৰজ্বলিত
বন্তি মই.........।
কুৰি শতিকাৰ মই এজন
বিপ্লৱী যুৱক........।
ময়েই সহস্ৰ বিক্ষুব্ধ জনতাক
নতুন কিৰণেৰে আলোকিত কৰিম।
ময়েই সভ্যতাৰ প্ৰাচীৰ ভাঙি,
দাঙি ধৰিম ভৱিষ্যতৰ ৰাঙলী সূৰ্য্যটো।
শোষণকাৰীৰ আন্ধাৰ নাশি
সংস্কৃতিৰ বীজ সিঁচিম।
মোৰ আশা, মোৰ ইচ্ছা
পৃথিৱীত শান্তিৰ বন্তি জ্বলাই
দিশহাৰা জনতাক নেতৃত্ব দি
বিশ্বক পুলকিত কৰিব পাৰো।
মাথো পোহৰেৰে........। *



## জয় আই অসম

❑ শ্ৰীভৱেশ চন্দ্ৰ বৰুৱা
গুৱাহাটী

*কলিজাৰ তেজেৰে লিখা*
*ডাঙৰ ডাঙৰ দেৱালবোৰ*
*কোনে মচিব খোজে*
*হে আই অসমী মোৰ?*
*দিম তেজ নিদিও দেশ*
*মহাত্মা, লাচিত, মুলাগাভৰু আমি*
*বিজয় ধ্বজ্জা উৰুৱাম আমি*
*এই খনেই মোৰ অসম দেশ।*
*ককাঁলত টঙালি বান্ধি*
*আগুৱাই যাম আমি*
*বিদেশীক আশ্ৰয় নিদিও আমি*
*ধৰিম বীৰৰ বেশ 'জয় আই অসম'*
*এই খনেই মোৰ অসম দেশ।* *



## শেষ মৰম

❑ শ্ৰীপুষ্পজ্যোতি কলিতা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (বিজ্ঞান)

নাই মোৰ দুচকুত এতিয়াও টোপনি
শোকে-দুখে জৰ্জৰিত পলবোৰ আছোঁ মাথো গণি।
তথাপি বাৰে বাৰে উজাগৰী নিশা
ইয়েই মোক আমনি দিয়েহি কিয়বা ?
য'তে ত'তে আছে মাথো স্মৃতিৰ মৰিশালী
নাই কোনো প্ৰেৰণা তাত ভাৱিলেও আছে বুলি।
চকুলোৰ শীতলতাও নোৱাৰোঁ আৰু সহিব
দুচকুত নোৱাৰোযে এন্ধাৰ আৰ আঁৰিব।
মৰণক আঁতৰাই ৰাখিছানে তুমি
আজিও একে হৈ আছেনে হৃদয় খনি?
এতিয়াযেন মই বহুদুবণিৰ পৰা
প্ৰতীক্ষা কৰি আছোঁ তুমিয়েই অহা।
আহিবনে কেতিয়াবা মোৰ তেনেকুৱা ক্ষণ
দুহাতত ফুল লৈ দিবাহি শেষ মৰম! *

# তিনিটা কবিতা

❑ শ্ৰীমাধৱ বৰা
প্ৰবক্তা, অসমীয়া বিভাগ



(১)

উজনি ভাটী লাগিছে গাত
বৰষুণ এজাক দিলে বুলিয়েই
উকিয়াই আহেনে তেনেকৈ
তোৰ গাটো লাগিল হ'বলা
নাহৰ, তগৰৰ গাভৰু হাত
চুলিকোছা বান্ধি ল
বুকুৰ মাজত গুজি ল বুকুৰ সোৱাদ
সপোন এটাহে দেখিছিলোঁ
গগণাৰ লিহিৰি মাতত তোৰ চকুৰে হাঁহে
কঁপনিৰ জোখাৰে কলিজাত উম এটা জাগে
গুণ্‌গুণাই গুণ্‌গুণাই ওঁঠত
অ' চেনেহী ৰম্‌ৰমকৈ পুৰিছে
ঘন ঘনকৈ পৰিছে মনত
তই বাৰু জাননে
দিহিঙে দিপাঙে কোনটো বাটে এতিয়া জোনাক
তিতি তিতি আহি তিয়াই দিলিহি মোৰ মাত
জুই একুৰা জ্বলিছে গাত।

(২)

গৰখীয়া বাঁহীৰ মাতৰ অৰ্থই সঁচা
তুমিয়েইতো কৈছিলা
সেউজীয়া দিনবোৰত ছাঁ পৰি আহিছে
ইমানকৈ ধোঁৱা উৰিছে
ৰ'দ বৰষুণ বুলিবলৈ নাই
হকে বিহকে মানুহবোৰ মৰাশ
কোনে চুব পাৰিব এতিয়া আকাশৰ ৰং
জ্বলি জ্বলি শেষ হৈ অহা নক্ষত্ৰৰ বৰণ
আলিবাটত এটা ছাঁ দিবলৈ
বতাহে জিভা মেলি দিয়াৰ পাছতো
লুকাই থকা জোনটো দেখুৱাবলৈ
শিলবোৰৰ বুকুৰ স্পন্দন আৰু চিৎকাৰ
বিদ্ৰোহী তেজত অনুভৱ কৰিবলৈ
আহিবনে উজাই এমুখ মেঘ এখন ৰামধেনু
নদীখনে বিনাইছে ক'ত
শুনিছেনে সিহঁতে
কি যন্ত্ৰণাত গোটেইখন জগত
ৰাতিতো আৰু কিমান দীঘল হ'ব
ঘন ঘনকৈ উশাহ লৈ
হাবিখন এতিয়া ঘোপমৰা নিজান
তুমিয়েইতো কৈছিলা
ইমান নিজানতো তুমি সাৰে আছা
চকুৰ আগেদিয়েই চক্‌খোৱা বগলীজাক
উচপখাই গুচি যোৱা জোনটো উভতি নহালৈকে
সাৰে থাকিব জোনাক
বতাহত বৈ বৈ কাৰ মাত শুনিছিলা
চিঞৰি চিঞৰি কোনে কৈছে কাক
পৃথিবীখন সাৰে আছে এজাক বৰষুণৰ আশাত

(৩)

বহুদিন অসুখত গা মন বেয়া
তিলে তিলে গোটেই মানুহটো মৰিছোঁ
দুকুৰিৰ ডেওনা পাৰ হ'বলৈ
এতিয়াও আছে একুৰি বছৰ বাকী
ডাঙৰ হৈ জানিছিলো
গুটিৰ পৰা গজালি তাৰ পিছত গছ
গছেই ছাঁ পাতবোৰ পোহৰত সেউজীয়া
তাতে চৰাইবোৰৰ চুপতি
কোৰ্হালত ডালপাত সৰায়
প্ৰেমৰ ভৰত দোঁ খাই
তালৈকে উভতি আহে বেলি
সেই বাবেই নেকি
পোন পাজৰ হৈ ওপৰ মুৱা হৈছোঁ
তিতা কাপোৰৰ ভাঁজ এটাই সপোনত আমনি কৰা দেখিছোঁ
আকাশখন চুই চাবলৈ
সেমেকা মাতৰ চৰাইটোক
কান্ধত তুলি বতৰটো দেখুৱাবলৈ
নাহৰ গছ এজোপা হৈছোঁ
গম পাবনে তহঁত ঋতুবোৰে
শাৰীপতা জোনাকী পৰুৱাবোৰে
মইও তহঁতৰ একান্ত লগৰীয়া। *

'চুটিগল্প যেন এটি পাখিলাগী পখিলা। নাচি নাচি উৰি আহে এক লহমাৰ বাবে এটা সুন্দৰ ফুলৰ পাহিত বহি মৌ চোঁহে, তাৰ পাছত উৰা মাৰি কোনোবাখন পায়গৈ। আমাৰ চকুৱে বন্দী কৰিব পাৰে মাথোন তাৰ এক লহমাৰ আকণ্ঠ মধুপান।''

# গল্প



# ছাঁয়া প্ৰচ্ছাঁয়া

❑ খগেন গোস্বামী (উপাধ্যক্ষ)

অলপ সময়ৰ আগতেই বিপ্লৱক অস্ত্ৰোপচাৰ কক্ষলৈ অনা হ'ল। সি সু-সজ্জিত কক্ষটোৰ চাৰিওফালে এপাক চকু ফুৰাই চালে। সজাই থোৱা 'এপাৰেটাচ' বোৰ দেখি তাৰ অলপ ভয়ো লাগিছিল। তথাপি সি মনলৈ পৰিৱৰ্ত্তন আনি নিজকে সাজু কৰিলে। যোৱা কালিয়েই তাৰ সকলো পৰীক্ষা শেষ হৈ গৈছে। এতিয়া মাত্ৰ অস্ত্ৰোপচাৰটোহে বাকী। কথাটো ভাবি তাঁৰ ভালো লাগিল–এজন মৃত্যুমুখী মানুহক সি মৃত্যুৰ দুৱাৰ দলিৰ পৰা ফিৰাই আনিব। বিপ্লৱে শুই থকাৰ পৰাই মন কৰিলে নাৰ্চ কেইজনী –এজনী এজনীকৈ ওলাই গৈ কোঠাটো শূণ্য হ'ল। এনেতে দুৱাৰখনৰ বাহিৰত সিহঁতে গহীনাই কৈ থকা কথাখিনি তাৰ কাণত পৰিল। সি কথাখিনি বুজিবলৈ কাণ উনাই চিঁঞৰি উঠিল – "মিলিক ময়েই হত্যা কৰিছোঁ, ময়েই হত্যা কৰিছোঁ।" কৰ্ত্তব্যৰত নাৰ্চ কেইজনী লৰালৰিকৈ সোমাই আহি তাৰ ওচৰ পালেহি। 'চিনিয়ৰ' নাৰ্চগৰাকীয়ে তাক অলপ টান সুৰতে সুধিলে ঃ কি হৈছে, কি হৈছে আপোনাৰ? অলপ মনে মনে থাকক, চাৰ আহিব এতিয়া।

বিপ্লৱ মনে মনে বহি থাকিল। কিন্তু তাৰ অন্তৰখনে প্ৰকৃত কথাটোৰ উহ বিচাৰি উত্ৰাৱল হ'ল। সি দুৱাৰখনৰ ফালে মূৰ ঘূৰাই দেখিলে 'এনাস্থেটিষ্ট' ডাঃ প্ৰভাকৰ সোমাই আহিছে। ডাক্তৰে তাৰ ফালে চাই কিবা এটা ক'বলৈ গৈ ৰৈ গ'ল।

কি হ'ল ডাক্তৰ? সি সুধিলে।

"অলপ ৰ'বচোন, ডাঃ গোস্বামী চেম্বাৰৰ পৰা অহলৈ আমি অপেক্ষা কৰিছোঁ।" প্ৰভাকৰে ক'লে। ডাঃ প্ৰভাকৰৰ মুখখনত বিপ্লৱে বিচাৰি চালে তিনিকুৰি বছৰীয়া বিপ্লৱী প্ৰভাকৰৰ মুখখন। এনেতে 'চাৰ্জন' গোস্বামী সোমাই আহিল। নাৰ্চকেইচনী একাশৰীয়াকৈ ঠিয় দি ৰ'ল। ডাক্তৰে সকলোৰে শুনাকৈ মাত্ৰ ক'লে– "অপাৰেশ্যনটো সদ্যহতে বন্ধ থাকিব। চেচেন্টক ৱাৰ্ডলৈ লৈ যা।" লগত সোমাই অহা 'ৱাৰ্ডবয়টো' বিপ্লৱৰ ফালে অগ্ৰসৰ হোৱাৰ লগে গলেই সি অপাৰেশ্যন মেজখনৰ পৰা নামি আহিল আৰু পৰ্দাখনৰ কাষেৰে দীঘল ক'ৰিডৰটোৰেদি দুয়ো আগবাঢ়িল। তাৰ কাণত মাত্ৰ প্ৰতিধ্বনিত হ'ল অলপ আগতে কাষৰ কোঠাটোত নাৰ্চ কেইজনীয়ে আলাপ কৰা কথাখিনি– "কিডনীৰ পেচেন্টজন সংজ্ঞাহীন হৈ পৰিল; 'মিলি' বুলি এবাৰ মাত্ৰ চিঞঁৰি হঠাতে মাত বন্ধ হ'ল। অক্সিজেন দিয়াৰ ব্যৱস্থা কৰিছিল যদিও কামত নাহিল......।'

বিপ্লৱে ৱাৰ্ডবয়টোৰ পৰা পৰিস্থিতিৰ বুজ ল'বলৈ বিছাৰিলে। সি কোনো পাতনি নেমেলি জয়ন্ত বৰুৱাৰ মৃত্যুৰ বিষয়ে ঠাউকতে কৈ গ'ল "অপাৰেশ্যন থিয়েটাৰলৈ আনিবৰ কাৰণে ট্ৰেচাৰখনত উঠোৱাৰ লগে লগেই এটা চিঁঞৰ মাৰি মানুহজন মৰি থাকিল।" নাৰ্চকেইজনীয়ে কোৱা কথা খিনিকে বয়টোৱে পুনৰোক্তি কৰাত বিপ্লৱৰ সন্দেহৰ কোনো অৱকাশ নাথাকিল। তাৰ মনটো বিশাদে আগুৰি ধৰিলে। সি ভাবিলে, জয়ন্ত বৰুৱাৰ মৃত্যুৰ বাবে প্ৰকৃততে সিয়েই দায়ী। পুতেক মিলিৰ আকস্মিক হত্যাকাণ্ডটো সংঘটিত নোহোৱা হলে মানুহজন দুৰাৰোগ্যত ভোগী এতিয়াই মৃত্যুৰ মুখত পৰিব লগা নহ'লহেঁতেন। তাৰ চকুৰ আগত জয়ন্ত বৰুৱাৰ কৰুণ মুখখন জিলিকি উঠিল। মৃত্যুৰ দুৱাৰ দলিত ঠিয় হৈ তিল তিলকৈ মৃত্যুৰ ক্ষণ গণা বৰুৱাই বিপ্লৱৰ প্ৰস্তাৱটো শুনি কিমানযে উৎসাহিত নহৈছিল। বৰুৱাৰ পত্নী সুভদ্ৰা আৰু পৰিয়ালৰ প্ৰতিজনেই বিপ্লৱৰ বদান্যতাৰ ওচৰত মূৰ দোৱাইছিল। তাৰ মানুহবিলাকলৈ পুতৌ জন্মিল। কিড়নী এটা দান দি মহান কাম কৰিবলৈ আহিছে বুলি সকলোৱে তাক কৃতজ্ঞতা জনাইছে। কিন্তু দুবছৰৰ আগতে সিয়েই যে অকণমানি মিলিক হত্যা কৰি বৰুৱাৰ পৰিয়াললৈ ধুমুহা নমাই আনিলে; সেইকথা কোনেওটো আজিলৈকে বুজিব পৰা নাই। এক গোপন অন্তৰ্দাহত সি নিজেও চৰম শাস্তি ভোগী আছে। সময়ত বিপ্লৱে ভাবে– মিলিক সিয়েই হত্যা কৰিছিল বুলি মুকলিকৈ কৈ দিব নেকি? কিন্তু পিছ মুহূৰ্ত্ততে নিজৰ মনলৈ দৃঢ়তা মাতি আনে। সংগঠনটোৱে মিলিকে হত্যা কৰা নাই। অকল তাৰ 'ট্ৰিগ্-আৰ'ৰ নিচানতে কিমান মানুহৰ জীৱন অৱসান ঘটিল, হিচাব কোনে ৰাখিছে? পিষ্টলৰ আগত মৃত্যু আজি নিত্য-নৈমিত্তিক ঘটনা হৈ পৰিছে; সকলোৱেই নিৰ্ব্বিকাৰে মানি লৈছে। অকাৰণত অকল মিলিৰেই মৃত্যু হোৱা নাই। দেশৰ উঠি অহা যুৱকসকল, চৰকাৰ আৰু উগ্ৰবাদী সংগঠনৰ যুটীয়া বলী হৈছে। মতা-তিৰোতা, ভাল মানুহ, বেয়া মানুহ, ধনী-দুখীয়া, সাধু-অসাধু সকলোৱেই বন্দুকৰ আগত প্ৰাণ আহুতি দিছে। মৃত্যু হোৱা সকলো মানুহ সমানে দোষী নহয়। বহুতৰে প্ৰাণদণ্ডৰ কাৰণ থাকিলেও বহুতেই অকাৰণতে মৃত্যুক মানি লৈছে। যুদ্ধত অকল সৈনিকেই নমৰে, নিৰীহ জনসাধাৰণৰো মৃত্যু হয়। সি নিজৰ মনতে প্ৰবোধ দিলে। জুইত চগা পৰি মৰাৰ দৰেই বহুতে অকাৰণতে বিস্ফোৰণত জাহ যায়। দুৰ্নীতি পৰায়ণ মন্ত্ৰী, বিধায়ক, বিষয়-বৰীয়া, ক'লা ব্যৱসায়ীক 'টাৰ্গেট' কৰোতে কৰ্ত্তব্যপৰায়ণ নিৰীহ গা-ৰক্ষীৰ মৃত্যু অৱশ্যম্ভাৱী। মানুহ এনেদৰেই মৃত্যুপথৰ যাত্ৰী হয়। মানুহে এনেকৈয়ে মৃত্যুক আপোন কৰি লয়। অগাধ অৰণ্য পুৰি পথ সুগম কৰিবলৈ যাওঁতে উপকাৰী গছ-বিৰিখ কিছু ভস্মীভূত হ'বই। তাৰ বাবে চিন্তা কৰি লাভ কি?..... সি নিজৰ কাম আৰু কথাৰ মুক্তি বিচাৰি

পায়। বন্দুক মানুহে চখতে নলয়, বন্দুক হাতত তুলি দিয়া হয়। উগ্ৰপন্থীহঁতে সন্ত্ৰাস আৰম্ভ কৰা কিমান দিন হৈছে? কিন্তু যুগ যুগ ধৰি দেশৰ বৃহৎ জনসাধাৰণ এচাম শক্তিশালী মানুহৰ সন্ত্ৰাসৰ বলী হৈ আহিছে। উগ্ৰপন্থীহঁতে বন্দুকৰ গুলিৰে কিমান মানুহ নিহত কৰিছে? কিন্তু সুবিধাবাদীহঁতে নিৰীহ জনতাক ভৰিৰে মোহাৰি সামৰি ধুলিসাৎ কৰি আহিছে। শাসনৰ নামত, শান্তিৰক্ষাৰ নামত এইচাম মানুহে আজিও জনতাৰ মুখৰ ভাত কাঢ়ি নি নিজৰ ভোগ-লালসা পুৰাই আনন্দত আত্মহাৰা হৈছে। ইহঁতৰ ফন্দীত সৰু মানুহ বিলাক নিঃচিহ্ন হৈছে। সেয়ে সকলোৰে আজি এটা পৰিৱৰ্ত্তন বিচাৰিছে। এই পৰিৱৰ্ত্তনৰ বাবেই যুদ্ধ, বিস্ফোৰণ, সন্ত্ৰাস, হত্যাকাণ্ড.....।

বিপ্লৱে কথাবিলাক ভাবি ভাবি হস্পিতালৰ সন্মুখৰ ৰাস্তাটোৰেদি ভালেখিনি দূৰ পালেহি। হত্যাকাণ্ডৰ ইমান বিলাক যুক্তি থকা স্বত্ত্বেও মিলিৰ হত্যাৰ যুক্তি বিচাৰি সি আঁত হেৰুৱালে। মিলিৰ হত্যাতে ঘটনাটো শেষ নহ'ল। এটা নতুন অধ্যায়হে সূচনা কৰিলে। জয়ন্ত বৰুৱাৰ অকাল মৃত্যু, সুভদ্ৰাৰ অকাল বৈধব্য, পৰিয়ালৰ সমস্বৰ কান্দোন...... এই বিলাকৰ যুক্তি ক'ত? ইমানখিনি যুক্তিহীন ঘটনাৰ বাবে সিয়েই জানো অপৰাধী নহয়? নিজৰ অপৰাধ তিলমানো কমোৱাৰ মনেৰেই 'নেফ্ৰাইটিচ্' ৰোগী জয়ন্ত বৰুৱাক এটা 'কিড্‌নী' দানেৰে সহায় কৰিবলৈ লৰৰি আহিছিল সি। কিন্তু সময়ে তাক সেই সুবিধাৰ পৰাও বঞ্চিত কৰিলে। 'হচ্‌পিতালত 'ট্ৰেন্সপ্লান্তৰ' সকলো পৰীক্ষা-নিৰীক্ষা হৈ যোৱাৰ পাছতো বৰুৱাৰ হৃদযন্ত্ৰ হঠাতে বিকল হৈ পৰাত বিপ্লৱৰ আঁচনিও বিকল হ'ল। শেষত আজি সি দ্বিতীয় দিনৰ বাবে সুভদ্ৰাৰ চকুলোৰ ওচৰত মুখামুখী হ'ব লগা হ'ল।

দুবছৰৰ আগতেও এদিন বিপ্লৱে নিজৰ মনৰ দুখ পাতলাবৰ বাবেই জয়ন্তহঁতৰ ঘৰলৈ গৈছিল। সেয়া আছিল মিলিৰ মৃত্যুৰ ঠিক চাৰিদিনৰ পাছৰ কথা। জয়ন্ত আৰু সুভদ্ৰা বৰুৱাক সমবেদনা জ্ঞাপন কৰিছিল সি। মানুহে যেতিয়া মিলিৰ অকাৰণ হত্যাৰ বাবে উগ্ৰপন্থী সংগঠনটোক কটু সমালোচনা কৰিছিল, সিও উগ্ৰপন্থীহঁতক "নিষ্ঠুৰ" আখ্যা দিছিল। কিন্তু নিজৰ অপাৰগতা বা কৌশলৰ বিজুতি আদিৰ কথা ক'ব কাক? বুজাব ক'ত? অবাঞ্চিত ঘটনাটোৰ বাবে সংগঠনৰ তৰফৰ পৰা বাতৰি কাকতত বিবৃতি দি দুখ প্ৰকাশ কৰা হ'ল আৰু মিলিৰ মাক-দেউতাকৰ ওচৰত বিনম্ৰে ক্ষমাও বিচাৰিলে। বিপ্লৱে নিজেও এটা ভুৱা সংঘৰ সদস্যৰূপে মিলিৰ ফটোগ্ৰাফত পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰি মাক দেউতাকক যি পাৰে সেইদিনা সমবেদনা জ্ঞাপন কৰি আহিছিল।

হচপিতালৰ নিলগৰ নিৰ্জন ঠাইখিনিত অকলশৰে ঠিয় হৈবিগত দিনটোৰ সকলো কথাই আজি তাৰ মনত পৰিছে। এটা গোপন উদ্দেশ্যৰে কাহিলী কাহিলী পুৱাতে সি তাৰ সহযোগী বিদ্যুতক লৈ কামাখ্যা গেটৰ ওচৰৰ নিৰ্দ্ধাৰিত ঠাইখনত উপস্থিত হ'লহি। কাতি মাহৰ ঠেৰেঙা লগা কুঁৱলী নেওচি ৰাস্তাৰ আলকতাৰাৰ লগত মিলি যোৱা ক'লা তাঁৰডাল সিহঁতে পাৰি দিছিল আৰু অলপ নিলগত পথবিভাগে পেলাই থোৱা 'হুইম্ পাইপ' কেইটাৰ কাষে কাষেঁগে পথৰ দাঁতিৰ টিলাটোৰ আঁৰ লৈছিল। প্ৰথম 'ফ্লাইট'ত যাব লগা বিশেষ 'কনভয়'টোৰ বাবে সিহঁত দুয়ো প্ৰায় দহ মিনিটৰ আগেয়ে এই ঠাই লৈছিলহি। হাতৰ ঘড়ী আৰু তাঁৰ সংযোগী বুটামটোলৈ সঘনে চাই সিহঁতে সময় অতিবাহিত কৰিলে। অলপ সময়ৰ ভিতৰতে সিহঁতৰ আকাংক্ষাত 'ভি-আই-পি' কনভয়টো দেখা পালে। তাৰ বিপৰীত দিশত, কিছুদূৰত সিহঁতে দেখিলে বগা স্পৰ্টিং, কেনভাচ-চু পিন্ধা সৰু ল'ৰা এটা সিহঁতৰ ফাললৈ অগ্ৰসৰ হৈছে। 'ভি-আই-পি কনভয়টো' আহি হুইপ পাইপ কেইটাৰ প্ৰায় সমান্তৰাল হওঁ হওঁ; বিপ্লৱে হাতৰ চুইচটো টিপি ধৰিলে। এইমাত্ৰ এটা বৃহৎ শব্দ কৰি বিস্ফোৰণটো হৈ যাব আৰু লগে লগেই শেষ হ'ব সিহঁতৰ তথাকথিত 'দুচ্‌মন'। তীব্ৰ গতিত 'কনভয়টো' পাৰ হৈ গুচি গ'ল। পৰিকল্পিত হত্যাকাণ্ডটো ব্যৰ্থ হ'ল। সেই মুহূৰ্ত্ততে সৰু ল'ৰাটো আহি হুইপ পাইপ কেইটাৰ সমান্তৰাল হ'ল আৰু লগে লগেই এটা প্ৰচণ্ড শব্দ কৰি বিস্ফোৰণটো হৈ গ'ল– সিহঁত দুয়োৰে চকুৰ আগত। ক্ষন্তেকো অপেক্ষা নকৰি বিপ্লৱ আৰু বিদ্যুত সেই ঠাইৰ পৰা অন্তৰ্ধান হ'ল। সিহঁতৰ চকুৰ আগত মাত্ৰ জিলিকি থাকিল 'মিলি' নামৰ অকণমানি ল'ৰাটোৰ চিটিকি চিটিকি উফৰি পৰা কোমল মঙহৰ সৰু সৰু টুকুৰাবোৰ। *



# পৰাজয়

❑ শ্রীঅঞ্জুমণি হাজৰিকা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

টক্ টক্ টক্ কৈ দুৱাৰত কেইবাবাৰো টোকোৰ পৰাত অনুৰাধাই শুই থকাৰ পৰা বিছনাতে উঠি উমান ললে। বেৰত আৰি থোৱা ঘড়ীটোলৈ চালে, ৰাতি ১টা বাজিবলৈ মাত্ৰ ৫ মিনিট বাকী। নিশ্চয় কোনোবা আহিছে পুতেক বিকাশক বিচাৰি। বিকাশ অনুৰাধাৰ একমাত্ৰ সন্তান। সেয়ে সিয়েই অনুৰাধাৰ সকলো। মাজে মাজে অনুৰাধাৰ বুকুখন চিৰিং চিৰিংকৈ বিষাই উঠে, যেতিয়া সি ওলাই যায় মাজৰাতি কাৰোবাৰ লগত, তেওঁ মনতে ভগৱানক খাটে তাৰ বিপদ নঘটাবলৈ।

বিকাশ যেতিয়া পলাতক অৱস্থাত আছিল, তেতিয়া তাৰ অনুসন্ধানত দিনে ৰাতিয়ে পুলিচ আহিছিল। ঘৰ তালাচী কৰিছিল আৰু গুছি গৈছিল। কিন্তু যেতিয়াৰ পৰা বিকাশ একেবাৰে ঘৰলৈ গুচি আহিল তেতিয়াৰ পৰা তাৰ অনুসন্ধানত পুলিচো নহা হ'ল। হয়তো বিকাশ নামৰ ল'ৰাটো কৰবাত হেৰাই গৈছিল, বিকাশ সম্পূৰ্ণ বদলি হৈ গৈছিল। সম্ভৱ তাৰ লগৰীয়াবোৰো পৰিবৰ্তন হৈছিল, সেয়ে সিহঁত প্ৰায় ৰাতি বিকাশৰ ওচৰলৈ আহে। বিকাশে দুৱাৰ খুলি গৈ সিহঁতৰ লগত গোপন কথা আলোচনা কৰে আৰু শুই থাকেহি।

এবাৰ অনুৰাধাই তাক সুধিছিল বিভিন্ন প্ৰশ্ন। কিন্তু সি মাকক একো উত্তৰ দিব পৰা নাছিল। মাত্ৰ কৈছিল "মা তোমাৰ কিবা অভাৱ হ'লে কবা, – গাড়ী, ঘৰ, টকা পইচা সকলো মই দিম, কিন্তু এনে কিছুমান অবান্তৰ প্ৰশ্ন আৰু কেতিয়াও মোৰ ওচৰত নুতুলিবা।" সেইদিনাই অনুৰাধাই বুজিব পাৰিছিল বিকাশৰ আওপকীয়া কথাৰ মাজত কি মনোভাব সোমাই আছে। অনুৰাধাই তেতিয়া খুউব কান্দিছিল, কিয়নো বিকাশৰ দেউতাকৰ মৃত্যুৰ আগমুহূৰ্তত তেওঁ কথা দিছিল অশেষ কষ্ট কৰিও এজন আদৰ্শৱান শিক্ষকৰ পুত্ৰ হিচাপে বিকাশক মানুহৰ প্ৰকৃত ৰূপত গঢ়ি তুলিব, ডাঙৰ মানুহ কৰিব। কিন্তু আজি যেন তেওঁৰ সকলো আশা মৰহি গৈছে।

বি, এ পাছ কৰি বিকাশ গুছি গৈছিল এক সংগ্ৰামী দলত। স্বাধীনতা, ন্যায়, সমতা বিচাৰি। মাকে তাক তেতিয়া বহুত বুজাইছিল এম, এ পঢ়িবলৈ– দেউতাকৰ আশাবোৰ পূৰণ কৰিবলৈ। মাকৰ চকুপানী মচি দি সি তেতিয়া মাকক বুজাইছিল – "মা আমি যদি অকল নিজৰ কথাহে চিন্তা কৰোঁ তেন্তে দেশৰ কথা, শোষিত জনগণৰ কথা চিন্তা কৰিব কোনে? ন্যায় বিচাৰ, সমঅধিকাৰ, স্বাধীনতা আনিব কোনে? তুমি চিন্তা নকৰিবা, দেউতাৰ সৎ আদৰ্শখিনি মই সংগ্ৰামৰ মাজেদিয়েই জীয়াই ৰাখিম।"

বিকাশৰ ৰুমৰ দুৱাৰ খোলা শব্দ কাণত পৰাত অনুৰাধাৰ ভাৱনাত যতি পৰিল। বাস্তৱলৈ তেওঁ ঘূৰি আহিল। মন গ'ল মনে মনে বিকাশ আৰু তাক বিচাৰি অহা লগৰীয়া কেইটাৰ কাণ্ড চাবলৈ, লগৰীয়া কেইটানো কোন তাক জানিবলৈ। ৰুমটোৰ লাইটটো অফ কৰি সাৱধানে নামি গ'ল বিছনাৰ পৰা। পৰ্দাখনৰ চুক এটা লাহেকৈ ডাঙি খিৰিকিৰে পদুলিলৈ চাই পঠালে। এয়া কি! অনুৰাধাই নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে, পূৰ্ণিমাৰ নিশা, কেইজনমান ল'ৰাই বিকাশৰ মুখত সোপা দি হাতে ভৰিয়ে বান্ধি গাড়ীত তোলা দৃশ্যটো জোনৰ পোহৰত জিলিকি উঠিছে। অনুৰাধাৰ যেন মুখৰ মাত এবাৰ মাতিবলৈকো শক্তি নোহোৱা হ'ল আৰু অচেতন হৈ তাতেই পৰি ৰ'ল। ◆

## কৌতুক

● ককাদেউতাক ঃ (টেলিফোনত হেডমাষ্টৰক উদ্দেশ্যি) মোৰ নাতি ল'ৰাটোক এঘণ্টা মানৰ আগতে ছুটি দিলে ভাল পালোহেঁতেন।
হেডমাষ্টৰ ঃ সিতো অলপ আগতেই তাৰ ককাদেউতাক ঢুকাল বুলি ছুটি লৈ গৈছে।

● দ্বিপেন ঃ আমাৰ দেউতা ইমান সাহসী যে তেওঁ ডেকাকালত সিংহ এটাৰ নেজ এডাল কাটি আনিছিল।
ৰাজেন ঃ নেজডালযে কাটি আনিছিল মূৰটো নানিলে কিয়?
দ্বিপেন ঃ কাৰণ মূৰটো আগতেই কোনোবাই কাটি নিছিল।



সংগ্ৰহ
ৰাজীৱ দাস
স্নাতক ১ম বৰ্ষ, বুৰঞ্জী বিভাগ



# এটা গল্পৰ প্লট বিচাৰি

শ্ৰীমতী কল্পনা গগৈ
স্নাতক ৩য় বাৰ্ষিক, অসমীয়া বিভাগ

কথাতে কয় "আলচা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি।" এই ফকৰা যোজনা ফাঁকিয়ে মোকো লণ্ডিলে। আজি বহুদিনৰ পৰাই ভাবি আছিলো এটা গল্প লিখিম। কিন্তু আজিলৈকে লিখা হোৱা নাই। মই দেখোন গল্পৰ প্লটেই বিচাৰি নাপাওঁ। আজি কিন্তু মৰণক শৰণ দিয়াৰ দৰেই টেবুলৰ কাষ চাপিলো গল্প লিখিবৰ বাবে। কি লিখো এতিয়া, আৰম্ভণিটো বা কেনেকে কৰে? উকা কাগজখনলৈ কলমটো টোৱাই বহু পৰ চাই ৰলো নিৰৱে। বহু ভাৱনাই জুমুৰি ধৰিলে। যাই হওঁক আক দিলো কাগজত।

আজি বতৰটো ওমাগোমা। ন কইনাৰ চকুৰ পৰা অশ্ৰুধাৰা নিগৰাৰ দৰেই আকাশৰ বুকুৰ পৰা পৃথিৱীৰ বুকুলৈ অবিৰাম গতিত নামি আহিছে বৰষুণৰ টোপাল। হঠাৎ কোনে জানো মোৰ পিঠিত ঢকা মাৰি সুধিলে – "কোন মহাপুৰুষলৈ প্ৰেৰণ কৰিববলৈ লিখিছ পৰী?" আৰে, এইয়া দেখোন মোৰ অন্তৰংগ বান্ধৱী নীতা। নীতাক দেখাৰ লগে লগেই মোৰ গল্পই দূৰ দিগন্তলৈ ঢাপলি মেলিলে। কাৰণ নীতাক বহুদিন লগ পোৱা নাই। আজি ভালদৰে আড্ডা মাৰিব লাগিব। কাগজ কলম সামৰি তাইৰ কাষত বহিলো। "কচোন নীতা তোৰ খবৰ।" "তই নুসুধিলেও হ'ব পৰী, আজি মোৰ খবৰ ক'বলৈকে তোৰ ওচৰলৈ দৌৰি আহিছোঁ। নুশুন জানো মোৰ জীৱনৰ এক গোপন ইতিহাস।" নীতাৰ এই জড়তা মিহলি কণ্ঠত মই আচৰিত নহৈ নোৱাৰিলো। কাৰণ নীতাক মই ভালদৰে জানো। মাক দেউতাকৰ একমাত্ৰ ছোৱালী হিচাপে অতি আদৰৰ। দেউতাকে অলপো দুখ অনুভৱ কৰিব নোৱাৰাকৈ বি, এ পাছ কৰালে। কৃত্ৰিমতা ভাল নোপোৱা নীতা এজনী সহজ সৰল ছোৱালী। তাইৰ পেৰুৰ পৰা মেৰুলৈকে সকলো খবৰেই মই জানো। তেনেস্থলত তাইৰ কি গোপন ইতিহাস থাকিব পাৰে ভাবি নাপালো। "তোৰ কি গোপন ইতিহাস থাকিব পাৰে নীতা, পগলা হোৱা নাইটো?" নহয় পৰী, তোক মই সকলো খবৰেই কও, কিন্তু কোৱা নাছিলো মোৰ জীৱনৰ এক অধ্যায়। তোক নোকোৱাকৈ মই শান্তিৰে থাকিব পৰা নাছিলো সঁচা কিন্তু মোৰ উপায় নাছিল। বৰ্তমান ঘৰত মোৰ বিয়াৰ যো-জা চলিছে। মা-দেউতাৰ মনত আনন্দ, এজন ইঞ্জিনিয়াৰ জোৱাই পোৱাৰ বাবে। ভাইটিৰটো কথাই নাই। আৰু মই, মই আছো বিশাল মহাসাগৰত মেলি দিয়া বঠাহীন নাৱঁৰ দৰে। ইপাৰো নাপাওঁ সিপাৰো নাপাওঁ। মোৰ অশান্ত মনৰ পখীটি অচিন দেশলৈ উৰি যাব বিচাৰিছে পৰী। মই এতিয়া কি কৰো কি নকৰো ভাবিয়েই পোৱা নাই। "মই ক'লো", ঘটনাটো কি, তাকে কচোন। শুন তেন্তে, এই বুলি আৰম্ভ কৰিলে তাইৰ জীৱনৰ এক গোপন অধ্যায়।

"যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়েই প্ৰণৱৰ প্ৰেমত পৰিছিলোঁ। প্ৰণৱ আৰু মোৰ মাজত প্ৰেম নামৰ বৃক্ষ জোপা পত্ৰে পুষ্পে সুশোভিত হৈ উঠিছিল। কিন্তু কিয় জানো ভগৱানে আমাৰ মিলনক পূৰ্ণতা লাভ কৰিবলৈ নিদিলে। আমাৰ মাজৰ সম্পৰ্কৰ কথা ঘৰত গম পাই, মা-দেউতাই প্ৰণৱক নিষ্ঠুৰভাৱে অপমান কৰিলে। কাৰণ প্ৰণৱ আছিল দুখীয়া ঘৰৰ ল'ৰা। এসাজ খাই এসাজ লঘোণে থাকে। মোৰ ভৱিষ্যতৰ কথা চিন্তা কৰি মা-দেউতাই মোক যে প্ৰণৱলৈ বিয়া নিদিয়ে তাক মই ভালকৈয়ে উপলব্ধি কৰিছিলো। তথাপিও মই আগবাঢ়ি গৈছিলো ঘৰৰ অজ্ঞাতে। কাৰণ প্ৰণৱৰ অকৃত্ৰিম মৰমক মই নেওচা দিব পৰা নাছিলো। তয়েই কচোন পৰী, প্ৰেমে জানো ধনী-দুখীয়া বিচাৰ কৰে। আমাৰ প্ৰেম আছিল পৱিত্ৰ। বহু দুখ কষ্টৰ মাজেৰে প্ৰণৱে মেট্ৰিক পাছ কৰিলে। কিন্তু অৰ্থৰ অভাৱত পঢ়িব নোৱাৰি ফৌজী বিভাগত গুচি গৈছিল বিদেশলৈ। প্ৰথম অৱস্থাত মই যি পাৰো সহায় কৰিছিলো কাৰণ মোৰ ধনৰ অভাৱ নাই বুলি তইতো জানই। এই কথাও এদিন ঘৰত গম পালে। সেই দিন ধৰি মোৰ ওপৰত কাঢ়া নজৰ ৰখা হ'ল। আমি ইজনে সিজনক লগ কৰাতো বাদেই দেখাদেখিয়েই বন্ধ হৈ গ'ল। সেই বুলি আমাৰ মাজৰ মৰমৰ এনাজৰীডাল চিঙি যোৱা নাছিল, বৰঞ্চ বেছি কটকটিয়াহে হ'ল। বিদেশলৈ যোৱাৰ আগদিনা ৰাতি মোৰ ৰুমৰ ভেনটিলেটৰেদি এটুকুৰা সৰু কাগজ পেলাই গৈছিল – "নীতা মই ঘূৰি নহা পৰ্য্যন্ত অপেক্ষা কৰিব পাৰিবানে??? মই যি ঠাইত থাকিম তাৰ পৰাই তোমালৈ মোৰ (প্ৰণৱ)ৰ ঠাইত পল্লৱী বৰুৱা নামৰ এজনী ছোৱালীয়ে চিঠি দিব।" যথা সময়ত পল্লৱী ওৰফে প্ৰণৱে মোৰ লগত পত্ৰবান্ধৱী পাতিলে। ঘৰত ছোৱালীয়ে দিয়া চিঠি বুলিয়েই সন্দেহ নকৰিলে। এনে দৰে গোপনে আমাৰ চিঠিৰ আদান-প্ৰদান চলি থাকিল। ইতিমধ্যে ঘৰতো মোৰ বিয়াৰ সম্পৰ্কে আলোচনা চলিল। হঠাৎ এদিন ভাইটিৰ মুখে গম পালো। কাশ্যপ চলিহাৰ লগত মোৰ বিয়াৰ শেষ সিদ্ধান্ত হৈ গ'ল। মোৰ বিয়াৰ নামত ঘৰৰ সকলো ব্যস্ত, কেৱল মাথো ব্যতিক্ৰম মই। মই অধৈৰ্য্য হৈ চিঠি লিখিলো প্ৰণৱলৈ সকলো কথা বিৱৰি। ইফালে উগ্ৰপন্থীৰ লগত হোৱা সংঘৰ্ষত প্ৰণৱৰ গাত গুলি কেইবা ঠাইতো লগাত মৃত্যুৰ ক্ষণ গনি আছে। সেই সময়তেই পালে মোৰ চিঠি। মৃত প্ৰায় অৱস্থাতে প্ৰণৱে মোলৈ লিখি পঠালে – 'নীতা, এই জনমত মই তোমাক মোৰ কৰিব নোৱাৰিলো। অহা জনমত তুমি মোৰ হবা নীতা। তেতিয়া তোমাক মোৰ কাষৰ পৰা কোনেও নিব নোৱাৰে। এতিয়া তুমি কাশ্যপৰ লগতে সুখেৰে সংসাৰ পাতা, লগতে মা, দেউতা, পৰিয়াল বৰ্গৰ সন্মান ৰক্ষা কৰা। মই আৰু বাচি থাকিব নোৱাৰো। অলপ পাছতে মোৰ এই দেহা মাটিৰ লগত মিলি যাব। কিন্তু Please নীতা, মোৰ শেষ অনুৰোধ ৰাখিবলৈ চেষ্টা কৰিবা। বিদায় .....।' ইমান সময় হয়তো নীতাই অসীম ধৈৰ্য্যৰে কৈ আছিল। এইবাৰ ধৈৰ্য্যৰ বান্ধ সুলকি মোৰ কোলাতেই কান্দি কান্দি ঢলি পৰিল। শান্তনা দিয়াৰ ভাষাও মোৰ স্তব্ধ হৈ গ'ল। তাইৰ জীৱনৰ এই কৰুণ কাহিনী শুনি মোৰো মন বিষাদেৰে ভৰি পৰিল। কিন্তু মোৰ বেদনাসিক্ত মনৰ মাজতো এক আনন্দৰ শিহৰণ বৈ গ'ল। কিয়নো, মই এটা গল্পৰ প্লট বিচাৰি পালো নীতাৰ জীৱনক লৈ। মনতে ভাবিলো, নীতাৰ জীৱনৰ এই কৰুণ কাহিনীক লৈয়ে আৰম্ভ কৰা মোৰ গল্পটো শেষ হ'ব।◆

# নিষ্ঠুৰ প্ৰেম

❑ শ্ৰীশ্যামন্ত ভূঞা
স্নাতক দ্বিতীয় বৰ্ষ

আজি বহাগ বিহুৰ প্ৰথম দিন অৰ্থাৎ গৰুবিহু। ৰাতি পুৱাৰে পৰা গৰু কেইটা নোৱাবৰ বাবে মাহ-হালধিৰ লগতে লাও বেঙেনা আদি বস্তু কেইটা প্ৰথমে গোটাই লৈ গাঁৱৰ ল'ৰাবোৰৰ লগত ৰং ৰহস্য কৰি গৰুৰ গা-পা ধুৱাই আহি ঘৰ সোমাইছোঁহে। বহাগ বিহুৰ কথা। বিহু বুলিলে মানুহৰ মন উঠলি থাকে, তাতে আকৌ ৰঙালী বিহু। মই লৰালৰিকৈ গাটো ধুই আহি মায়ে সজাই থোৱা জলপানৰ পাতত বহিছোঁ। ইফালে গাঁৱৰ ল'ৰাবোৰে এইবাৰ আঁতৰত বিহু মাৰিবলৈ যাব, মোকো নেৰা নেপেৰাকৈ লগ ধৰিছে। জলপান কেইটা খাই বাহিৰলৈ ওলাই আহি দেখিছো ৰাস্তাৰ পৰাই অৰূপে মাত লগাইছে। মই অৰূপ অহা দেখি বিহুমুখীয়া কথাৰে তাক ভিতৰতে ভালদৰে বাহিৰলৈ দিলো। মই তাক কলো, "অই অৰূপ, বিহু মাৰোঁগৈ ব'ল। এইবাৰ কিন্তু বিহু মাৰি বেচ ভাল লাগিব। আটাই কেইটা মিলি পৰিম নহয়।" ইফালে অৰূপে আকৌ মোক বিহুত ফুৰিবলৈ যাবৰ বাবে লগ ধৰিবলৈহে আহিছে। লক্ষীমপুৰত তাৰ মাহীয়েকৰ ঘৰ। তালৈকে যাবৰ বাবে মোকো লগ ধৰিছেহি। তাত তাৰ বহু চিনাকী বন্ধু-বান্ধৱীও আছে।

অৰূপ মোৰ সৰুৰে পৰা নলে গলে লগা বন্ধু। আমি ইটোৱে সিটোক দিনটোত এবাৰ লগ নপালে মনটো ভালেই নালাগে। স্কুল-কলেজলৈও দুয়ো একেলগে যাওঁ। অৰূপে মেট্ৰিক পৰীক্ষাৰ আগত মাহীয়েকৰ ঘৰত থাকি পঢ়িছিল। তাত থাকোতেই বহু বন্ধু-বান্ধৱীৰ লগত অৰূপৰ চিনা-জনা হৈছিল। নতুন বন্ধু-বান্ধৱীৰ আগত মইহে তাৰ প্ৰিয় বন্ধু সেই বিষয়ে কৈছিল আৰু পৰীক্ষাৰ পাছত তালৈ মোকো লৈ যাম বুলি কথা দি আহিছিল। অৰূপৰ কথা পেলাব নোৱাৰি মই বিহুমৰা বাদ দি চাইকেলেৰে গৈ প্ৰথমে অৰূপৰ মাহীয়েকৰ ঘৰ পালোঁগৈ। মাহীয়ে আমাক ঘৰৰ খা-খবৰ সুধি চাহ-জলপান দি, সেইদিনা থাকিবৰ বাবে জোৰ কৰিলে। আমিও মাহীৰ কথা পেলাব নোৱাৰি থকাৰ সিদ্ধান্ত কৰিলো। তাৰ পাছতে এজনী বান্ধৱীৰ ঘৰলৈ লৈ গৈছিল। মইও ছোৱালী জনীৰ নাম আৰু পঢ়া-শুনাৰ বিষয়ে সোধপোচ কৰিলো। ছোৱালীজনী সেই সময়ত নৱম মানৰ ছাত্ৰী আছিল। নামটো ৰীমা। লাহী ককালেৰে ছোৱালীজনী দেখাত অত্যাধুনিক নহলেও সুন্দৰীৰ শাৰীতেই পৰিব। অৰূপে ৰীমাৰ মাক, দেউতাকৰ লগতো মোক চিনাকী কৰি দিছিল। ৰীমাহঁতৰ ঘৰতো চাহ জলপান খালো। আহিবৰ সময়ত ৰীমাই আমাক দুয়োকে দুখন ৰুমাল দিছিল। ৰুমাল লৈ আহোতে বাটত অৰূপে মোক কলে সি হেনো ৰীমাক ভাল পায়। মই সকলো কথা বিৱৰি সোধাত সি মোক কলে যে পৰীক্ষাৰ আগতে মাহীয়েকৰ ঘৰত থাকোতেই সিহঁতৰ মাজত প্ৰেমৰ অঙ্কুৰ গজিছিল।

অৱশ্যে প্ৰত্যেকজন মানুহেই প্ৰেমত পৰে। কেতিয়াবা কোনোবাই প্ৰেমক ঘৃণা কৰিব পাৰে সেয়া মানসিক সংঘাত। প্ৰেম বহুধৰণে হব পাৰে। ধৰা ছোৱালী এজনী ভাল লাগে কিন্তু কেতিয়াও কোৱা বা প্ৰকাশ কৰা নহয়, নিৰৱে পাৰ হয় তেনে প্ৰেম। তেনে প্ৰেমিকাক অন্তৰৰ মাজত ৰাখি থয়। দ্বিতীয়তে কিছুমান প্ৰেম হয় ভৱিষ্যতৰ কথা চিন্তা কৰি, বিয়া কৰাব পাৰিবনে নাই ইত্যাদি। আৰু এবিধ প্ৰেম হৈছে এজনী সুন্দৰী যুৱতী দেখিলে সকলো পুৰুষ প্ৰেমত পৰে। সেই যুৱতীক লৈ বহু কিবা কিবি কল্পনা কৰা হয়। যদি তেওঁ মোৰ জীৱনলৈ আহে কিমান যে সুখী হম....। যুৱতী জনীয়ে কেনেদৰে আছে, কেনেদৰে খাইছে, শুইছে এনেবোৰ ভাৱ কল্পনা বাস্তৱত কৰা হয়।

প্ৰেম কেতিয়াবা এনেকৈও আহে যেতিয়া ডেকা গাভৰুৰ চাৰি চকুৰ মিলন হয় আৰু ইজনে সিজনক ভাল পায়। মানুহে যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়াৰ লগে লগেই জাতি, ধৰ্ম, ভাষা চাবলৈ সময় নাই। যৌৱনৰ মাদকতাত সকলো পাহৰি যায়। পাহৰি যায় ভৱিষ্যত উজ্বল জীৱনৰ কথা। সেই বাবে প্ৰেমক হয়তো সদায় "ব্লাইণ্ড" বুলি কোৱা হয়। কিন্তু যদি সময়ত প্ৰথমৰ বাধাবোৰ বাস্তৱহে আহে তেতিয়া সেই প্ৰেম হয়তো কেতিয়াবা ভাগি যায় আৰু কেতিয়াবা ....। আৰু যদি প্ৰথমৰ সেই প্ৰেমিক প্ৰেমিকা দ্বিতীয় প্ৰেমত পৰে তেন্তে আগৰ সকলোবোৰ কথা চিন্তা কৰিহে প্ৰেমত পৰে। সেয়ে কোৱা হৈছে

"শীতত পিন্ধিবলৈ আৰু গ্ৰীষ্মত খুলি থবলৈ ভালপোৱা এযোৰ গৰম পোছাক নহয়, ভালপোৱা হৃদয়ত তেজেৰে লিখি থোৱা প্ৰিয়জনৰ চিঠি মাথো।"

অৰূপ আৰু ৰীমাইও অৰূপৰ মাহীয়েকৰ ঘৰত প্ৰথম লগ পোৱাৰ দিনাৰ পৰাই ইজনে সিজনৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। আৰু অৰূপে কৰা ভালপোৱাৰ প্ৰস্তাৱটোৰ প্ৰতি ৰীমাই সঁহাৰি জনাইছিল। এইদৰেই সিহঁতৰ মাজৰ এই ভালপোৱা দুয়োৰে হৃদয়ত ভালকৈ শিপাইছিল। আনকি এটা সময়ত ৰীমাই অৰূপৰ কথা ভাবি ভাবি আপোন পাহৰা হৈ পৰিছিল। কিমান যে গভীৰ আৰু অনাবিল হৈ পৰিছিল সিহঁতৰ মাজৰ সেই প্ৰেম। ইফালে অৰূপে মেট্ৰিক পাছ কৰি গাঁৱৰে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নাম ভৰ্তি কৰি দুটা বছৰ পঢ়ি শেষত সুখ্যাতিৰে উঃ মাঃ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। সেই সময়তো অৰূপ আৰু মই দুয়ো ৰীমাহঁতৰ ঘৰলৈ যাওঁ। আমাৰ এই আহ যাহৰ নদীখন ক্ৰমান্বয়ে গভীৰ হৈ পৰিছিল। অৰূপ আৰু মই ৰীমাহঁতৰ ঘৰলৈ ঘনাই অহাযোৱা কৰো যদিও, ৰীমাহঁতৰ ঘৰৰ মানুহে কিন্তু বেয়া পোৱা নাছিল। ৰীমা আৰু অৰূপ যেতিয়া লগ হয় তেতিয়া সিহঁতৰ মাজৰ কথা বতৰাৰ কোনো সীমা নাই। দুয়ো কল্পনাত বিভোৰ হৈ ভৱিষ্যত জীৱনক লৈও বহু কল্পনা কৰে। ইয়াৰ পাছতে অৰূপে উঃ মাঃ পৰীক্ষাত উত্তীৰ্ণ হোৱাত ৰীমাহঁতৰ ঘৰৰ ওচৰৰে এখন কলেজত নাম ভৰ্তি

কৰিলে। সেই সময়তো অৰূপ আগৰ দৰেই ৰীমাহঁতৰ ঘৰলৈ যায়। আৰু এটা সময়ত অৰূপ আৰু ৰীমাৰ এই ভালপোৱাৰ কথা ৰীমাহঁতৰ ঘৰৰ সকলোৱে গম পাইছিল। ঘৰৰ মানুহে গম পায় যদিও অৰূপক কোনোদিন একো বেয়াকৈ কোৱা নাছিল। অৱশ্যে কবলৈও অৰূপ ল'ৰাটো দেখা শুনাই বেয়া নহয়। ঘৰৰ অৱস্থাও ভাল। ভৱিষ্যতে কিবা হ'লেও একো অসুবিধা নহয়। সেইবাবেই এনে এজন কলেজত পঢ়ি থকা ধনী ঘৰৰ ল'ৰাৰ লগত নিজৰ জীয়েকৰ এই মিলনক কেতিয়াও বাধা দিয়া নাছিল। ৰীমাইও ঘৰত একো বাধা নোপোৱাত সিহঁতৰ কল্পনা বিলাকক প্ৰতিমুহূৰ্ত্ততে বাস্তৱত ৰূপ দিবৰ বাবে চেষ্টা কৰিছিল। ৰীমাই কিন্তু অৰূপক সদায় নিজৰ হৃদয়তে ৰাখিব বিচাৰিছিল। দুদিন মান নেদেখিলেই খবৰ লৈ থাকে। আনকি ৰীমাৰ এনে অৱস্থা হৈছিল অৰূপৰ কথা চিন্তা কৰি কৰি ৰাতি টোপনি নহা হৈ পৰিছিল। ৰীমাই মোকো অৰূপৰ বন্ধু হিচাপে অৰূপৰ বিষয়ে বহু কথা কয়। মইও ৰীমাক বহু উৎসাহ উদ্দীপনা দিছিলো এই ক্ষেত্ৰত। মই অৰূপ আৰু ৰীমাৰ এই ভালপোৱাক বাস্তৱত ৰূপ দিবলৈ বহু চেষ্টা কৰিছিলো।

ৰীমাই মোৰ পৰাও বহু প্ৰেৰণা পাইছিল। ৰীমাই অৰূপক ইমানেই নিজৰ কৰি লৈছিল যে ৰীমাই কোনোটো ৰাতি অৰূপৰ কথা চিন্তা কৰি উজাগৰে কটাইছিল। যেন ওৰে ৰাতি ৰীমাই অৰূপৰ লগতেই কটাব। ভালপোৱাৰ ক্ষেত্ৰত ৰীমাৰ এটাই লক্ষ্য আছিল জীৱনত এজন ল'ৰাকেই ভাল পাব আৰু সেইজনকেই জীৱনৰ সংগী ৰূপে গ্ৰহণ কৰিব। এই লক্ষ্য আগত ৰাখিয়েই ৰীমাই অৰূপক নিজৰ কোমল হৃদয়ৰ এচুকত আলফুলে সুমুৱাই ৰাখিছিল।

অৰূপেও ভৱিষ্যতৰ কথা চিন্তা নকৰি প্ৰেমৰ দুৱাৰ দলিত ভৰি দিয়েই আপোন পাহৰা হৈ পৰিছিল, পাহৰি গৈছিল নিজৰ ব্যক্তিত্ব, পাহৰি গৈছিল সমাজৰ নৈতিকতা। কেৱল মাথো কামনাৰে জপুৰ হৈ পৰিছিল। অৰূপে ৰীমাৰ লগত বহু নিৰৱতা দূৰ কৰিছিল। আনকি অৰূপ আৰু ৰীমাৰ মাজৰ এই প্ৰেমৰ সম্পৰ্ক এদিন বহু দূৰ অতিক্ৰম কৰি গৈছিল। কিন্তু অতিকে দুখৰ বিষয় যে, ৰীমা আৰু ৰীমাহঁতৰ ঘৰৰ মানুহে বুজা নাছিল এই ধনী শ্ৰেণীৰ ল'ৰাবোৰ কিমান নিষ্ঠুৰ। সিহঁতে এই দুখীয়া শ্ৰেণীৰ লোকৰ কথা চিন্তা কৰিবলৈ অকনো সময় নাই। অৰূপে পিছলৈ কেৱল নিজৰ স্বাৰ্থ পূৰণতহে ব্যস্ত আছিল। আৰু শেষত নিজৰ স্বাৰ্থ আদায় কৰাৰ পিচত এদিন নিজৰ ৰক্ত দি চুক্তিবদ্ধ হোৱা ৰীমাকো পাহৰি গৈছিল। আৰু ৰীমাইও বুজা নাছিল যে অৰূপে তেনেদৰে প্ৰতাৰণা কৰিব বুলি। ভবা নাছিল নিজৰ স্বাৰ্থ আদায় কৰাৰ পিছত বিশ্বাসঘাতকতা কৰি ফুল মৰহি যোৱাৰ দৰে পৰণি হৈ অহা ৰীমাজনীক পাহৰি এজনী নতুন ৰীমাক বুকুৰ মৰম যাচিব বুলি। এনেবোৰ কথা ভাবিলে ৰীমা কেতিয়াবা অধৈৰ্য্য হৈ পৰে, আনকি আত্মহত্যা কৰিবলৈও আগবাঢ়ে। এইদৰে এদিন দুনিনকৈ ৰীমা আৰু অৰূপৰ এই বিচ্ছেদৰ আৰু তেওঁলোকৰ মাজত হোৱা সম্পৰ্কৰ কথা ৰীমাহঁতৰ ঘৰৰ মানুহে গম পাইছিল। ৰীমাৰ মাক, দেউতাকে নিজৰ জীয়েকক লৈ যি সপোন ৰচিছিল তাক তেওঁলোকে বিশ্বাসত লোৱা অৰূপে দলিয়াই পেলালে। তেতিয়াৰ পৰাই অৰূপৰ প্ৰতি ৰীমাহঁতৰ ঘৰৰ মানুহবোৰৰ মনো বিদ্ৰোহী হৈ পৰিছিল। ৰীমাকো ঘৰৰ মানুহে ক্ৰমানুয়ে বেয়া চকুৰে চাবলৈ ধৰিলে। অৰ্থাৎ ৰীমাক বেয়া মাত আৰু বেয়া ব্যৱহাৰো কৰিবলৈ ধৰিলে। এটা সময়ত ৰীমাৰ এনে অৱস্থা হৈছিল যে, ৰীমাই নিজৰ ঘৰতো ভাত মুঠি সুখেৰে খাব নোৱাৰা হ'ল। ৰীমাই কি কৰিব! বহুবোৰ চিন্তাই ৰীমাক বেৰি ধৰিছিল আৰু পঢ়াশুনাৰ প্ৰতিও মন নবহা হ'ল। ৰীমাই ভবা নাছিল অৰূপে তেনেদৰে প্ৰৱঞ্চনা কৰিব বুলি। এই দৰেই ৰীমাৰ জীৱনটো ধ্বংসৰ পথলৈ আগুৱাব ধৰিলে। জীৱনত চেকা লগা এই ৰীমাজনীক আজি গ্ৰহণ কৰিব কোনে? বহুবোৰ চিন্তা আৰু দুখ কষ্টৰ লগতে লাজ অপমানতে জৰ্জৰিত হৈ ৰীমাই ঘৰৰ মানুহৰ আগত মূৰ উলিয়াব নোৱাৰি এদিন এজন নিষ্ঠুৰ প্ৰেমিকৰ কাৰণেই আত্মহত্যাৰ পথকে বাছি ল'লে আৰু এই সংসাৰৰ পৰা বিদায় মাগিলে। ৰীমাৰ এই কৰুণ মৃত্যুৰ বাবে দোষী এই নিষ্ঠুৰ প্ৰেমিকজনেই নহ'ব জানো???◆

- যৌৱন কালটো জীৱনৰ আটাইতকৈ আদৰ্শৰ সময় যদিহে সি জীৱনলৈ পলমকৈ আহে।

  ○ হাৰ্টাৰ্ট হেনৰী এস্কুইট

- যিজন মানুহৰ সহগীতৰ মৃদু মধুৰ গুঞ্জন ধ্বনিয়ে আনন্দ দিব নোৱাৰে, তেওঁক বিশ্বাসঘাটক অথবা নিষ্ঠুৰ বুলি অভিহিত কৰিব পাৰি।

  ○ চেক্সপীয়েৰ

- সংসাৰত গাৰ বলেৰে বা শক্তিৰে সংগ্ৰহ কৰিব নোৱাৰা বস্তু হ'ল জ্ঞান। জ্ঞান আৰ্জিবলৈ লাগে অধ্যয়ন।

  ○ জনচন

সংগ্ৰহ
শ্ৰীস্বপ্নীল শৰ্মা
উ. মা. ২য় বৰ্ষ (কলা)

# চাকৰি

❒ শ্ৰীপ্ৰদীপ কুমাৰ বৰা
স্নাতক ২য় বাৰ্ষিক (ক'লা)

চাকৰি মই নোপোৱা নহয়, পাওঁ। পাইছিলো, অন্ততঃ নিজকে জীয়াই ৰাখিবলৈ মই পাইছিলোঁ। কিন্তু নকৰিলো। কিয় নকৰিলো, একমাত্ৰ মইহে জানো। কোনেও নাজানে। যদি ঈশ্বৰ বোলা কিবা এটা আছে, তেন্তে তেওঁহে জানে। কিছুমানে কয় মই হেনো পাগল। সম্পূৰ্ণ পাগল। দেউতাৰ মতে মই হেনো বংশৰ কলংক। চাকৰি পালেও মই চাকৰি এৰি গুচি আহোঁ, কিয় গুচি আহোঁ সেই বিষয়ে কাকো কোৱা নাই, নকওঁ। ক'লেও সিহঁতে হাঁহিব। মোৰ অন্তৰখনক, মোৰ বিবেকক কোনেও সহাৰি নজনাব। স্বাৰ্থপৰ সংসাৰখনৰ প্ৰতি কোনেও এবাৰো ভাবি নাচাব। মই জানো সিহঁতে হাঁহিব। মোক বহুতো নাম নজনা বিশেষণ দিব। কেতিয়াবা অসহ্য বেদনাত ভাবো, দেউতাক খোলা-খুলি ভাৱে কিছু কথা কওঁ। কিন্তু ক'ব নোৱাৰো। কিবা এটা লাজে মোক চেপি ধৰে। এটা বোবা উত্তেজনাত নিজেই জ্বলি পুৰি মৰো। অথচ কাকো ক'ব নোৱাৰো।

দেউতাৰ তীব্ৰ গালি-গঞ্জনা বিনা প্ৰতিবাদে সহি আহোঁ। প্ৰবালে কি ধৰণৰ চাকৰি কৰে বা কেনেকৈ চাকৰি পালে, আৰু কি ধৰণৰ চুক্তিত তাৰ চাকৰিটো বাচি আছে মই নজনা নহয়। সৌ সিদিনা প্ৰবালৰ বাপেকে মোৰ দেউতাৰ আগত কৈছিল, "হেৰা, তোমাৰ ল'ৰাটোক চাকৰি কৰিবলৈ পঠাই নিদিয়া কিয়? নহ'লে দেখিছোঁ ল'ৰা পকিব, কাইলৈ দেখিবা অমুকৰ বাৰীৰ তামোল চোৰ কৰিলে, পৰহিলৈ শুনিবা অমুকৰ জীয়েকৰ লগত ....। দেখিছা আমাৰ ল'ৰাটো চাকৰি কৰি কি মহা সুখত খাই আছে। তোমাৰ ল'ৰাই গাঁৱৰ মোহ এৰাব নোৱাৰা হলেই।"

দেউতাই কি ক'লে শুনিবলৈ মোৰ ধৈৰ্য্য নাছিল। সেইখিনিৰ পৰা আঁতৰি আহিলোঁ। আহোঁতে ভাবিছিলো টকাৰ অভাৱত পৰি হয়তো প্ৰথম কামটো কৰিব পাৰো অৰ্থাৎ তামোল চুৰ কৰিব পাৰো। কিন্তু দ্বিতীয় কামটো কৰি নলগা জেওত লাগি মৰিবলৈ মোৰ অলপো ইচ্ছা নাই। কবলৈ মন আছিল হেৰ', চাকৰি কাৰোবাৰ বাৰীৰ আম নহয় যে ফুৰিবলৈ যাওঁতে ফৰমুটি মাৰি দুটামান লৈ আহিম বা ই বজাৰৰ বস্তুও নহয় সৰহ দাম দি এসেৰৰ ঠাইত এমোন আনিম। ই অসম চৰকাৰৰ চাকৰিহে। কেতিয়াবা দেউতাই অসহ্য খঙত মাক কোৱা শুনিছিলো, "হেৰা টকা কেইটামান দি ইয়াক ক'ৰবালৈ পঠাই দিয়া। চাকৰিয়ে কৰেনে কি কৰে কৰক গৈ, গোটেই বিলাক ল'ৰাই চাকৰি পায়, আমাৰটোলৈহে চাকৰি নাই। সেই কথাবোৰ শুনি মোৰ খং উঠা নাছিল। গাঁৱলীয়া মানুহৰ অজ্ঞতা দেখি পুতৌ জন্মিছিল।"

মই মুখ খুলি একো নকওঁ। কাৰণ মই নিৰুনুৱা। ঘৰৰ বোজা হৈ দুবেলা দুমুঠি খাই জীয়াই আছো। সৰুৰে পৰা খেতি-বাতিত নালাগি পঢ়াতে ব্যস্ত আছিলো। অৱশ্যে পঢ়া-শুনাত মই বৰ বেয়া নাছিলো। কোনো শ্ৰেণীতে জিৰণী নোলোৱাকৈ অৰ্থনীতি বিভাগত সন্মান সহ স্নাতক হোৱাৰ পাছত মোৰ গাঁৱলীয়া মা-দেউতাৰ মই কি চাকৰি পাম সেইটো প্ৰধান চিন্তা।

"মই জানো সি ভাল চাকৰি পাব, মোক এজন জ্যোতিষীয়ে কৈছিল সি বাবু হ'ব।" দেউতাৰ কথাত আন্তৰিকতাৰ সুৰ।

কিন্তু ? কিন্তু আজি মই হলোহি কি? এটা পাণ দোকানী। বিৰি দুমুঠা, তামোল, এপেকেট চিগাৰেট সহ এখন ভগা চালিৰ মালিক।

চাকৰিৰ ইন্টাৰভিউৰ কাৰণে মাতে। যাওঁ, ইন্টাৰভিউত বহুতো অবাঞ্চনীয় প্ৰশ্নৰ উত্তৰ দিব লগা হয়, তথাপিও দি যাওঁ, কিজানিবা কিবা এটা হয়েইবা, কিন্তু মূৰকত দেখো অন্য কাৰোবাৰ নামহে, বিফল মনে ঘৰলৈ গুচি আহো। এবাৰ এটা ইন্টাৰভিউ পাইছিলো। ইন্টাৰভিউ লোৱা প্ৰণালী দেখি অতি আচৰিত হৈছিলো। মই বুজিছিলো মোৰ এইবাৰ চাকৰি হবই আৰু সঁচাকৈ মোৰ চাকৰি হৈছিল। জ্যোতিষীয়ে কোৱাৰ দৰে 'বাবু' নহয় কেৰাণী। চাকৰি পালো। অপ্ৰত্যাশিত ভাৱে চাকৰি পোৱাৰ বাবে কৰ্তৃপক্ষক আন্তৰিক ধন্যবাদ জনালোঁ। কিন্তু, পাছত গম পালো যে দেউতাই হেনো অধীক্ষক মহোদয়ৰ ওচৰলৈ আহি কিবা বন্দোবস্ত কৰি থৈ গৈছে। কেইদিন মানৰ পাছত কাৰ্য্যালয় অধীক্ষকে মোক ঘৰলৈ মাতিলে। গলো। তেওঁৰ ঘৰ পাই সকলোৰে লগত চিনা পৰিচয় হোৱাৰ পিছত অধীক্ষকে ক'লে "বুজিছা বিকাশ তোমাৰ দেউতা মোৰ সহপাঠী আছিল। তোমাক মই চিনি নাপাও। ইমান দিনে কিয় কোৱা নাছিলা? বাৰু বাদ দিয়া। তোমালোকৰ ঘৰৰ লগত আমাৰ সম্বন্ধটো স্থায়ী হ'ব লাগে। তোমাৰ দেউতাৰ লগত মোৰ অৱশ্যে চুক্তি আছে।

"তাৰ মানে? আচৰিত হৈ মই সুধিলো। তাৰ মানে তোমাৰ দেউতা আৰু মই দুয়ো বিঁয়ে হোৱাৰ পথত আগবাঢ়িছোঁ। তুমিয়েই হবা তাৰ সেতু।" কি কলো মই ক'ব নোৱাৰো। বোধকৰো অস্বীকাৰ কৰিলো। নহ'লে কিয় মোক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব? পিছদিনা অফিচলৈ গৈছো। অফিচ কমত নিৰ্দিষ্ট স্থানত বহাৰ পিছতে চকিদাৰটোৱে এখন কাগজ দিলে য'ত মোৰ বৰ্খাস্তৰ আদেশ দিয়া আছে। মোৰ ভীষণ লাজ লাগিছিল। মই একপ্ৰকাৰ দৌৰিয়েই অফিচৰ পৰা ওলায় আহিছিলো। কেতিয়া আহি মোৰ ভাড়াঘৰ পাই শুই পৰিলোহি ক'ব নোৱাৰো। পিছদিনা ঘৰ পালোহি। ঘৰ পায়েই যেতিয়া মই সকলোবোৰ ভাঙি-পাতি কলো তেতিয়া দেউতাই খঙত অগ্নি শৰ্মা হৈ অকথ্য ভাষাৰে মোক গালি পাৰিছিল। সেই মুহূৰ্ত্তত দেউতাক মোৰ বহুত কিবা কিবি কোৱাৰ ইচ্ছা হৈছিল, কিন্তু নকলো। দেউতাই মোক ঘৰৰ পৰা খেদি দিছিল। মই ওলাই আহিলো। আজি দুবছৰে ঘৰলৈ যোৱা নাই। সাধাৰণ এখন পাণ দোকান দি আছো। বিক্ৰী বৰ বেছি নহয়। নিজকে পোহপাল দিব পাৰিছো।

মোৰ মানস পটত জিলিকি উঠিছে ব্যৱসায়। ব্যৱসায় কৰিম, ধনী হ'ম। মই এতিয়া সকলো ধৰণৰ ব্যৱসায় কৰো। বিবেক-চিবেকৰ কথা বাদ দিছো। সেই বোৰ পাগলামি। মই পাগল আছিলো। এতিয়া মানুহ হৈছো। কানিৰ পৰা আৰম্ভ কৰি চোৰাং বেপাৰ পৰ্য্যন্ত কৰো। মোৰ লাখ লাখ টকা। মই অহাবাৰ এম, এল, এ উঠিম। মই গাড়ী চলাই গৈ আছো। হঠাৎ গাড়ীয়ে ল'ৰা এটাক খুন্দা মাৰিলে। মই প্ৰাণপণে ব্ৰেকত হেঁচি ধৰিছো। গাড়ীৰ বডীত ভুকুৱাই কৈছো হে'ৰা তোমালোকে ল'ৰা-ছোৱালীক ভালদৰে নাৰাখা কিয়? নাৰাখা......।"

"এই বিকাশ এটা চিগাৰেট দে।" ই কি। মই দেখোন দোকানৰ ভিতৰত ভৰিৰে সৰু টেবুলৰ ..... তলত কটা তামোল থোৱা টেমাটো হেঁচামাৰি ধৰি আছো। ই কি !!! মোৰ হাতত তেজ বোধকৰো গাড়ীৰ বডি বুলি টেবুলত ভুকু মাৰোতে তাত থকা কটাৰী খনে কাটিলে। যেই কি নহওক নিজক লুকুৱাবৰ মনেৰে নৰেণক বেগতে চিগাৰেট দিলো।

"এই বাকী হব দেই।" মই একো নামাতিলো। কটা হাতখনত চুণ অকণমান লগাই ভাবিলো মোৰ দৰে ক'ত নিবনুৱাই জ্যোতিষীয়ে কোৱা উজ্বল চিন্তা কৰি নিজকে নিজে দুখ দিছে।

নৰেণে আপোন মনে চিগাৰেটৰ ধোঁৱা উকুৱাই গৈ আছে।◆

# বেদনা

শ্ৰীবিপুলজ্যোতি বৰা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

"দেউতা, মা কেতিয়া আহিব?"

"আহিব সোণ আহিব। তুমি অলপ খেলি আহা। মা অলপ দেৰিকৈ আহিব। যোৱা সোণটো তুমি অলপ খেলি আহা।"

"নহয় দেউতা, তুমি সদায় কৈ থাকা মা আহিব বুলি। কিন্তু মা কিয় এদিনো নাহে? মাই আমাক বেয়া পায় নেকি দেউতা? নহ'লে মা হয়তো সোনকালেই আহিলেহেঁতেন। এতিয়া কিন্তু মোক মাৰ ওচৰলৈ লৈ যাব লাগিব।"

"যোৱা সোণটো, তুমি খেলাগৈ। মা আহিলে আমি ফুৰিবলৈ যাব লাগিব। গতিকে জোনমনিৰ লগত অলপ খেলাগৈ।"

"নাই, মই আজি নেখেলো। জোনমণিৰ মাকে জোনক লৈ কিমান মৰম কৰে আমাৰ মায়ে মোক মৰম কৰিবলৈ কিয় নাহে বাৰু?"

এই বুলি বিখ্যাত ঠিকাদাৰ আনন্দ চলিহাৰ ছয় বছৰীয়া পুতেক সোণমনিয়ে কান্দিবলৈ ধৰিলে।

এইবাৰ আনন্দ চলিহাৰ মুখৰ পৰা কান্দোনৰ শব্দ ভাঁহি আহিল। পুতেকক বুকুৰ মাজত সাৱটি ধৰি এৰি অহা অতীতলৈ ঘূৰি গ'ল।

অজস্ৰ ধন-সম্পত্তিৰ মালিক আনন্দ চলিহা। গুৱাহাটী চহৰৰ এজন বিখ্যাত ঠিকাদাৰ। দুই তিনিখন গাড়ীৰ মালিক। কিন্তু আজি চলিহাৰ চকুত চকুলো। মানুহক ধন-সম্পত্তি তথা গাড়ীয়ে সুখ দিব নোৱাৰে। যাৰ এখনি হৃদয় শোকত অথিৰ অবিৰ হৈ আছে তাক জানো বাহিৰা সৌন্দৰ্য্যই সুখ দিব পাৰিব? যাক তেওঁ শৈশৱৰ পৰা প্ৰাণভৰি ভাল পাই জীৱনৰ লগৰী কৰি লৈছিল আৰু যাৰ পৰা তেওঁ সেই মৰমৰ প্ৰতিদান পাইছিল সেইহেন এখনি হিয়াৰ পৰা বঞ্চিত হৈ ঠিকাদাৰ চলিহাই আজি শোকত বলিয়া হৈ ফুৰিছে। এই জীৱন কিমান যন্ত্ৰনাদায়ক, সেইটো একমাত্ৰ চলিহাৰ নিচিনা ব্যক্তিয়েহে বুজিব, ভাগ্যৰ লিখন কোনেও খণ্ডাব নোৱাৰে।

চলিহাৰ ঘৰ আগতে শ্ৰীৰামপুৰৰ মিলন পাৰত আছিল। তাতেই পাপৰীহঁতৰ ঘৰো আছিল। পাপৰী আছিল চলিহাৰ শৈশৱৰ খেলাৰ লগৰী। লাহে লাহে সিহঁত দুয়ো যৌৱনত ভৰি দিছিল। এদিন এজাক বলিয়া বতাহে সিহঁত দুয়োকে জোকাই লৈ গ'ল দুটি প্ৰাণ এটি হোৱাৰ ইংগিতেৰে??

চলিহাই পাপৰী অৰ্থাৎ পাপৰী ফুকনক গভীৰ ভাৱেই ভাল পাবলৈ শিকিলে। পাপৰী আছিল ঘৰখনৰ বৰ আলসুৱা ছোৱালী। মাক দেউতাকৰ সৈতে পাপৰী বৰ সুখী আছিল।

"আহা পৰী আজি আমি দুৰ্গাপুজা চাবলৈ যাওঁ।"

"অলপ ৰ'বা দেই আনন্দদা মই অলপ নিজকে সজাই লওঁ।"

"আনন্দদা, আজি কিন্তু দুৰ্গাদেৱীৰ ওচৰত দুয়োৰে সেৱা জনাম দুয়োৰে দুয়োক পোৱাৰ অভিলাষেৰে ধৈৰ্য্য, সাহস আৰু বলশক্তি বিচাৰি। কেনে দেখা বাৰু?"

"ঠিকেই পৰী, এতিয়া মাথো লৰালৰিকৈ ওলাই আহা।"

এইদৰে কথা বতৰা পাতি গৈ থাকোতেই পূজাৰ থলী পালেগৈ। এটা সময়ত দুৰ্গাদেৱীৰ ওচৰত সেৱা জনাই যোৱা বাটেৰে আকৌ ঘূৰি আহিল ঘৰলৈ। সদায় গধূলি আনন্দ পৰীহঁতৰ ঘৰলৈ গৈ পৰীক পঢ়া-শুনাত অলপ সহয় কৰি দিছিল। নজনা কথাবোৰ সদায়েই নোট কৰি দি আহিছিল। এদিন প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কটন কলেজৰ উঃ মাঃ প্ৰথম বাৰ্ষিক বিজ্ঞান শাখাৰ ছাত্ৰী হৈ পৰিছিল পাপৰী ফুকন ওৰফে পৰী।

সেয়ে এদিন আনন্দ চলিহাও মিলন পাৰাৰ পৰা গুছি গৈছিল গুৱাহাটী চহৰত থকা পৰীৰ কাষলৈ। ঘৰ এটা ভাড়া কৰি তেওঁ তাতেই ঠিকা কাম আৰম্ভ কৰি দিলে। অলপ দিনৰ পাছতে তেওঁ সেই চহৰত বিখ্যাত ঠিকাদাৰ হৈ পৰিল। নিজাকৈ ঘৰ-দুৱাৰ, গাড়ী আদি কিনি লৈ পৰীক বিয়াৰ প্ৰস্তাৱ দিলে। পৰীয়ে সেই প্ৰস্তাৱ গ্ৰহণ কৰি তাতেই সাধাৰণভাৱে বিয়া পাতিলে। ঘৰলৈ মাথো খবৰটোহে পঠালে।

সিহঁত দুয়ো যুগ্ম জীৱনৰ স্বাক্ষৰ হিচাপে দুবছৰৰ পাছত পাপৰীৰ কোলালৈ সোণমণি আহিল। এদিন দুদিনকৈ সোণমণি ডাঙৰ দীঘল হৈ আহিল। তাৰ মুখত পৰী দেশৰ থুনুক থানাক মাত ফুতিবলৈ ধৰিলে। আনন্দত বিভোৰ হৈ গৈছিল সোণমণিৰ মাক-দেউতাক।

নিষ্ঠুৰ নিয়তিৰ পৰিহাস তেওঁলোকৰ জীৱনত পৰিল। সেইদিনা আছিল বৃহস্পতিবাৰ। পৰীয়ে চলিহাক কামাখ্যা মন্দিৰলৈ যাবলৈ স্থিৰ কৰালে। কাৰণ পৰীৰ বহুত দিনৰ পৰাই কামাখ্যা মন্দিৰলৈ যোৱাৰ প্ৰৱল ইচ্ছা হৈ আছিল। গতিকে হঠাৎতেই বৃহস্পতি বাৰটোকে ঠিক কৰি পেলালে। যথাসময়ত ধূপ-নৈবেদ্য যোগাৰ কৰি তেওঁলোকে যাত্ৰা

আৰম্ভ কৰিলে। চলিহাই নিজে গাড়ী চলাই কামাখ্যা পাহাৰৰ ৰাস্তা পালেগৈ। পাহাৰীয়া ৰাস্তাৰে চলিহাই লাহে লাহে গাড়ী চলাই গৈ আছিল।

হঠাতে পিছফালৰ পৰা যাত্ৰীবাহী বাছ এখনে চলিহাৰ টেক্সিখন খুন্দিয়াই পাহাৰৰ গড়াত পেলাই দিলে। অধঃগামী টেক্সীৰ খিৰিকিৰে পৰী চিটিকি পৰিছিল এটা প্ৰকাণ্ড শিলত। আৰু টেক্সীখনো দুৰ্ভাগ্যক্ৰমে পৰীৰ গাতেই বাগৰি পৰিল।

কি যে অঘটন ঘটি গ'ল? পাপৰীয়ে কামাখ্যা দৰ্শন নকৰাকৈয়ে এই সংসাৰৰ পৰা বিদায় লব লগা হ'ল। চলিহাই মূৰত বৰলৈ আঘাট পাই অজ্ঞান হৈ পৰিছিল। সোণমণিও যেনেতেনে উশাহটোকেহে লৈ আছিল। লগে লগে কেইজনমান ব্যক্তিয়ে নি তেওঁলোকক চিকিৎসালয়ত ভৰ্ত্তি কৰালে। এসপ্তাহৰ পাছত দুয়ো সুস্থ হৈ উঠিল। কিন্তু সিঁহতক পৰীয়ে আজীৱন কন্দুৱাই থৈ গ'ল। দুৰ্ভগীয়া সোণমনি মাকৰ মৰমৰ পৰা আধৰুৱা হৈ থাকিল চিৰদিনলৈ। সেয়ে মাজে মাজে সি দেউতাকক মাকৰ কথা কৈ আমনি কৰে।

চলিহাই এবুকু বেদনা লৈ সোণমণিক মৰমেৰে এখন প্ৰতিচ্ছবি চকুৰ আগত লৈ এই মুহূৰ্ত্তত সোণমণিক কয় ''সোণ মা সোনকালেই আহিব তোমাৰ কাষলৈ। গতিকে তুমি অলপ খেলাগৈ। মা আহিলে আমি ফুৰিবলৈ যাম নহয়। সেই বাক্যষাৰে সোঁৱৰাই দিয়ে অতীতত ঘটি যোৱা কাহিনীটোলৈ। য'ত তেওঁ সোণমণিক সাৰটি ধৰি এক জড় পদাৰ্থৰ দৰে সন্মুখৰ চকীখনত বহি থাকে অন্যমনস্ক ভাৱে। ◆

## জানিবলগীয়া কথা

### বিশ্বজ্ঞান

◆ শ্ৰী নবীন ফুকন
স্নাতক তৃতীয় বৰ্ষ

#### অসমৰ কথা

১। প্ৰথম অসমীয়া বুৰঞ্জীবিদ ঃ হলীৰাম ফুকন।
২। প্ৰথম অসমীয়া চাহ খেতিয়ক ঃ জগন্নাথ বৰুৱা।
৩। প্ৰথম অসমীয়া মহিলা স্নাতক ঃ শ্ৰীমতী শান্তিলতা দুৱৰা, সুধালতা কাকতি।
৪। প্ৰথম অসমীয়া ভাইচ চেঞ্চলৰ ঃ কৃষ্ণকান্ত সন্দিকৈ।
৫। প্ৰথম অসমীয়া ৰাজ্যপাল ঃ বিষ্ণুৰাম মেধি।
৬। প্ৰথম অসমীয়া চৰকাৰী হাইস্কুলৰ প্ৰধান শিক্ষক ঃ কেশৱ নাথ ফুকন।

#### ভাৰতৰ কথা

১। সৰ্বপ্ৰথম ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাত মহিলা মন্ত্ৰী ঃ ৰেণুকা দেৱী বৰকটকী।
২। সৰ্বপ্ৰথম ভাৰতীয় বোলচবি খন ঃ ''আলম আৰা''।
৩। সৰ্বপ্ৰথম ভাৰতত চিনেমা ঘৰ নিৰ্মাণ হয় ১,৯০৭ চনত, কলিকতাত।
৪। ভাৰতৰ প্ৰথম আৰু শেষ গৱৰ্ণৰ জেনেৰেল দুজন ক্ৰমে জন ৱাৰেথ হেষ্টিংচ আৰু লৰ্ডমাউন্টবেটেন।

পৃথিৱীৰ সাতোটা অপূৰ্ব নিৰ্মাণ (তিনিটা যুগৰ) প্ৰাচীন যুগৰ আচৰিত বস্তু সাতোটা –

১। মিছৰৰ পিৰামিড ২। বেবিলনৰ শূন্যদান। ৩। ৰোড্‌চ দ্বীপৰ পিতলৰ মূৰ্ত্তি ''কলোচাচ''।
৪। এফিচাচৰ ডায়েনাৰ মন্দিৰ। ৫। হেলিকৰ্নাচৰ মচোলিয়মা বা সমাধি মন্দিৰ।
৬। অলিম্পিয়াৰ জুপিটাৰৰ মূৰ্ত্তি। ৭। আলেকজেন্দ্ৰিয়াৰ ফোৰেচ দ্বীপৰ লাইট হাউচ বা প্ৰদীপঘৰ।

#### মধ্যযুগত

১। চীনৰ প্ৰাচীৰ ২। পীচানগৰৰ হেলনীয়াস্তম্ভ ৩। আগ্ৰাৰ তাজমহল ৩। নানকিনৰ চীনা মাটিৰ স্তম্ভ
৫। হবামৰ ৰঙ্গমঞ্চ ৬। কনষ্টান্টিনোপলৰ চোফিয়াৰ মছজিদ ৭। আলেক জেন্দ্ৰিয়াৰ কটাকোম্ব নামৰ কাৱেং ঘৰ।

#### আধুনীক যুগত

১। নিউয়ৰ্কৰ ষ্টেট বিল্ডিং ২। পানামা খাল ৩। ইজিপ্তৰ আচোৱান বান্ধ ৪। চাম ফ্ৰাসিতাকাৰ ওকলেণ্ড ব্ৰীজ
৫। ওৱাছিংটনৰ স্মৃতি মন্দিৰ ৬। টেমচন নদীৰ সুৰংগ ৭। লণ্ডনৰ মাটিৰ তলৰ ৰেলপথ।

# মনতে হীনমন্যতা

❐ প্ৰাঞ্জল কটকী
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

শৰৎকালৰ ৰাতিপুৱা। মৃদু ঠাণ্ডাৰ আভাস। কম্বলখন গায়ে মূৰে মেৰিয়াই লৈছোঁ। সেই সময়কনত জীৱনৰ সমস্ত সুখ পোৱা যেন লাগিল। ৰাতিপুৱা ৭ মান বাজিছেগৈ। ইতিমধ্যে বেলি ওলাল। সাৰ পাই থাকিলেও বিছনা এৰিব মন যোৱা নাছিল। নান অলীক কল্পনাৰে মনটো উপছি পৰিছে। মোৰ মন সদায় কল্পনা ৰাজ্যত ভ্ৰমি ফুৰে, য'ত কোনো বাস্তৱতা নাই। বৰ্তমানৰ কথা ভাবিলেই জীৱনটো অসাৰ্থক যেন লাগে।

বেলি ইতিমধ্যে ভালকৈয়ে ওলাইছে। মোৰ এক বিৰক্তিদায়ক দিনৰ আৰম্ভণি ঘটিল। বেলিৰ পোহৰ খিৰিকীয়েদি সোমাইছে। মোৰ হৃদয়ত যিকন আনন্দ আছিল তাৰো পোহৰৰ আৰম্ভণিত মঁচখাই যাব ধৰিলে। মোৰ অৱস্থিতি এই পৃথিৱীত এটা বুঢ়া গাধৰ দৰে। মা-দেউতাৰ যে মই কোনো আশাৰ পাত্ৰ নহয় তাকো অনুভৱ কৰিছোঁ। আগৰদৰে ৰাতিপুৱাই তেওঁলোকে মোক উঠাই নিদিয়া হ'ল। তেওঁলোকে হয়তো মোক আগৰ মৰম-চেনেহ দিব নিবিচাৰে আৰু নিবিচাৰিবও। বিচাৰিবওনো কেলেই? সাধাৰণভাৱে মেট্ৰিকটো পাছ কৰিছোঁ। কলেজতো যোৱা বছৰ যি ৰিজাল্ট দেখুৱালো মা-দেউতাই তাক দেখি মোৰ ওপৰত যি আশা কৰিছিল সকলো পৰিত্যাগ কৰিলে। নিজৰ ওপৰত মোৰ বেয়া লাগে। মোৰ আছেনো কি? নাই বিদ্যা, নাই ৰূপ, নাই বাপদেউতাৰ সম্পত্তি। এটা মধ্যম বৰ্গৰ পৰিয়ালৰ নিঃকিন সন্তান। দেউতাক লক্ষ্য কৰিছোঁ এইকেইদিনত তেওঁ যথেষ্ঠ খীণাইছে। সম্ভৱতঃ মোৰ ভৱিষ্যতৰ চিন্তাতেই। তেওঁ নিশ্চয় ভাবিছে মইনো কি কৰি এই সংসাৰত টিকি থাকিম। কেতিয়াবা ভাবো মই বিপ্লৱী সংগঠনত যোগ দি বিপ্লৱৰ দীপশিখা জ্বলাই তুলিম। কিন্তু তাকো কৰিবলৈ মোৰ সাহস নাই। মই ভীৰু নেকি? নাজানো! দীপশিখা শব্দটো মনতে আকৌ এবাৰ আওৰালো।

ইতিমধ্যে ৮ মান বাজি গৈছে। মায়ে হয়তো মোৰ অধপতন আৰু সহিব নোৱাৰিলে। সেইবাবেই মোক উঠিবলৈ কৈ গ'ল। তেতিয়াহে বাস্তৱৰ মুখামুখী হলো। ততাতৈয়াকৈ বিছনাৰ পৰা উঠিলো। আইনাৰ ওচৰত গৈ দাঁত ঘহিব ধৰিলো। আকৌ কিছুমান কল্পনাই জুমুৰি দি ধৰিলে। দীপশিখা শব্দটো বাৰে বাৰে মনলৈ আহিল। কেনে যে মাতকতা আছে এই শব্দটোত। দীপশিখা, মোৰ লগতে পঢ়া এগৰাকী ছাত্ৰী। মই তাইক লৈ গৈ আছো। দূৰলৈ, বহুদূৰলৈ! হঠাৎ গায়ে চায়ে পানী দেখি আচৰিত হ'লো। পিছফালে ভন্টিয়ে মেলৈ চাই হাঁহি থকা দেখি বুজিলো— তায়ে মোৰ জড় অৱস্থা দেখি পানী মাৰি জোকাইছে। ততাতৈয়াকৈ মুখখন ধুলো। কলেজলৈ যাবলৈ সাজু হলো। মায়ে গতানুগতিকভাবে ৰুটি ভাজি দিলেহি এটা খীণ হাঁহি মাৰি। মই পাউদাৰ আদি যি আছে গালে-মুখে সানি লৈছো। মায়ে দেখি হয়তো মোৰ ৰূপৰ বাবে পুতৌ কৰি হাঁহিটো মাৰিছে। ওলোৱাৰ সময়ত মই বৰ উচ্ছাসৰে ওলাওঁ। কিন্তু মাৰ পুতৌদায়ক হাঁহিটোৱে বাঘে হৰিণাক খোৱাৰ দৰে মোৰ উচ্ছাসকো গিলি পেলায় আৰু নিতৌ একেটি হাঁহিৰ কবলত একেবাৰে দুৰ্বল হৈ পৰিছোঁ।

কলেজলৈ যাওঁতেও নানা কল্পনাৰে মন ভৰি থাকে। আজি দীপশিখাৰ লগত .....। বাটত সদায় সৌৰভৰ দোকানত ৰৈ কিবা এটা খাওঁ। সি সদায় মোক কাউৰী বুলি জোকায়। মই ভীষণ লাজ পাওঁ। কিন্তু তাৰ দোকানত মই নোসোমোৱাকৈ থাকিব নোৱাৰো এক তীব্ৰ আকৰ্ষণৰ বাবে। কাৰণ বেলেগ দোকানত তাতকৈয়ো বেয়া সম্বোধন পাওঁ বুলি। ক্লাছ হোৱাৰ ৫ মিনিটমান আগত কলেজ পালোগৈ।

সময় গৈ থাকিল। এটা দুটাকৈ তিনিটা ক্লাছ হৈ গ'ল। ক্লাছত মই নিঃসঙ্গ। শেষ বেঞ্চৰ চুকত মোৰ স্থান। ক্লাছত মোৰ অৱস্থিতি মই নিজেই অনুমান কৰিব নোৱাৰো। মোৰ নাই কোনো লগ সঙ্গ। মোৰ দৰে বিদ্যা-ৰূপহীন গাধৰ লগত কোনেনো কথা পাতিব? এনে লাগে যেন মই কথা পাতিবও নাজানো। মা, দেউতা, ভন্টিৰ বাহিৰে কাৰো লগত কথা নাপাতি নাপাতি কেতিয়াবা এদিন একেবাৰে বুৰ্বক হৈ যাম। আমাৰ কলেজৰ কোনো প্ৰফেছাৰে মোক বাটত দেখিলেও মই যে তেওঁৰ কলেজৰে ছাত্ৰ বুলি চিনি নাপায়। মহাকাশৰ দৰে মোৰ কল্পনা অসীম হলেও মোৰ অৱস্থিতি কেৱল শূন্য।

অফক্লাছত ল'ৰাৰ কমন ৰুমলৈ গৈ টেবুল টেনিছ চাই আছোঁ। মই দেখি দেখি খেলটো বুজা হৈছোঁ। দুজনে খেলি গুছি গ'ল। মই খেলিবৰ অদম্য আকাঙ্খাৰ বাবে বেটখন তুলি লবলৈ গৈছিলো। এটাই আহি মোক ঠেলা এটা মাৰিলে আৰু সি বেটখন ললে। কিন্তু উভতি দৌৰি গৈ বেটখন লোৱাৰ মানসিক শক্তি মোৰ নাই। নিজকে হীন যেন লাগিল। চাৰিওফালে চালো মোৰ অৱস্থা কোনোবাই দেখিছে নেকি। নাই, নাই দেখা। এবাৰ বলটো তলত পৰি গ'ল। তুলি দিলো। তুলি দিয়াত ল'ৰাটোৱে ধন্যবাদ দিয়াৰ পৰিবৰ্তে মোৰ নিঃকিন দেহাটোলৈ চাই তাচ্ছিল্যৰ হাঁহি মাৰি আকৌ খেলাত লাগিল। লাজতে কাণ-মূৰ গৰম উঠি গ'ল।

তাৰ পিছত ক্লাছটো আৰম্ভ হ'ল। দীপশিখাক এইবাৰ স্পষ্টকৈ দেখা পালো। তাইক চাবলৈও মোৰ সাহস নাছিল, নাচালেও থাকিব নোৱাৰিছিলো। তাই প্ৰফেছাৰৰ সকলো প্ৰশ্নৰে উত্তৰ দিয়ে। কি যে সাংঘাতিক ছোৱালী। মোৰ নিজৰ কথা ভাবি মনটো আকৌ বেজাৰেৰে ভৰি পৰিল। ক্লাছটোত মন নবহিল। সূৰ্য্যৰ পোহৰ জিলিকি উঠা পুখুৰীটোলৈ চাই আছিলো। আনখন খিৰিকীৰে দেখিলো খন্তেক আগতে ৰ'দ পৰি থকা ঠাইখন লাহে লাহে ছাঁ পৰি আহিছে, মনটোও ছাঁৰ দৰে কলা হ'ব ধৰিলে। সকলোৰে খিলখিলকৈ হাঁহি দিয়াতহে মোৰ চেতনা আহিল। দেখিলো ল'ৰ কিছুমানে মোৰ পেন্টৰ পিছফালে ৰছীৰে বান্ধি

টানিবলৈ ধৰিছে আৰু নেজ থকা বান্দৰ বুলি চিঞৰিব ধৰিছে। গম পালো ক্লাছটো ইতিমধ্যে শেষ হৈছে। সকলোৱে লগতে দীপশিখায়ো হাঁহিছে। নিজকে আকৌ নিঃকিন যেন লাগিল। সকলোৱে হাঁহিয়াতৰ পাত্ৰ হ'লো। অকণমান সময়ৰ পিছত দেখিলো দীপশিখাই এটা ল'ৰাৰ লগত হাতত ধৰা ধৰিকৈ কথা পাতি আছে। আনৰ মুখত শুনিলো সি হেনো তাইৰ প্ৰেমিক। বাকীকিটা ক্লাছ আৰু কৰিবৰ মন নগ'ল। কিবা এটা শোকে খুন্দা মাৰি ধৰাত ঘৰলৈ গুছি আহিলো।

আবেলি চাৰিমান বজাত বেডমিন্টন খেল পথাৰলৈ গৈ নেটখনৰ পোষ্ট কিটাৰ ওচৰত গৈ থিয় হলেগৈ। এটাই ধমক দিলে খুটাটো নধৰিবলৈ নহলে নেটখন ঢিলা হৈ যাব। খেল আৰম্ভ হোৱাৰ পৰা শেষলৈকে সেইখিনিতে ৰৈ থাকিলো। কিন্তু খেলিব নাপালো। ঘৰলৈ আহি এটা দীঘল হুমুনিয়াহ কাঢ়িলো। কিতাপ এখন আগত ললো। কিন্তু পঢ়াত মন নবহিল। নানা কল্পনাই মনটো গ্ৰাস কৰিব ধৰিলে। ভাত খাবলৈ গৈ বহোতে কাষত মা ৰৈ আছে, ভন্টিয়ে কিবা কিবি কৈ আছে আৰু দেউতা কিবা ভাৱত বিভোৰ হৈ আছে। দেউতাৰ মুখখন দেখি মোৰ নিজৰে বেয়া লাগিল। শুনিছিলো দেউতাৰ নিচিনা ৰঙিয়াল মানুহ তেওঁলোকৰ গাওঁখনতে নাছিল। ক'ত গ'ল সেই দেউতা।

ৰাতি শুৱৰ সময়ত মই খুব কান্দিলো। কেলেই কান্দিলো মই নাজানো। কেৱল গাৰুটো চকুৰ পানীৰে এবোজামান গধুৰ হৈ আছিল। ৰাতিপুৱা উঠি মোৰ নিজকো বেলেগ বেলেগ লাগিছিল। দেখিলো মানুহ এটাক বগা কাপোৰেৰে ঢাকি থোৱা আছে। হয়তো মৰা মানুহ। কিন্তু আমাৰ ঘৰত কোননো মৰিল। মা-দেউতা, ভন্টি চাৰিওফালে বহি কান্দি আছে। মই দৌৰী গ'লো আৰু মাক চিঞৰি চিঞৰি ক'লো "মা, এইটো কাৰ মৰাশ?" কিন্তু মায়ে মূৰ তুলি নাচালে। দেউতাকো চিঞৰিলো কিন্তু তেও মূৰ নাদাঙিলে। ভালকৈ চাই দেখিলো সেইটো মোৰ মৃতদেহ। তাৰ মানে মোৰ কল্পনাপ্ৰেমী অন্তৰৰ মানুহটো মৰিল সেই কথা বুজিবলৈ বাকী নাথাকিল, পাছত বৰ ফৰকাল অনুভৱ কৰিলো।◆

## এজন কৃপণ

অসমৰ ভিতৰতে নাম থকা কৃপণ এজন কেনেবাকৈ দিল্লীত উপস্থিত হ'ল। প্ৰথমে লাগিল খোৱাৰ চিন্তা। কেনেবাকৈ ক'ৰবাত বিনামুলীয়াকৈ খাব পাৰি নেকি সেই বুলি ইফালে সিফালে চাওতে কিছুদূৰত ডাঙৰ হোটেল এখন দেখি চুচুক চামাককৈ ওচৰ চাপি দেখে – "আহক, আহক" বুলি চাইন বোৰ্ডত ধুনীয়াকৈ লিখা আছে। ভিতৰলৈ সোমাই দুখন দুৱাৰ দেখিলে –"আমিষ" আৰু আনখনত "নিৰামিষ"। মানুহজনে আমিষতে সোমাল। আকৌ তেওঁ দুখন দুৱাৰ দেখা পালে, এখন দুৱাৰত লিখা আছে "বাকীত" আৰু আনখন দুৱাৰত লিখা আছে "নগদত"। তেখেতে সহাসেৰে "বাকী" দুৱাৰেদি সোমাই আন এখন দুৱাৰ দেখা পায় "বাহিৰলৈ" সেই দুৱাৰেদি সোমাই দেখে যে তেওঁ হোটেলৰ পাচফালৰ ৰাস্তাত হে উঠি আছে।

## কথোপকথন

ঘৰত জুই লাগিছে, জুই লাগিছে.....।
মোৰ কি হ'ল?
আপোনাৰ ঘৰতহে লাগিছে!
তাতে আপোনাৰ কি হ'ল?

সংগ্ৰহ
শ্ৰীবিউটি ঘোষ
স্নাতক ১ম বৰ্ষ
অৰ্থনীতি বিজ্ঞান বিভাগ

রস ৰচনা

# আকাশবাণী

■ সৌমিত্র কুমাৰ বৰুৱা, প্ৰবক্তা
মূৰব্বী, পদাৰ্থবিজ্ঞান বিভাগ)

এয়া আকাশবাণী; বাতৰি শুনক পঢ়িছে লেবা মহাজনে। আজিৰ প্ৰধান প্ৰধান বাতৰি সমূহ হৈছে –

দেশৰ নিৰ্বাচনী আইনৰ সংশোধনকে ধৰি আন কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ বিধেয়ক আজি সংসদত গ্ৰহণ কৰা হয়।

আজি সমগ্ৰ দেশৰ বিভিন্ন অঞ্চলত জাতীয় উৎসৱ বানপানী আৰু দূৰ্ভিক্ষ উলহ মালহেৰে পালন কৰা হৈছে।

প্ৰধানমন্ত্ৰী শ্ৰী খেলিমেলি সিদ্ধান্ত ডাঙৰীয়াই দেশৰ সকলো মানুহক দৰিদ্ৰসীমা ৰেখাৰ ওপৰলৈ আনিবৰ বাবে "দৰিদ্ৰসীমা ৰেখা" ডাল তললৈ নমাই দিয়া হ'ব বুলি ঘোষণা কৰিছে।

ভাৰতীয় Reserve Bank ত ধনৰ উভৈনদী ঘটিছে।

ছিদনীত অনুষ্ঠিত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ তৃতীয় এদিনীয়া বিশ্বকাপ ক্ৰিকেটত অষ্ট্ৰেলিয়া দলে জয়লাভ কৰা কাৰণে ভাৰতীয় দলটো পৰাজয় হ'ব লগা হয়।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ১৯৯৭ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ যোৱা ১ ডিচেম্বৰ তাৰিখৰ পৰা অনুষ্ঠিত হৈছে।

এতিয়া শুনক বিতং বাতৰি।

দেশৰ নিৰ্বাচনী আইনৰ সংশোধনকে ধৰি কেইবাখনো বিধেয়ক আজি সংসদত গ্ৰহণ কৰা হৈছে। সংসদৰ চলিত শীতকালীন অধিবেশনৰ আজি দ্বিতীয় দিনা সমূহ বিৰোধী সদস্যই সদন কক্ষ ত্যাগ কৰাত সৰ্বসন্মতি ক্ৰমে বিধেয়ক কেইখন গ্ৰহণ কৰা হয়। আজি উত্থাপিত বিধেয়ক সমূহৰ ভিতৰত নিৰ্বাচনী আইন সংশোধনী বিধেয়কখনেই আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। বিধেয়কখন উত্থাপন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কয় যে এতিয়াৰ পৰা দেশৰ সংসদ আৰু বিধান সভাৰ নিৰ্বাচন প্ৰতি ডেৰ মাহৰ মূৰে-মূৰে অনুষ্ঠিত হ'ব। গৃহমন্ত্ৰী গৰাকীয়ে কয় যে এই সংশোধনৰ ফলত সংসদ আৰু বিধানসভাৰ কাৰ্য্যকাল ডেৰমহীয়া হোৱাৰ লগে লগে দেশৰ অধিক সংখ্যক মানুহেই ঘনে ঘনে মন্ত্ৰী, এম, এল, এ হোৱাৰ সুবিধা লাভ কৰিব।

কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰী দেউলীয়া মহাজনে কয় যে, সম্প্ৰতি ভাৰতীয় Reserve Bank আৰু ইয়াৰ আনুসংগিক Bank প্ৰতিস্থান সমূহত টকাৰ উভৈনদী ঘটিছে। কেন্দ্ৰীয় দৰিদ্ৰ ঋণদান আঁচনি (চমুকৈ DRDA) খনৰ শুভ উদ্বোধন কৰি মন্ত্ৰী গৰাকীয়ে দিয়া ভাষণ প্ৰসংগত উল্লেখ কৰে যে এই বিলাক টকাই দেশত সঘনাই অনুষ্ঠিত হ'ব লগা নিৰ্বাচন সমূহত খৰছ কৰিব পৰা হ'ব।

প্ৰধান মন্ত্ৰী শ্ৰী খেলিমেলি সিদ্ধান্ত ডাঙৰীয়াই কয় যে অনতিপলমে দেশৰ অধিকাংশ মানুহকেই দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ অনা হ'ব। প্ৰধানমন্ত্ৰী গৰাকীয়ে ৰাজধানীৰ বস্তি অঞ্চল এটাত "এজন মানুহ এখন ৰুটি" নামৰ নৱতম আঁচনি এখনৰ শুভ উদ্বোধন কৰি দিয়া ভাষণত উল্লেখ কৰে যে যিহেতু সম্প্ৰতি দেশৰ অধিক সংখ্যক লোকে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে, গতিকে এই সকল লোকক আৰ্থিক ভাবে সকাহ দিবলৈ দেশৰ দৰিদ্ৰ সীমাৰেখাডাল তললৈ নমাই দিয়া হ'ব। এই কাৰণে প্ৰয়োজনীয় বিধেয়ক সংসদত চলিত অধিবেশনতে উত্থাপন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

দেশৰ বিভিন্ন অঞ্চলৰ পৰা জাতীয় উৎসৱ বানপানী আৰু দূৰ্ভিক্ষ পালনৰ বাতৰি আমালৈ আহিয়েই আছে। কোনো কোনো অঞ্চলত এই উৎসৱৰ লগত সংগতি ৰাখি সাহায্য শিবিৰ আৰু ৰিলিফ উৎসৱৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অসমৰ বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী শ্ৰী বৰকথীয়া গঁগে দেৱে থলুৱা ঠিকাদাৰ সকলে সহযোগিতা কৰিলে অহা বছৰলৈ এই উৎসৱ দেশৰ সকলো অঞ্চলতে পাতিব পৰা যাব বুলি আশা প্ৰকাশ কৰিছে।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ১৯৯৭ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ যোৱা ১ ডিচেম্বৰৰ পৰা অনুস্থিত হৈ আছে। যথাৰীতিৰে পতাকা উত্তোলন, ছহীদ তৰ্পন আদি কাৰ্য্যসূচী পালন কৰা হয়। দুটা পছলাৰ মাজৰ বগা ফিটা কাটি মহাবিদ্যালয়ৰ উপাধ্যক্ষই খেল পথাৰ উদ্বোধন কৰে। এই উখল মাখল পৰিবেশত মহাবিদ্যালয়ৰ প্ৰায় পোন্ধৰ জন ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। আমালৈ এই মাত্ৰ অহা বাতৰি মতে মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি এইবাৰ নতুনকৈ "বাতৰি পঢ়া" প্ৰতিযোগিতাৰ আয়োজন কৰা গৈছে।

সম্প্ৰতি মহাকাশত বিচৰণ কৰি থকা ভাৰতীয় মহাকাশচাৰী শ্ৰী কল্পনা চাওলাক স্বৰ্গীয় লক্ষ্মীদেৱী আৰু দেৱৰাজ ইন্দ্ৰই সম্বৰ্দ্ধনা জ্ঞাপন কৰে বুলি জানিব পৰা হৈছে।

ছিডনীত অনুস্থিত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ তৃতীয়খন এদিনীয়া ক্ৰিকেট খেলত যোৱা কালি বিজয়ী দলটোৱে জয়লাভ কৰা কাৰণে ভাৰতে পৰাজয় বৰণ কৰিব লগা হয়।

স্থানীয় কৰ্দৈগুৰি ষ্টেডিয়ামত চলি থকা আন্তঃৰাষ্ট্ৰীয় টাংগুটি প্ৰতিযোগিতাত দেশৰ ৯ টা আগশাৰীৰ দলে যোগদান কৰিছে। উদ্বোধনী অনুষ্ঠানত স্থানীয় অবতাৰ শিল্পী, ক্ষমা কৰিব অনাতাৰ শিল্পী শ্ৰী গানোৱাৰ গাৰ্গিষ্টে এক স্বৰচিত জ্যোতি সংগীত পৰিবেশন কৰে।

স্থানীয় বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰেৰণ কৰা বতৰৰ আগলি বতৰা অনুসৰি গহপুৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত অহা ২৪ ঘণ্টাত বৰষুণ নিদিলে বতৰ ফৰকাল হৈ থাকিব। সন্ধিয়া ৫ বজাৰ পিছত অন্ধকাৰ হ'ব যদিও পিছদিনা পুৱা ৪ বজাত পুনৰ পোহৰ হ'ব। অহা ৪৮ ঘণ্টাত সামান্য বা ধাৰাষাৰ পৰিমাণে বৰষুণ হবও পাৰে বা নহবও পাৰে বুলি বতৰ বিজ্ঞান বিভাগে জনাইছে।

আমাৰ আজিৰ দুপৰীয়াৰ বাতৰি ইমানতে শেষ হ'ল।◆

সম্পাদনা ঃ অধ্যাপক, শ্ৰীদিগন্ত গোঁহাই
অধ্যাপক, শ্ৰীদীপক দাস

মহাবিদ্যালয় সপ্তাহৰ 'বাতৰি পঢ়া' প্ৰতিযোগিতাত পঠিত

## কুইজ

১। পৃথিৱীৰ ভিতৰত প্ৰথম চিৰিয়াখানা কোনখন?

২। সম্মিলিত ৰাষ্ট্ৰসংঘৰ প্ৰথম মহিলা সভাপতি গৰাকী কোন আছিল?

৩। কোনে কৈছিল "I have nothing to offer but blood toil tears and sweat?"

৪। বৰষুণ দিয়া গছ ক'ত আছে?

৫। সৰ্বপ্ৰথম কোনে মটৰ চাইকেলেৰে উত্তৰমেৰু পায়গে?

৬। ৰঘুবীৰ যাদৱে কোনখন চিনেমাৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান পাইছিল?

৭। ভাৰতৰ আতাইতকৈ পুৰণি পৰ্বতখন কি?

৮। টিবিয়া নামৰ হাড়ডাল মানুহৰ কোনটো অংশত থাকে?

৯। ভাৰতবৰ্ষৰ কোন দুখন ৰাজ্যত প্ৰথমে সেউজ বিপ্লব হৈছিল?

১০। প্ৰথম ভাৰতীয় ভাষাৰ চুটি গল্পটো কি?

১১। মাউন্ট এভাৰেষ্টত মানুহে কিমান চনৰ কোন মাহত পদাৰ্পণ কৰে?

১২। ৰিলায়েঞ্চ কাপত ভাৰত-পাকিস্তানৰ যুটীয়া চেয়াৰমেন কোন আছিল?

১৩। জণ্ডিচ বেমাৰে মানুহৰ দেহৰ কোন অংশত ক্ষতিসাধন কৰে?

১৪। ভাৰতৰ স্বাধীনতাৰ পিছত ভাষা ভিত্তিক গঠন কৰা ৰাজ্যখনৰ নাম কি?

১৫। "He who gains losses nothing" কোনে কৈছিল?

১৬। ভাৰতৰ কাক "Man of peace" বুলি কোৱা হয়?

১৭। প্ৰথম এছিয়ান গেমছত কিমানখন ৰাষ্ট্ৰই অংশ গ্ৰহণ কৰিছিল?

১৮। কোন চনত ভাৰতত প্ৰথম পোষ্ট কাৰ্ডৰ প্ৰচলন হৈছিল?

১৯। ভাৰতবৰ্ষৰ আটাইতকৈ পুৰণি দুৰ্গটো ক'ত অৱস্থিত?

২০। চিংগাপুৰৰ ৰাষ্ট্ৰীয় ফুল কি?

### উত্তৰ সমূহ

১। নামবিয়াৰ এটোচা ৰিজাৰ্ভ। আয়তন ৯৯, ৫২৫ বৰ্গ কিঃ মিঃ।

২। বিজয়লক্ষ্মী পণ্ডিত।

৩। উইষ্টন চাৰ্চিল।

৪। দক্ষিণ আমেৰিকাত।

৫। চিনজি কাজমা।

৬। মাচি চাহেব।

৭। আৰাবলি (Aravallis)

৮। ভৰিৰ তলৰ অংশত থাকে।

৯। হাৰিয়ানা আৰু মহাৰাষ্ট্ৰ।

১০। ইন্দুমতি (হিন্দী ভাষাৰ)।

১১। মে মাহ, ১৯৫৩ চন।

১২। এন, কে, পি, ছালভে।

১৩। যকৃৎ।

১৪। অন্ধ্ৰ প্ৰদেশ।

১৫। ৰুচ সম্ৰাজ্ঞী দ্বিতীয় কেথেৰিণ।

১৬। লালবাহাদুৰ শাস্ত্ৰী।

১৭। ১১ খন। (এঘাৰ)।

১৮। ১৮৭৯ চনত।

১৯। কালিনজাৰ দুৰ্গ (মধ্য প্ৰদেশত)।

২০। অৰকীড।

সংগ্ৰহ
**দেৱকুমাৰ শইকীয়া**
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক
(বিজ্ঞান শাখা)

● "সাহিত্য ভাবৰ ধ্বনি আৰু প্ৰতিধ্বনি মাথোন। জাতীয় সাহিত্যও জাতীয় ভাবৰ ধ্বনি আৰু প্ৰতিধ্বনিহে। জাতীয় জীৱনে যিমান দিন জাতীয় ভাবৰ প্ৰতিধ্বনি কৰিব পাৰে, তিমান দিনেই ই বাচি থাকে।"

■ ড° বাণীকান্ত কাকতি

## উপ-সভাপতিৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতেই সেই সকলৈলে মোৰ শ্ৰদ্ধাৰ্য নিবেদিছোঁ, যিসকল ব্যক্তিয়ে নিজ দেশৰ কাৰণে প্ৰাণ আহুতি দিলে। ইয়াৰ পিছতেই সেইসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা নিবেদিছোঁ, যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে বিগত ১৯৯৭-৯৮ বৰ্ষটোৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ পদলৈ মোক নিৰ্বাচিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

ছাত্ৰ একতা সভালৈ উপ-সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ পিছতেই হয়তো নিজেই সংকল্পবদ্ধ হৈছিলোঁ আৰু ভাবিছিলো বিভিন্ন সমস্যা জৰ্জৰিত গহপুৰৰ দৰে পিছপৰা অঞ্চলত অৱস্থিত বিস্তৃৰ্ণ ছয়দুৱাৰ অঞ্চলৰ ৰাইজৰ আশাৰ কঠিয়াতলি জ্ঞানৰ মন্দিৰ এই মহাবিদ্যালয়খনিত কিছু নহয় কিছু সমস্যাৰ আশু সমাধানৰ পথ বিচাৰি পাম। কিন্তু আজি মোৰ কাৰ্য্যকালৰ অন্তত নিজৰেই প্ৰশ্ন জাগিছে যে কিবা সমস্যাৰ সমাধান কৰাত সক্ষম হ'লো জানো?

মোৰ কাৰ্য্যকালৰ কামৰ খতিয়ান নিচেই নগন্য। তথাপিতো আমাৰ কাৰ্য্যকালৰ ভিতৰতেই ছাত্ৰ-ছাত্ৰীসকলক ৰেহাই মূল্যত কমপিউটাৰ ক্লাছ কৰিবলৈ দিয়া হয়। লগতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক সাহিত্যৰ দিশত আগবঢ়াই নিবৰ কাৰণে "সাহিত্য চ'ৰা" গঠন কৰা হয়। ইয়াৰ বাদেও বিভিন্ন বিভাগৰ সম্পাদক সকলক তেখেত সকলৰ কাৰ্যকলাপত মই দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়াই আহিছোঁ।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ সংবিধানে উপ-সভাপতিৰ পদটিক এটা নাম হিচাপে ৰাখিছে বুলি কলেও বঢ়াই কোৱা নহয় হয়তো মোৰ কাৰ্য্যকালৰ ভিতৰত কিমান সেৱা আগবঢ়াবলৈ সক্ষম হলো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু সকল তথা যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য্যকালটি সুচাৰুৰূপে পৰিচালিত হোৱাত সহায় কৰিলে তেখেতসকলৰ বহুমুলীয়া দিহা পৰামৰ্শৰে মোক সহায় সহযোগ আগবঢ়ালে তেখেত সকলৈলে মোৰ কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে অজানিতে হোৱা ভুল ক্ৰটিৰ বাবে ক্ষমা বিচাৰি মোৰ চমু প্ৰতিবেদন সামৰণি মাৰিছোঁ।

"জয় আই অসম"
জয়তু ছয়দুৱাৰ মহাবিদ্যালয়"

শ্ৰদ্ধাৰে
শ্ৰীমনোজ কুমাৰ থাপা
উপ-সভাপতি

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সকলো শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীবৰ্গলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে অসম মাতৃৰ জ্ঞাত-অজ্ঞাত সকলো শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

১৯৯৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত যিসকল চিন্তাশীল ছাত্ৰ-ছাত্ৰীয়ে অশেষ উৎসাহ উদ্দীপনা আৰু অমুল্য ভোটদানেৰে সাধাৰণ সম্পাদকৰ এই গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰিলে সেইসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। বিভিন্ন ধৰণৰ সমস্যা আৰু অভাৱৰ মাজত মোৰ সম্পাদকীয়ৰ বিগত কালছোৱাত সকলো ছাত্ৰ-ছাত্ৰীকে সন্তুষ্টি দিব পৰাকৈ কিমান কি কৰিব বিচাৰিছিলো আৰু কিমান কৰিব পাৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। লেখত এটা বছৰ কাৰ্য্যনিৰ্বাহ কৰিবলৈ পোৱা যায় যদিও জোখত পাঁচমাহ মানহে কাৰ্য্যকৰী হয়। বিভিন্ন ধৰণৰ সমস্যাৰ মাজতো আমাৰ ছাত্ৰ একতা সভাই অত্যাৱশ্যকীয় কিছুমান অভাৱ পুৰণ কৰাৰ চেষ্টা অব্যাহত ৰাখিছিল। উক্ত অভাৱ সমূহ পুৰণাৰ্থে কৰ্তৃপক্ষক আমি আবেদন-নিবেদন কৰিছিলোঁ। আমাৰ আঁচনিত অন্তৰ্ভুক্ত অধিক পৰিমাণৰ অভাৱেই অৱশ্যে কৰ্তৃপক্ষই কাৰ্য্যকৰী কৰাত ইতিবাচক সঁহাৰি প্ৰদান কৰিছিল। বহুতো আশা আৰু কল্পনা বুকুত লৈ আমাৰ মহাবিদ্যালয়খনক উন্নতিৰ পথত আগুৱাই নিম বুলি ভাবিছিলো যদিও হয়তো সময় আৰু পৰিস্থিতিয়ে সেই সাহস মোক নিদিলে। তাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা খুজিছোঁ। প্ৰয়োজনতকৈ কমকৈ পোৱা সময়ৰ ভিতৰত আমাৰ ক্ষুদ্ৰমান প্ৰচেষ্টাৰে যিখিনি কৰিছোঁ তাৰপৰা ছাত্ৰ-ছাত্ৰীসকল কিমানদূৰ উপকৃত হৈছে, সেই বিষয়ে আপোনালোক নিজেই জ্ঞাত। আমাৰ কাৰ্য্যকালত আমি যিখিনি কৰিব নোৱাৰিলো আৰু যিখিনি কাম আধৰুৱা হৈ থাকিল আশাকৰো সেই কাম বিলাক পৰৱৰ্তী ছাত্ৰ একতা সভাই সুকলমে সম্পূৰ্ণ কৰিব।

**আমাৰ কাৰ্য্যকালত সমাধা হোৱা কামসূহ হ'ল ঃ—**

- ❖ মহাবিদ্যালয়ৰ মঞ্চৰ সম্পূৰ্ণ কাপোৰ ক্ৰয় কৰি স্থায়ীভাবে ৰখাৰ ব্যৱস্থা কৰা হয়।
- ❖ ছাত্ৰী জিৰণীকোঠাৰ পানীৰ ফিল্টাৰ, কেৰম, টেনিচ আৰু অন্যান্য খেলৰ সামগ্ৰী যোগানৰ ব্যৱস্থা কৰা হয়।
- ❖ ছাত্ৰী জিৰণি কোঠাৰ আচবাব আৰু খেলৰ সামগ্ৰী যোগান ধৰা হয়।
- ❖ ছাত্ৰবাসত বিজুলী সংযোগৰ সু-ব্যৱস্থা কৰা হয়।
- ❖ পুথিভঁৰালৰ সামগ্ৰিক উন্নয়নৰ গুৰুত্ব প্ৰদান কৰা হয়।
- ❖ মহাবিদ্যালয়ৰ চৌদিশে বিভিন্ন ধৰণৰ গছপুলি ৰোৱা হয়।
- ❖ মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে সাহিত্য চ'ৰা গঠন কৰা হয়।
- ❖ মহাবিদ্যালয়ত পোন প্ৰথমবাৰৰ বাবে ছাত্ৰ সংসদৰ জৰিয়তে কম্পিউটাৰ প্ৰশিক্ষণ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হয়।

এইবিলাকৰ উপৰিও বিভিন্ন সম্প্ৰদায়ৰ (বড়ো, মিছিং, নেপালী) অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা ৮জন ছাত্ৰ-ছাত্ৰীক (বিজ্ঞান আৰু ক'লা) প্ৰয়োজনীয় ধনৰ খৰচ বহন কৰি নামভৰ্তিকৰণত সহায় কৰা হয়। বিভাগীয় সম্পাদকসকলৰ ভিতৰত বহিঃ ক্ৰীড়া বিভাগৰ, আন্তঃক্ৰীড়া বিভাগৰ আৰু শৰীৰ চৰ্চা বিভাগৰ যথেষ্ট পৰিমাণৰ সামগ্ৰী ক্ৰয় কৰা হয়।

### আমাৰ কাৰ্য্যকালত অনুষ্ঠিত হোৱা বাৰ্ষিক কাম-কাজৰ খতিয়ান

**সৰস্বতী পূজা ঃ** ১৯৯৭ চনৰ সাধাৰণ নিৰ্বাচনত জয়লাভ কৰি ২২।১।৯৭ তাৰিখে দায়িত্বভাৰ গ্ৰহণ কৰিয়েই ১২।২।৯৭ তাৰিখে শ্ৰীশ্ৰী পঞ্চমী তিথিভাগ আমি উলহ-মালহেৰে অনুষ্ঠিত কৰো। তিথিভাগৰ বিভিন্ন কাম-কাজ সুকলমে চলাই নিয়াত মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত দিগন্ত গোহাঁই, দীপক দাস, মাণিক গগৈ, পদ্মেশ্বৰ ভূঞা, নিৰণ ভূঞা, প্ৰদীপ দত্ত আদি শিক্ষাগুৰুসকলৰ উপৰিও প্ৰতিষ্ঠা দিৱসৰ বন্তি প্ৰজ্জ্বলনত উপাধ্যক্ষ শ্ৰীযুত খগেন গোস্বামীদেৱ আৰু ছাত্ৰী নিবাসৰ ছাত্ৰীসকলে যি সহায়-সহযোগিতা আগবঢ়ালে তেখেতসকলক আজি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

**শ্ৰীশ্ৰীশংকৰ দেৱৰ তিথি ঃ** যোৱা ইং ৩।৯।৯৭ (১৭ ভাদ) তাৰিখে মহাপুৰুষ জনাৰ তিৰোভাৱ তিথিভাগ বৃহৎ নাম-প্ৰসঙ্গেৰে আমি পালন কৰো।

## তৰ্ক আৰু আলোচনা সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অজ্ঞানৰ তিমিৰ নাশী জ্ঞানৰ প্ৰদীপৰ সন্ধান দিয়া মোৰ স্বনামধন্য শিক্ষাগুৰু সকল আৰু যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে ১৯৯৭-৯৮ বৰ্ষৰ তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি যি সহায় সহযোগ কৰিলে তেখেত সকললৈ মোৰ শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

১৯৬৬ চনতে জন্ম লাভ কৰা ছয়দুৱাৰ মহাবিদ্যালয় খনিকলৈ গহপুৰবাসী ৰাইজে আজি একত্ৰিশটা বছৰে গৌৰৱত গৌৰৱান্বিত হৈ আহিছে। এইখন মহাবিদ্যালয়ে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেতি আহি আজি একত্ৰিশ বছৰ অতিক্ৰম কৰিছেহি। মই পুনঃবাৰ ইতিহাসক সুঁৱৰিছোঁ। বুৰঞ্জীয়ে গৰকা অঞ্চলটিত অৱস্থিত মহাবিদ্যালয়খনৰ একত্ৰিশটা বছৰৰ পূৰ্বতে যিসকল স্বনাম ধন্য ব্যক্তিৰ দৃষ্টিত এই মহান অনুষ্ঠানটিৰ সৃষ্টিৰ সপোন দেখিছিল তেখেতসকলক ছয়দুৱাৰ মহাবিদ্যালয়ে চিৰদিন সুঁৱৰি থাকিব আৰু যি সকল ছাত্ৰ-ছাত্ৰীয়ে এই মহাবিদ্যালয়ত অজ্ঞান সাগৰত সাতুৰি নাদুৰি জ্ঞান মাণিক বুটলি ছয়দুৱাৰ মহাবিদ্যালয়ক গৌৰৱেৰে গৌৰান্বিত কৰি থৈ গ'ল তেখেত সকলৰ নাম মহাবিদ্যালয়ৰ ইতিহাসৰ পাতত চিৰদিন সোণালী আখৰেৰে জিলিকি থাকিব। প্ৰাচীনতম কলা আৰু শিল্প হ'ল বাক শিল্প। এই শিল্পৰ প্ৰতি গভীৰ দুৰ্বলতা থকাৰ বাবেই ছয়দুৱাৰ মহাবিদ্যালয়ৰ এই বিভাগটো পৰিচালনা কৰাৰ হাবিয়াস উপজিছিল।

'পৃথিৱীত চৰম সত্য একো নাই' সকলো মানুহৰে চিন্তাধাৰা একে নহয়। সেই বাবেই কোনো এটা বিষয়ৰ ওপৰত বিতৰ্ক হোৱাতো স্বাভাৱিক। যুক্তিৰ বিচাৰ বিশ্লেষণ কৰি এটা সিদ্ধান্তত উপনীত হোৱাটো মানৰ সমাজ জীৱনৰ বাবে অতি প্ৰয়োজনীয়।

তৰ্ক আৰু আলোচনা শাখাটো পৰিচালনা কৰোঁতে কিমান গতিশীলতাৰ সৃষ্টি কৰিব পাৰিছিলো তাৰ বিচাৰ আপোনালোকৰ হাতত। কিছু গতিশীল কৰিবলৈ সামৰ্থ্য অনুসৰি যে চেষ্টা চলাইছিলোঁ সেইটো সত্য।

মোৰ কাৰ্য্যকালত সামৰ্থ্য অনুসৰি যিখিনি কৰিবলৈ চেষ্টা কৰিছিলোঁ তাৰ খতিয়ান ডাঙি ধৰা হ'ল –

১। যোৱা ইং ১০।১।৯৭ তাৰিখে 'অভিযাত্ৰী কলা কেন্দ্ৰ' জামুগুৰিহাটত অনুষ্ঠিত হোৱা কুইজ আৰু বিতৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি গিৰীশ বৰমুদৈ, ভাস্কৰজ্যোতি বৰুৱা আৰু সঙ্গীত দাসে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰাৰ লগতে মই নিজেই বিতৰ্কত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰথম স্থান অধিকাৰ কৰো।

২। যোৱা ইং ১১।৭।৯৭ তাৰিখে নগাওঁ 'পাঞ্চজন্য' ৰ সৌজন্যত অনুষ্ঠিত সদৌ অসম বিতৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা ৰশ্মি ৰেখা শৰ্মা আৰু মই অংশ গ্ৰহণ কৰি ২য় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰাৰ লগতে ৰশ্মিৰেখা শৰ্মাই ২য় শ্ৰেষ্ঠ তাৰ্কিক আৰু মই শ্ৰেষ্ঠ নিয়মানুবৰ্ত্তিতা তাৰ্কিকৰ সন্মান লাভ কৰোঁ।

৩। ইং ৬ চেপ্তেম্বৰত তেজপুৰত অনুষ্ঠিত "স্বৰ্গীয় জয়ন্ত শইকীয়া" সোঁৱৰণি আন্তঃ মাহবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰে।

৪। যোৱা ১।১০।৯৭ তাৰিখে মঙ্গলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰি ৰশ্মি ৰেখা শৰ্মাই তৃতীয় স্থান অধিকাৰ কৰে।

৫। যোৱা ইং ২ আৰু ৩ অক্টোবৰত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত K.K. Handique Memorial all Assam inter College Recitation and Debating Competiition ত আমাৰ মহাবিদ্যালয়ৰ ৰশ্মিৰেখা শৰ্মা আৰু চুমী বৰঠাকুৰে অংশ গ্ৰহণ কৰে।

৬। যোৱা ইং ৬।১২।৯৭ তাৰিখে নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত "স্বৰ্গীয় চেনিৰঞ্জন দত্ত" সোঁৱৰণী সদৌ অসম ভিত্তি তৰ্ক প্ৰতিযোগিতাত মই (চুমী বৰঠাকুৰে) নিজেই অংশ গ্ৰহণ কৰি তৃতীয় স্থান দখল কৰো।

যোৱা ইং ১ ডিচেম্বৰ তাৰিখৰ পৰা অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহৰ ৩ আৰু ৪ ডিচেম্বৰ তাৰিখে তৰ্ক আৰু আলোচনা শাখাৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতা সমূহ হ'ল – তৰ্ক, আকস্মিক, বক্তৃতা, কৌতুক, বাতৰি ঘোষক, কুইজ।

কৃতজ্ঞতা ঃ মোৰ কাৰ্য্যকালৰ একেবাৰে আৰম্ভণি পৰ্য্যায়ৰ পৰা শেষ মুহূৰ্ত্তলৈকে ওতঃপ্ৰোতঃভাৱে জৰিয়ত থাকি দিহা পৰামৰ্শ দিয়া, সহায় সহযোগিতা কৰা বিভাগীয় তত্বাৱধায়ক শ্ৰীযুত খগেন গোস্বামী ছাৰলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ লগতে বিতৰ্ক শাখাৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিভিন্ন প্ৰতিযোগিতা আৰু সামাজিক দিশত অনুৰাগি অধ্যক্ষ মহোদয় শ্ৰীযুত অচুতানন্দ দেৱ গোস্বামী ছাৰে দিহা পৰামৰ্শ দি অনুপ্ৰাণিত কৰাৰ লগতে পৰ্য্যাপ্ত পৰিমাণে আৰ্থিক সাহাৰ্য্য আগবঢ়ায় আমাক বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে পঠায়। তেখেতলৈ বিতৰ্ক শাখাৰ ফালৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত মাধৱ উপাধ্যায় আৰু শ্ৰীযুত পদ্মনাথ ফুকন ছাৰে আমাক বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে যি সময় আগবঢ়ায়। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত সৌমিত্ৰ বৰুৱা, শ্ৰীযুত শৰৎ শৰ্মা, শ্ৰীযুত প্ৰদীপ দত্ত, শ্ৰীযুত দূৰ্গা সভাপণ্ডিত ছাৰ আৰু শ্ৰীযুতা পূৰবী দত্ত বাইদেউৱে মোক বিভিন্ন দিশত সহায় আৰু পৰামৰ্শ আগবঢ়ায়। তেখেত সকললৈ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। তৰ্ক বিভাগটো পৰিচালনা কৰোঁতে মোক সহয় কৰা দাদা পদ্মকান্ত দলে, ৰবিন্দ্ৰ কাকতি, বেদব্ৰত বৰা, দামোদৰ মহন্ত, বাইদেউ – ৰূপামণি, অঞ্জুমণি, মৃণালী, ভন্টী ৰশ্মিৰেখা, কবিতা, বান্ধৱী লকুমণি, দেৱযানী, অবজামণি।

পৰিশেষত মোৰ কাৰ্য্যকালত প্ৰতিটো পদক্ষেপতে ভুল ভ্ৰান্তি অজানিতভাৱে বৈ গৈছে। সকলো বিলাকৰ বাবে ক্ষমা ভিক্ষা মাগিলো। যি সকলে মোৰ কাৰ্য্যকালত সহায় আগবঢ়ালে তেখেতসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো আৰু ছয়দুৱাৰ মহাবিদ্যালয়ৰ বিতৰ্ক আৰু আলোচনা বিভাগটোৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**"জয়তু ছয়দুৱাৰ মহাবিদ্যালয়"**

শ্ৰদ্ধাৰে
**চুমী বৰঠাকুৰ**

## বহিঃক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিয়ে নিজ দেশৰ কাৰণে প্ৰাণ আহুদি দিলে তেখেতসকলৰ প্ৰতি শ্ৰদ্ধা অঞ্জলী অৰ্পণ কৰিলোঁ।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বহিঃক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিজ কৰ্তব্য পালনৰ ক্ষেত্ৰত আপোনা লোকৰ পৰা যি সহায় পালো তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ প্ৰতি কৃতজ্ঞতা জনাইছো।

প্ৰিয় ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল, আপোনালোকৰ মৰম উপহাৰ মোৰ নিৰ্বাচনী জয়ত। তাৰ বাবেই আপোনালোকক ১৯৯৭ চনৰ বহিঃ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে সেৱা কৰাৰ সুবিধা দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালত কিমানদূৰ অগ্ৰসৰ হ'ব লাগিছিল সিমান দূৰ অগ্ৰসৰ হ'ব নোৱাৰিলো। সম্পাদক হিচাপে মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ কাৰ্য্যকালৰ ভিতৰত কিমান খিনি দায়িত্ব বোধেৰে সেৱা আগবঢ়াব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

আমাৰ মহাবিদ্যালয়ৰ বহুতো আগ্ৰহী উদীয়মান আৰু প্ৰতিভাসম্পন্ন খেলুৱৈ আছে উক্ত খেলুৱৈ সকলক মহাবিদ্যালয়ৰ বিভাগীয় কৰ্তৃপক্ষই প্ৰশিক্ষণৰ দ্বাৰা প্ৰশিক্ষণ দিয়ালে ছাত্ৰ-ছাত্ৰীসকলে নিশ্চয় একাগ্ৰতাই গ্ৰহণ কৰি সুদক্ষ খেলুৱৈ ৰূপে নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰিব পাৰিব।

মোৰ কাৰ্য্যকালৰ বিগত দিন বোৰৰ কাৰ্য্যত দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, তত্বাবধায়ক শ্ৰীযুত হেৰম্ব পায়েং আৰু বছৰৰ সকলৈলে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা গুৰুক মৰম ও শ্ৰদ্ধা যাচি ছয়দুৱাৰ মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনাৰে বছেৰেকীয়া প্ৰতিবেদন সামৰণি মাৰিলো।

**জয় আই অসম**

শ্ৰদ্ধাৰে

**শ্ৰীৰাতুল বৰা**

**সম্পাদক বহিঃ ক্ৰীড়া বিভাগ**

## আন্তঃক্রীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল বীৰ বীৰঙ্গনাই অসমৰ অস্তিত্ব ৰক্ষাৰ্থে আৰু সোণৰ অসম গঢ়াৰ মানসেৰে নিজৰ প্ৰাণ আহুতি দি তেওঁলোকৰ বুকুৰ কেঁচা তেজেৰে অসমৰ মাটি ৰাঙলি কৰি যি ত্যাগ আৰু সাহসৰ পৰিচয় দি থৈ গ'ল সেই সকল মহান শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ।

ইয়াৰ পিছতে সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা যাচিছোঁ যি সকল ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীয়ে বিগত ১৯৯৭ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভালৈ আন্তঃক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি সমাজসেৱাৰ সুযোগ দিলে।

ইয়াৰ ওপৰিও ৪।৮।৯৭ তাৰিখে মই মহাবিদ্যালয়ৈলে আহি থকা অৱস্থাত সেনা বাহিনীয়ে আটক কৰোতে ছাত্ৰ একতা সভাৰ সদস্য সকলে অশেষ কষ্ট কৰিও মোক সেনাবাহিনীৰ কবলৰ পৰা ৰক্ষা কৰা বাবে তেখেত সকললৈ কৃতজ্ঞতা আগবঢ়াইছোঁ।

ক্ৰীড়া অৰ্থাৎ খেলা-ধুলা হৈছে শিক্ষাৰ এক অপৰিহাৰ্য্য অংগ। কেৱল পুথিগত শিক্ষাই মানুহৰ যথেষ্ট নহয়। লগতে প্ৰয়োজন হয় খেলা ধুলাৰো, কিন্তু আমাৰ মহাবিদ্যালয়ৰ আৰ্থিক দিশটো অতি দুৰ্বল, সেয়ে খেলা ধুলাৰ সকলো সুবিধা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিব পৰা নাযায়। উপযুক্ত সামগ্ৰীৰ অভাৱত বহুতো প্ৰতিভাৱান খেলুৱৈৰ প্ৰতিভা সুপ্ত হৈ থকাও পৰিলক্ষিত হয়। তথাপিও মোৰ কাৰ্য্যকালত সীমিত কেইটামান পুঁজিৰে যিমান পাৰি খেলাধুলাৰ সামগ্ৰী যোগান ধৰিছিলো। যি সকল প্ৰতিভাৱান খেলুৱৈয়ে মহাবিদ্যালয় সপ্তাহত বিভিন্ন ক্ৰিড়া প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে তেখেত সকলৰ ভৱিষ্যত উন্নতি কামনা কৰিলোঁ।

শেষত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য্যকালৰ বিভিন্ন দিশত জড়িত থাকি পৰামৰ্শৰ লগতে সহায় আগ বঢ়ালে তেখেত সকললৈ কৃতজ্ঞতা যাচিছোঁ। মোৰ কাৰ্য্য কালৰ বছৰটিত সকলো ফালৰ পৰা দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে অধ্যক্ষ শ্ৰীযুত অচ্যুতানন্দ দেৱগোস্বামী, উপাধ্যক্ষ শ্ৰীযুত খগেন গোস্বামী দেৱ আৰু তত্বাবধায়ক শ্ৰীঅজিত হাজৰিকা ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ প্ৰৱক্তা, কৰ্মচাৰী বৃন্দলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

সদৌ শেষত শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ ওচৰত অজানিতে হৈ যোৱা ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**"জয়তু ছয়দুৱাৰ মহাবিদ্যালয়"**

শ্যামন্ত ভূঞা
সম্পাদক আন্তঃক্ৰীড়া বিভাগ

# কৃষ্টি সম্পাদকৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ প্ৰাকমুহূৰ্ত্তত, দেশৰ অস্তিত্ব ৰক্ষাৰ কাৰণে যি সকলে প্ৰাণ বিসৰ্জন দিলে সেই সকল শ্বহীদ বীৰ বিৰংগনালৈ মই মোৰ অশ্ৰুঅঞ্জলী ও প্ৰণিপাত জনাইছোঁ।

দ্বিতীয়তে যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক তেওঁলোকৰ উৎসাহ উদ্দীপনাৰে তথা তেওঁলোকৰ বহু মুলীয়া ভোটদানেৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কৃষ্টি সম্পাদক হিচাপে জয়যুক্ত কৰালে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ আৰু তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

তৃতীয়তে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, সমূহ শিক্ষক-শিক্ষয়ত্ৰী আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়া ভৰা মৰম, শ্ৰদ্ধা ও অভিনন্দন জ্ঞাপন কৰিলোঁ।

ছাত্ৰ-ছাত্ৰীসকলে যি আশা আগত ৰাখি মোক এই গধুৰ দায়িত্ব দিছিল সেইয়া কিমানখিনি কৰিলো বা নোৱাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। তথাপিও সকলো দায়িত্বক মোৰ নিজৰ কৰ্তব্য হিচাবে লৈ ধৈৰ্য্য, সাহস আৰু আগ্ৰহেৰে আগবাঢ়ি গৈছিলো তাক কাৰ্য্যত পৰিণত কৰিবলৈ। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতে অৰ্থাৎ ১৫-১৬/৯/৯৭ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে অতি উলহ মালহেৰে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। ১৫ তাৰিখে প্ৰীতিচৰা ও বিচিত্ৰানুষ্ঠান আৰু ১৬ তাৰিখে মূলসভা সুকলমে অনুষ্ঠিত কৰা হয়। মূলসভাখনি এটি সুমধুৰ সমবেত সংগীতেৰে আৰম্ভ কৰা হয়। দুয়োটা দিনাই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ তথা শিক্ষক-শিক্ষয়ত্ৰী বৃন্দ আৰু কৰ্মচাৰী বৃন্দৰ সহায় সহযোগিতা তথা উৎসাহ উদ্দীপনাৰে আদৰণি সভাক আৰু বেছি সাফল্যমণ্ডিত কৰি তোলে। ইয়াৰ পিছতেই এই মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' আহি পৰে। ১৯৯৭ চনৰ ১ ডিচেম্বৰৰ পৰা মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। অতি আনন্দৰ বিষয় এই যে বহুত দিন বিৰতিৰ মূৰত যোৱা বছৰৰ পৰা পুণৰ আৰম্ভ হোৱা নাটক প্ৰতিযোগিতা এইবাৰো অতি ধুনীয়াকৈ অনুষ্ঠিত কৰা হয়। বহুতো নাট্যদলে যোগদান কৰি প্ৰতিযোগিতাখনিক আৰু বেছি সুন্দৰ কৰি তোলে। মোৰ আনন্দৰ বিষয় এই যে কৃষ্টি প্ৰতিযোগিতাত আগৰ বছৰবোৰতকৈ এইবাৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰাৰ লগতে তেওঁলোকৰ সক্ৰীয় সহযোগিতাৰে সফল কৰি তোলাত মোক অশেষ উৎসাহ যোগাইছিল। ২৭।১২।৯৭ তাৰিখে অনুষ্ঠিত কৰা বঁটা বিতৰনী সভা খনি এটি সুন্দৰ সমবেত সংগীতেৰে মুকলি কৰা হয়। মোৰ কাৰ্য্যকালত আৰু এটা আনন্দৰ বিষয় এই যে এইবাৰ 'ষ্টেজৰ' সকলো কাপোৰ নতুন হোৱাত আদৰণি সভা ও মহাবিদ্যালয় সপ্তাহ আৰু বেছি ধুনীয়া হয়। মোৰ কাৰ্য্যকালৰ ভিতৰত কিছুমান অসুবিধাৰ সন্মুখীন হৈছিলো। প্ৰধানতঃ বাদ্যযন্ত্ৰৰ অভাৱ, তথাপিও মোৰ কাৰ্য্যকালত মই নতুন 'দোগী' এটা কিনিছিলো। মোৰ পিছৰ সম্পাদক সকলে বাদ্য যন্ত্ৰৰ অভাৱসমূহ দূৰ কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্য্যকালৰ সময়ছোৱাত সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ আদিৰে সহায় আগবঢ়োৱা শিক্ষাগুৰু শ্ৰীযুত অচ্যুতানন্দ দেৱ গোস্বামী, শ্ৰীযুত খগেন গোস্বামী ছাৰ, তত্ত্বাবধায়ক শ্ৰীযুত দীপক দাস ছাৰ আৰু কৃষ্টি প্ৰতিযোগিতাত বহুতো কষ্ট আৰু ধৈৰ্য্যৰে বিচাৰকৰ আসন গ্ৰহণ কৰা শ্ৰীযুত অনন্ত গৌতম ছাৰ, শ্ৰীযুত জগন্নাথ উপাধ্যায় ছাৰ, শ্ৰীযুত হেৰম্ব পায়েং, শ্ৰীযুত ৰঞ্জিত কামান, শ্ৰীযুত দিগন্ত গোহাঁই, শ্ৰীযুত ৰাজু ওজা, শ্ৰীযুত ভুধৰ বৰা, শ্ৰীযুতা মিতালী হাজৰিকা, শ্ৰীযুতা পুৰবী দত্ত, শ্ৰীযুতা নাছিমা চুলতানা আহমেদ, শ্ৰীযুতা লিলি বৰদলৈ আৰু শ্ৰীযুত পংকজ মৰাং দাদালৈ আৰু সমূহ অধ্যাপক অধ্যাপিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই সুযোগতে লক্ষীদাদা আৰু পুলিন দাদালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ বন্ধুবৰ্গ বিজিত, ৰাতুল, নেন, খৰুন, বুবুল, জোন্টি, জান, সঞ্জীৱ, দেবেনদা, অশ্বিনী দা, বিমলদা, মৃণালী বাইদেউ, পল্লৱী ৰেখা, বান্ধৱী মাজনী, মৃণালী, ময়ুৰী, অঞ্জু, ৰূপা, পিংকি, ভাইটি, বিনন্দ, বিপুল, ভন্টি, ৰশ্মি আৰু চুমীলৈ আৰু ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰী আৰু ছাত্ৰ নিবাসৰ সমূহ ছাত্ৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও যি সকল ছাত্ৰ-ছাত্ৰীয়ে পদে পদে মোক সহায় কৰিলে, প্ৰেৰণা যোগালে তেওঁলোকলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। সদৌ শেষত অধ্যক্ষ, তত্ত্বাবধায়ক, ছাত্ৰ-ছাত্ৰীৰ ওচৰত জ্ঞাত বা অজ্ঞাত অৱস্থাত যদি কিবা ভুল ও দোষ কৰিছিলো তাৰ বাবে বিদায় পৰত ক্ষমা বিচাৰি ছয়দুৱাৰ মহাবিদ্যালয় তথা সকলো ছাত্ৰ-ছাত্ৰী ও অধ্যক্ষ তথা সকলো অধ্যাপক আৰু অধ্যাপিকা আৰু সমূহ কৰ্মচাৰীবৃন্দৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

**"জয়তু ছয়দুৱাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা"**

**জয়তু ছয়দুৱাৰ মহাবিদ্যালয়**

শ্ৰদ্ধাৰে
**শ্ৰীৰবীন্দ্ৰ কাকতি**
সাংস্কৃতিক সম্পাদক
ছয়দুৱাৰ মহাবিদ্যালয়

## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৭-৯৮ বৰ্ষটোৰ বাবে যি সকল বন্ধু-বান্ধৱ তথা ছাত্ৰ-ছাত্ৰীয়ে ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সংসদৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদটিৰ বাবে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়যুক্ত হোৱাত সহায় সহযোগিতা আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালো।

সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোৰ কাৰ্য্যকালত বহুতো কাম কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যদিও বিভাগীয় পুঁজিৰ ধন অতি কম পৰিমাণৰ হোৱাত সকলোবোৰ কাম সুচাৰুপে পৰিচালনা কৰাত ব্যৰ্থ হওঁ। তথাপিও বিভিন্ন সমস্যাৰ মাজেৰে মোৰ কাৰ্য্যকালতে কিছু পৰিমাণৰ কাম সম্পূৰ্ণ কৰা হয়। মোৰ কাৰ্য্যকালতে ছাত্ৰ সকলৰ বাবে থকা অতি অপৰিষ্কাৰ আৰু দুৰ্গন্ধময় প্ৰসাবগাৰটো চাফাই কৰোৱা, বৃক্ষৰোপণ কৰা আদি কাৰ্য্যসূচী পালন কৰা হয়। তাৰ উপৰিও মোৰ কাৰ্য্যকালতে আমাৰ মহাবিদ্যালয়ৰ চৌহদ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে থকা খেল পথাৰখনৰ চাফাই অনুস্থান এদিনীয়াকৈ পালন কৰা হয়। উক্ত অনুস্থানত অংশ গ্ৰহণ কৰে আমাৰ মহাবিদ্যালয়ৰ এটা এন, চি, চি গোটে। মোৰ কাৰ্য্যকালতে ছাত্ৰ ছাত্ৰী সকলৰ বাবে খোৱা পানীৰ সু-ব্যৱস্থা কৰা, ছাত্ৰসকলৰ বাবে থকা জিৰণি কোঠাটোৰ উন্নতি সাধন কৰা তথা সম্প্ৰসাৰণৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত আবেদন জনোৱা হয়।

শেষত মোৰ কাৰ্য্যকালত অজ্ঞাতে হোৱা ভুল-ত্ৰুটি আৰু কিবা কাৰণবশতঃ কোনো শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ লগত ব্যক্তিগত মনোমালিন্য ঘটিছিল তাৰ বাবে ক্ষমা বিচাৰিলো।

শ্ৰদ্ধাৰে

শ্ৰীনৰজ্যোতি বৰা
সম্পাদক, সমাজসেৱা বিভাগ

## শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে অসমীয়া জাতিতোক প্ৰতিষ্ঠা কৰাৰ মানসেৰে যি সকল সন্তানে নিজৰ বুকুৰ তেজ অসমৰ মাটিত মিহলি কৰি "তৰিলে দেশ মৰিলে স্বৰ্গ" বুলি অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিলে সেইসকল বীৰ শ্বহীদক এই পবিত্ৰ ক্ষণতে সোঁৱৰিছোঁ, লগতে তেওঁলোকৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

দ্বিতীয়তে যি সকল বৰেণ্য ব্যক্তিৰ আশাসুধীয়া চেষ্টাৰ ফলত গহপুৰ অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ছয়দুৱাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা হ'ল সেই সকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছো।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈকো মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ আৰু যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক এই গুৰুভাৰ গ্ৰহণ কৰিবলৈ সুবিধাকন দিলে তেওঁলোকলৈও মোৰ হিয়াভৰা মৰম যাচিলোঁ। মোৰ অতিকৈ মৰমৰ ছাত্ৰ-ছাত্ৰী সকলে মনত যি সপোন লৈ মোক নিৰ্বাচনত জয়ী কৰিছিল তাৰ মই কিমানখিনি দিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। এখন মহাবিদ্যালয়ত শৰীৰ চৰ্চাৰ বাবে যিমানখিনি সজুলি লাগে আমাৰ মহাবিদ্যালয়ত নাই। কিছু পৰিমাণে আছে যদিও সেইখিনিয়েই যথেষ্ট নহয়। তাতেই আমাৰ মহাবিদ্যালয়ত শৰীৰ চৰ্চাৰ বাবে কোনো আচুতিয়া কোঠাৰ ব্যৱস্থা নাই ইত্যাদিবোৰ সমস্যাৰ বাবে মই মোৰ মনৰ সকলোবোৰ কল্পনা বাস্তৱত প্ৰতিফলিত কৰিব নোৱাৰিলোঁ।

মহাবিদ্যালয় কৰ্তৃপক্ষলৈ মই কেইটিমান অনুৰোধ জনাব বিছাৰিছো, যিকেইটা মোৰ কাৰ্য্যকালত অনুভৱ হৈছে -- ১। শৰীৰ চৰ্চাৰ বাবে এটি আচুতিয়া কোঠাৰ ব্যৱস্থা কৰক আৰু নিয়মিয়াকৈ ছাত্ৰ-ছাত্ৰীসকলক চৰ্চা কৰিব সুবিধা দিয়ক। ২। এডাল পাঞ্জা ষ্টেণ্ডৰ ব্যৱস্থা কৰক। ৩। শৰীৰ চৰ্চাৰ বাবে এজন উপযুক্ত প্ৰশিক্ষকক নিযুক্তি দিয়ক। ৪। খেলা ধুলাৰ বস্তু সমূহৰ ৰক্ষণাবেক্ষনৰ ব্যৱস্থা কৰক। ৫। খেলা ধূলাৰ যাৱতীয় সা-সৰঞ্জাম আৰু কিছু ক্ৰয় কৰক।

কৃতজ্ঞতা জ্ঞাপন ঃ মোৰ কাৰ্য্য কালত সৰ্বশ্ৰী প্ৰদীপ দত্ত, মুনিন দাস আৰু ৰঞ্জিত কামান ছাৰে বিভিন্ন কাম কাজত সহায় কৰা বাবে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোক সকলো কাৰ্য্যতে সহায় সহযোগ কৰা বন্ধু বান্ধৱীসকল হ'ল – সৰ্ব্বশ্ৰী বিপুল গগৈ, কবিন বৰা, চন্দ্ৰ বৰুৱা, শৰৎ হাজৰিকা, ভাস্কৰ ভূঞা, সূৰ্য্যভূঞা, জনতা কাৰ্দং, হেম হাজৰিকা, নৰেন গগৈ, ধ্ৰুৱজ্যোতি বৰা, বিপুল বৰা আৰু বিনু প্ৰধান। লগতে ছাত্ৰী নিবাসৰ ছাত্ৰী সকল। তেখেতসকলৰ ওচৰত মই কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ। লগতে মিলি, ভূপাল আৰু ৰাশিক নোসোঁৱৰি নোৱাৰো। তেখেত সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

শেষত মই সম্পাদকীয় কাৰ্য্য কালত অজানিতে কৰা ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাইছোঁ। লগতে ছয়দুৱাৰ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰিলো।

"জয়তু ছয়দুৱাৰ মহাবিদ্যালয়"

**শ্ৰীকুশল বৰা**
শৰীৰ চৰ্চা বিভাগ

## উৎসৱ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



স্বদেশ আৰু স্বজাতীৰ অস্তিত্ব ৰক্ষাৰ হেতু নিজৰ প্ৰাণ বিসৰ্জন কৰা শ্বহীদসকলৈলে প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ শত শত প্ৰণিপাত জনাইছোঁ।

যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ মৰম-স্নেহ উৎসাহ উদ্দীপনা আৰু প্ৰেৰণাত ১৯৯৭-৯৮ চনৰ বাবে মহাবিদ্যালয়ৰ উৎসৱ বিভাগৰ দৰে এটি গুৰুত্বপূৰ্ণ বিভাগৰ সম্পাদক ৰূপে প্ৰতিষ্ঠিত হোৱাৰ সৌভাগ্য লাভ কৰিছিলোঁ সেই সকল বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালত হয়তো উৎসৱ কেইটা যি দৰে উৎযাপন কৰিছিলো, যদি কলেজৰ অৰ্থ অভাৱ অৰ্থাৎ উৎসৱ বিভাগৰ পুঁজি থকা হলে অন্য নহলেও সৰস্বতী পূজাটো অলপ ধুম-ধামেৰে পাতিলো হয়। অধ্যক্ষ মহোদয়ে সৰস্বতী পূজা নপতাৰ সিদ্ধান্ত কৰিছিল। কিন্তু শেষত বহুত টানকৈ ধৰাত অধ্যক্ষ দেৱে অসম বিধান সভাৰ অধ্যক্ষ গণেশ কুটুম ডাঙৰীয়াৰ পৰা ৫০০০.০০ টকা অনুদান আনি আমাক সৰস্বতী পূজাভাগ চলাই নিয়াত সহায় কৰে।

এনেদৰেই খুব কষ্টৰ মাজেৰে মোৰ কাৰ্য্যকালৰ প্ৰথম পূজাভাগ ১২।২।৯৭ তাৰিখে মহাবিদ্যালয়ত উদ্‌যাপন কৰা হয়।

দ্বিতীয়তো উৎসৱ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি। গুৰজনাৰ তিথিত নামৰ ৰগৰেৰে মহাবিদ্যালয় পৰিবেশ প্ৰফুল্লিত কৰি তোলা হৈছিল। তৃতীয়টো উৎসৱ হ'ল শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা। এই পূজাভাগ মহাবিদ্যালয়ৰ বিজ্ঞান ভৱনত বৰ নিয়াৰিকৈ উদ্‌যাপন কৰা হৈছেল।

এই খিনিকে কৰিবলৈ যাওঁতে অজানিতে বহুতো দোষ ক্ৰুটি হ'ব পাৰে। তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনালো।

**শলাগৰ শৰাই ঃ** শেষত মোৰ কাৰ্য্যকালত নানা দিহা পৰামৰ্শৰে মোক আগবঢ়াই নিয়া মাননীয় শিক্ষাগুৰু শ্ৰীযুত মানিক গগৈ, শ্ৰীযুত অজিত হাজৰিকা, শ্ৰীযুত নিৰণ ভূঞা আৰু নাচিমা বাইদেউক মই আজীৱন শ্ৰদ্ধাৰে সুৱৰিম। আৰু বন্ধুবৰ – দীলিপ, বুদ্ধেল, ৰবিন, বীনা, অৰ্চনা, প্ৰদীপ, চন্দ্ৰ, শ্যাম, শতীশ, ৰেব, জিতু, লিমুকু, নন্দ, শ্বেৰ, ভন্টি, ফুনু, মনোজদা, ৰাখি, চিকুনী, নিজৰা, মল্লিকা, পুৱালী, কল্পনা, বিজু, ববিতা বা, নুমলি, ভন্টি, অজন্তা, হীৰা, শোভা, মুহিম, অঞ্জলি, বন্তি, দীপালী, কুঞ্জ, মঞ্জু, বেবী, ধৰিত্ৰী, দময়ন্তি, দেবিকা, ভাইটি, ৰামু, বন্ধু ৰাজু আৰু ছাত্ৰী ভৱনৰ সকলো ছাত্ৰীলৈ মোৰ আন্তৰিক মৰম ও ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত পুনৰ অজ্ঞাতে হোৱা ভুলৰ ক্ষমা বিচাৰি সকলোলৈ শ্ৰদ্ধা নিবেদি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

*'জয় আই অসম'*

"জয়তু ছয়দুৱাৰ মহাবিদ্যালয়"

শ্ৰদ্ধাৰে
শ্ৰীদেবেন গগৈ
সম্পাদক উৎসৱ বিভাগ

## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে সকলো মহানৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা থাকিল। ১৯৯৭-৯৮ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰিলে তেখেত সকলৰ ওচৰত চিৰকৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিগত বছৰটোত মোৰদ্বাৰা যিবোৰ কাম সম্পন্ন হ'ল বা নহ'ল, সেইবোৰ আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। ছাত্ৰ জিৰণী কোঠাৰ বহুতো সমস্যা আছে। বিভাগটোৰ ধন অতি সীমিত। সেই সীমিত ধনেৰে ছাত্ৰসকলক কিছুমান সুবিধা দিবলৈ পাৰ্য্যমানে চেষ্টা কৰা হয়।

ছাত্ৰ জিৰণি কোঠাটো প্ৰয়োজনীয় জিৰণি কোঠাই নহয়, ছাত্ৰ জিৰণি কোঠাত সকলো ছাত্ৰই শ্ৰেণী বিৰতিৰ সময়ত একেলগে বহি সকলো ছাত্ৰই ইয়াত সকলো ধৰণৰ আলোচনী, কিতাপ, বাতৰি কাকত আদি পঢ়িবলৈ সুযোগ পাব লাগে। আনফালেদি ছাত্ৰ জিৰণি কোঠাতো আহল বহল নহয় কাৰণে এটা সৰু জিৰণি কোঠাতে বহি থকাৰ সুবিধা নোপোৱাত সমূহ ছাত্ৰ-ছাত্ৰীয়েই শ্ৰেণী বিৰতি সময়ত বাহিৰত থিয় হৈ থাকিব লগীয়া হৈছে। কলেজৰ কৰ্তৃপক্ষই ছাত্ৰ জিৰণি কোঠাতো বহলভাবে আৰু বহিবলৈ সুযোগ সুবিধা দি ছাত্ৰসকলৰ প্ৰতি উপযুক্ত কৰি গঢ়ি তুলিবলৈ ছাত্ৰ সকলৰ ভৱিষ্যত জীৱন গঢ়াত সুবিধা দিলে ছাত্ৰসকলৰ লগতে মইয়ো নিশ্চয় সুখী হম।

সদৌ শেষত কলেজৰ কৰ্তৃপক্ষ আৰু বিভাগটো পৰিচালনা কৰোতে অনেক ভুল ত্ৰুটিৰ বাবে ছয়দুৱাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই ক্ষমা বিচাৰিছো। ছয়দুৱাৰ মহাবিদ্যালয়খনৰ উজ্জ্বল দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

শ্ৰদ্ধাৰে

**শ্ৰীদুৰ্গেশ্বৰ বৰা**

সম্পাদক, ছাত্ৰ জিৰণি কোঠা



## ছাত্ৰী জিৰণী কোঠাৰ সম্পাাদিকা প্ৰতিবেদন



জয় জয়তে অসমী আইৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে যি সকল বীৰ-বীৰাঙ্গনাই হাঁহিমুখে প্ৰাণ আহুতি দিলে সেইসকল মহান শ্বহীদৰ শ্ৰীচৰণত মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে নিজ কৰ্তব্য পালনৰ ক্ষেত্ৰত আপোনালোকৰ পৰা যি সহায় পালো তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ প্ৰতি কৃতজ্ঞতা জনাইছোঁ।

প্ৰিয় ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকল। আপোনালোকক মৰমৰ উপহাৰ মোৰ নিৰ্বাচনী বিজয়ে আপোনালোকক ১৯৯৭ চনৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে সেৱা কৰাৰ সুবিধাকণ দিয়াৰ কাৰণে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই বিভাগীয় সম্পাদিকা হিচাপে ছাত্ৰী সকলৰ শৈক্ষিক, মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বিভিন্ন কাৰ্য্যসূচী সাধ্যানুসাৰে গ্ৰহণ কৰিম বুলি মনস্থ কৰিছিলোঁ। কিন্তু কল্পনা মধুৰ, বাস্তৱ সদায়েই গধুৰ। কল্পনাবোৰে বাস্তৱ ৰূপ পাবলৈ অৰ্থনৈতিক ও অন্যান্য সমস্যাৰ বাবে ভাবানুমতে অপাৰগ হৈছিল। মোৰ কাৰ্য্যকালত এই ক্ষেত্ৰত যিমান দুৰ অগ্ৰসৰ হব লাগিছিল সিমান দূৰ অগ্ৰসৰ হ'ব নোৱাৰিলো। সম্পাদিকা হিচাপে মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ কাৰ্য্যকালৰ ভিতৰত কিমানখিনি সেৱা আগবঢ়াব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

প্ৰতিবেদন লিখাৰ প্ৰাকমুহূৰ্তত ভাবিছোঁ ছাত্ৰ-ছাত্ৰীসকলে জাপি দিয়া দায়িত্বভাৰ কিমান সুচাৰু ৰূপে পালন কৰিলো। মানুহৰ অভাৱ অসীম। আমাৰ জিৰণী কোঠাও তাৰ ব্যতিক্ৰম নহয়। বিভাগীয় সীমিত টকাৰে ছাত্ৰীসকলৰ অভাৱ অভিযোগ দূৰ কৰিবৰ চেষ্টা কৰি সম্পূৰ্ণ সফলতা লভিব নোৱাৰিলেও মোৰ কাৰ্য্য কালত ছাত্ৰী সকলে খেলিব পৰাকৈ – কেৰম, লুডু ইত্যাদি যোগাৰ দিছিলোঁ। পঢ়িবৰ বাবে দৈনিক একোখন বাতৰি (আমাৰ অসম) আৰু মাহেকীয়া আলোচনী (গৰিয়সী) দিছিলোঁ। ইয়াৰ উপৰিও ছাত্ৰীসকলৰ সুবিধাৰ অৰ্থে ছাত্ৰী জিৰণী কোঠাত বিশুদ্ধ খোৱা পানীৰ বাবে ফিল্টাৰৰ ব্যৱস্থা কৰা, ৰূমটোক শুৱনী কৰি ৰাখিবৰ বাবে দুৱাৰ খিড়িকীত নতুন পৰ্দা লগোৱা, এটা ওৱাল ঘড়ীৰ ব্যৱস্থা কৰা, প্ৰসাব গাৰত দৈনিক পানী, ফেনাইল ও চিত্ৰনলা দি পৰিস্কাৰকৈ ৰখা ইত্যাদি কামসমূহ মোৰ কাৰ্য্যকালত কৰিছিলোঁ। শাৰীৰিক আৰু মানসিক উৎকৰ্ষৰ মাজেদি শিক্ষা দিবৰ বাবে খেলাৰ মাজেৰে শিক্ষা (Play waymethod in education) নামৰ এক শিক্ষা পদ্ধতি উদ্ভাৱন হৈছে। শিক্ষাবিদ কান্তৱেল কুকে খেলাৰ চলেৰে শিক্ষা এই নীতিৰ ওপৰত গুৰুত্ব ৰাখি শিক্ষা আঁচনি প্ৰবৰ্তন কৰে। মানুহৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধনৰ প্ৰধান আহিলা হ'ল - খেল-ধেমালী। বৰ্তমান যুগত খেল অকল ধেমালীয়েই হৈ থকা নাই ই হৈ পৰিছে সন্মানৰ, শ্ৰেষ্ঠতা আৰু গৌৰৱৰ প্ৰতীক লগতে শিক্ষাৰ অবিচ্ছেদ্য অংগ স্বৰূপ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ বিভাগীয় পুঁজিত থকা সীমিত ধনেৰে মই মোৰ কাৰ্য্যকালত প্ৰতিভাৱান খেলুৱৈৰ প্ৰতিভা বিকাশ কৰাবৰ বাবে কেইটামান নতুনকৈ নিৰ্বাচিত খেল প্ৰতিযোগিতাত অন্তৰ্ভুক্ত কৰিছিলো। সেই খেল সমূহ হ'ল –কাবাডী, পুষ্প সজ্জা প্ৰতিযোগিতা, চকী খেল আৰু ৰন্ধন প্ৰতিযোগিতা।

যি কি নহওক বিগত বছৰটোত মোৰ দ্বাৰা যিবোৰ কাম সম্পূৰ্ণ হ'ল বা নহ'ল সেইবোৰ কলেজৰ ছাত্ৰ সকলৰ লগতে আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। ছাত্ৰী জিৰণী কোঠাটো এতিয়াও বহুতো সমস্যাৰে জৰ্জৰিত । প্ৰথমে এই বিভাগটোৰ ধন অতি সিমীত। এই সিমীত ধনেৰে ছাত্ৰী সকলৰ শাৰীৰিক, মানসিক আৰু শৈক্ষিক উন্নয়ন কল্পে লোৱা বিভিন্ন আচনি সমূহ বাস্তৱত পৰিণত কৰাটো এক দুৰুহ কাম। ছাত্ৰীৰ জিৰণী কোঠাটো তেনেই ঠেক। বহিবৰ বাবে প্ৰয়োজনীয় আচবাব পত্ৰৰ অভাৱ। আনহাতে কোঠাটো ঠেক হোৱাত ছাত্ৰীসকলে জিৰণীৰ সময়ত বাহিৰতেই থিয় হৈ থাকিব লগা হয়। এই ক্ষেত্ৰত কৰ্তৃপক্ষই সমস্যাৰ আশু সমাধানৰ বাবে কোনো ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। কৰ্তৃপক্ষৰ সহযোগত বিভাগীয় পিছৰ সম্পাদিকাই মোৰ কাৰ্য্যকালত ৰৈ যোৱা সমস্যাবোৰ সমাধান কৰি ছাত্ৰীসকলৰ সৰ্বতো প্ৰকাৰৰ উৎকৰ্ষৰ বাবে এখোজ আগুৱাই গলে ছাত্ৰীসকলৰ লগতে ময়ো পৰম সুখী হ'ব পাৰিম।

মোৰ কাৰ্য্যকালত এষাৰ কথা ভালদৰে উপলব্ধি কৰিছিলো যে "কামৰ মাজেদিহে মানুহে প্ৰকৃত শান্তি বিচাৰি পায়।" অসমীয়া জাতিৰ এই দুৰ্য্যোগৰ সময়ত যদি প্ৰত্যেক নাগৰিকে সততা, নিষ্ঠা আৰু ঐকান্তিক প্ৰচেষ্টাৰে কাম কৰি যায় তেতিয়াহে অসমীয়া জাতিৰ পুনৰ গঠনৰ গৌৰৱময় ইতিহাসৰ সৃষ্টি হ'ব। মোৰ কাৰ্য্যকালত বিভাগীয় তত্বাবধায়ক অধ্যাপিকা শ্ৰীযুতা নাছিমা চুলতানা আহমেদ বাইদেৱে বিভিন্ন দিশত সু দিহা পৰামৰ্শ দি আগবঢ়াই নিয়াত সহায় কৰাৰ বাবে তেখেতলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। লগতে মোৰ বিগত বছৰৰ কাৰ্য্যকালত সকলো দিশতে দিহা পৰামৰ্শ দিয়া শ্ৰদ্ধাভাজন শিক্ষাগুৰু সকলৰ ওচৰত মই কৃতজ্ঞ। এই ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়কো শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। বিভাগটো পৰিচালনা কৰোতে মোৰ জ্ঞাত বা অজ্ঞাতে হোৱা দোষ ত্ৰুটিৰ বাবে শিক্ষাগুৰু সমন্বিতে সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো। সদৌ শেষত মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উজ্জ্বল কামনা কৰি মোৰ বছেৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'বাজক ডবা বাজক শংখ  
বাজক মৃদং খোল  
অসম আকৌ উন্নতি পথত  
জয় আই অসম বোল।'

**'জয়তু ছয়দুৱাৰ মহাবিদ্যালয়'**

**'জয়তু ছঃমঃ ছাত্ৰ একতা সভা'**

শ্ৰদ্ধাৰে  
**শ্ৰীৰূপামণি বৰা**  
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

ENGLISH SECTION

# CHAIDUAR COLLEGE MAGAZINE

**EDITOR : PADMA DOLEY**



# PENANCE METHODS OF SOCIAL OFFENCES AND SOME BELIEFS IN THE BODO SOCIETY

★ Sri Rajiv Basumatary
H.S. 2nd Year

The Bodos or Bodo Kachari of Assam belongs to great Tibbbeto-Burman language group, which is not found in Brahmaputra Valley but land in Garo hills and the hills of Tripura south of surma valley. The name of mech is popularly derived from Mlecha as the proper tribal name is Boro, usually pronounced Bodo. The bulk of the Mech tribe in habit the grassy uplands of the foot of the Himalayas and they are belived to be absolutely identical with the Kacharies. The meaning of the word 'Kachari' is very clear and grammatical one. In present day Bodo language belongs to Tibbeto-Burman group. The word 'Hari' signifies descondants or offsprings. When the 'Koch' is pre-fixed with Hari, we get the word, i.e, Kochari (koch + Hari). It means the Koches and the kocharies were the same. When one branch of the common stock achieved prominence around the kochi (kosi or koshi) river banks and in areas between lower Nepal and Noth Behar, a branch of the over populated koches shifted to the banks of Mechi river for better food and fodder and this branch was settle on the banks of Mechi river. There after they were identified as nech. As they were offshoots of the koches they are also known as kocharies (Koch+Haries). In this shory article, it is only try to discuss about social offences (bad) and some beliefs of the Bodo Society.

Ther is a traditional belief among the Bodo-Kachari society. If some person does offences in the society particularly concerning moral turpitude, he is treated as a guilty person and is obliged to perform panance with some strict social customs. The Bodo society follows some strict principle of morality. They strictly observed the rules about offences are -- (a) A person is taken as moraly guilty if he is engaged in illicit sexual relation with femal relatives, if he touches the body of the wife of his younger brother or eldersister of his wife, if he is involved in bestiality and has sex relation with a bitch.

b. A person is also considered guilty if he is eating forbidden food, such as food left half-eaten by his wife.

c. Indulging in false accusation with the evil motive is also considered a social offence.

Traditionally the offences are divided into five categories : 1. Agarbad, 2. Phongsloth bad, 3. Daokhibad, 4. Khawalibad and 5. Khoulobodbad.

**1. Agarbad :** (a) Incest relation between related persons, (b) physical assault on one's own mother, father, (c) Killing of a cow and (d) Illicit sexual relation with a person of tribe or community or a person belonging to a different religion, e. g., a person found guilty of any of these offences must perform penance under nine bows-method of the society.

**2. Phongsloth bad :** (a) Illicit relation with another than parent's relation or if a person touch the body of a young lady (b) If somebody cut or beat a cow the person must perform under seven bows method.

**3. Daokhibad :** (a) This offences takes places if somebody eats the meat left half eaten by a tiger or a vulture, (b) if some body receives goats, pigs, cocks and pigeons in exchange of cow, (c) If somebody eats beef, (d) If somebody receive money by cutting somebody else's hair, (e) if some one trades in earthen pots, skins of animals or fish, (f) if somone takes food prepared by persons other than of four Hindu castes, the Brahmin, Lalita, Baisya and Sudra. Then the person concerned must perform penance under the five-bows method.

4. Khawalibad : (a) if somebody uses the coins or utensils given with the dead bodies, (b) if somebody sells out the bulls or cow after the period of one year from the date of purchasing. The person must perform under the three bows methods.

5. Khoulobodbad : If some one deliberately accuses somebody and puts blames on some other without any reason, he must perform penance in a simple way.

The penance system (Bodo-Udrainai) for any offences of agarbad is very exacting. The two person, male and female, found guilty of the particular offence, are kept together in a naked condition in a thatched house built by the bank of a river with the door close. Then the house is set on fire in penance of the villagers. The two guilty persons come out of the house breaking the temporary fencing of the house and jumps in the river. Then they are given clothes while they are in the river. With their wet dresses they come up to the bank where an altar of the Gods and Goddess is prepared by the villagers for the performance of their penance. Bathou Borai and Bathou Buroi and the other Gods and Goddesses are orshipped with the sacrifice of a chicken in the name of Bura Bathou, before whom the guilty person kneel down in their wet dresses and pray for the sanction of forgiveness. Before the prayer in the name of Bur a Bathou is made the guilty persons are given to take a little quantity of a mixture of cowdung, human excreta and the droppings of the pig which are kept ready. It is believed that the guilty persons become free from the sin if they are given to take a little of the mixture.

The chant (Mantra) recited on the occasion runs as follows :

"Aham Mahadeo Maha Phorbu aro sor dongbau; Aileng, Agrang, Khoila, Khaji, Rajphutur, Rajkhandra, SongRaja, SongRani, Burli Buri, Ai Monasu, Ai Dibowlimon dongo, Ishingao dongo AiMainao, Maothansrimon dongbao, Khona song Aiphor Aphaphor, nongthangmonha Danilo modai nonga, Orai dinni modai Amokhajong amokhijong dai nangdongmon, Dinoi binino udruinai jabai. Jeroi dai Khalamdongmon bisorha bibadino sasthi honai Jabai jong, Orjong saolai, mansikhi, mosou khi, oma khini doi longhobai jong bisorkhou, daini giria dai khalambai Aphanimahagiria nongsor. Moidera gabo odal gudiao, mansia gabo Mahadeo Mahaphorbuni Khatiao. Nimaha hodo Aiphor Aphaphor dinoini phrai dai daphor dahomsoi, naha moiha thangbla dai-danga honnanoi nana rokhom maya jananoi sigi sogo dakhalamsoi, Dohaide Aiphor, Aphaphor Manni debota manano thanangou. Gole gole khulumo jongo." (Gugurub Khulumo)

**English rendering :** Aham, Mahadeo, or great Lord! who else are there? Aileng, Agrang, khoila, khaji, Rajputur, Rajkhandra, SongRaja, Song Rani, are there, Bharli Buti, Ai Manash, Ai Dibaoi are also there. In the I shing Mother Goddess Lakshmi (mainao) is there. Please listen, O mothers and fathers, you are not the gods of to-day only, you are the gods of all times. This man and this woman are found guilty and for their offence penance is performed; they have been punished according to their offence. We have set fire on them; they were compelled to take the mixure of the human excreta, cowdung and the dropins of the pig. The wrong doers does the wrong and the authority of mercy should give mercy. The Elephant cries at the foot of the Odal tree, while the human being cries before Mohadeo, the great Lord. Forgive, please, and from to day may you not regard them as guilty if they go for fishing or hunting, do not thereaten them in disguise; please, mother and father, the gods of honour should remain in the honourable positions, we pray before you again." (All the present kneel down and pray).

After the prayer is over the guilty persons are given pure water (Bodo-doi gothar) purified with nine pieces of dub grass, a small twig of basil and one gold ring, with which they are purified. Then the same water is sprinkled on every house of the village and in this way the villagers also become purified. Besides the system of penance the guilty persons are made to pay fine ranging from Rupees twenty five to Rupees one hundred. This system is applied in the case of agarbad offence only.

Let us see the creation of the Bad system in the Bdo society. There are stories about how the bad system comes in to being in the Bodo society. One story in relation to the creation of the bad system runs as follows.

There was a young and handsome Bodo youth known as Chandra Baodia. He was also a great player of the serja or serenja (a kind of fiddle) Asagi and Baisagi were two young Bodo girls of the same village to which Chandra Baodia Belonged.

Chandra Baodia was a good horticul turist and an active cultivator. He possesse a big orchard at his house. Asugi and Bwisagi used to steal away the ripe fruits from the garden in his absence. Th catch the thieves Chandra Baodia place a trap at the garden of fruits. Asagi and Bwisagi were trapped and could not escape. Thus Chandra Baodia caught them red-handed. However Asagi and Bwisagi were set free by Chandra Baodia

himself. While setting free from the trap, Chandra Baodia held them their arms. That incident, however, remains unknown except to the two girls and chandra Baodia.

After few days crows were heard to be cawing in the village. The Bodos belive that the caw of the crow (Dawkha Donda) in the village is evil omen. This is an indication of the dissatisfaction of the village deity or the occurence of some illegal activity or illicit love affair between young boys and girls. The elderly person of the village suspected that some of the young boys and girls were engaged in immoral acts without the knowledge of the villagers. They suggested to the villagers to arrange for a meeting and for taking immediate measures for remedy.

